# ষষ্ঠদশ অসম বিধান সভাৰ

## প্ৰথম অধিবেশন

কাৰ্যবিৱৰণী (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

তাৰিখ ঃ ২৫/০৫/২০২৬ **সোমবাৰ**

**পূৰ্ব নিৰ্দ্ধাৰিত সময়সূচী অনুসৰি ৰাতিপুৱা ৯.৩০ বজাৰ লগে লগে ষষ্ঠদশ অসম বিধান সভাৰ প্ৰথম অধিবেশনৰ তৃতীয় দিনৰ কাৰ্য্যসূচী আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষঃ** সকলোকে নমস্কাৰ জনাইছো।

আজিৰ প্ৰথম কাৰ্য্যসূচী হৈছে কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ২৩০ ৰ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সন্দৰ্ভত বিতৰ্কৰ সময় নিৰ্ধাৰণ কৰি বিভিন্ন দল আৰু নিৰ্দলীয় সদস্যক উপযুক্ত সময় আৱন্টনৰ বাবে যোৱা ২২ মে' ২০২৬ তাৰিখে সদনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে অধ্যক্ষৰ কাৰ্য্যালয়ৰ সভাকক্ষত অনুষ্ঠিত কৰা হৈছিল। সভাই চলিত অধিৱেশনৰ কৰ্মৰ দিন আৰু এদিন বঢ়াই ২৭ মে' ২০২৬ পৰ্যন্ত অনুষ্ঠিত কৰাৰ বাবে সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰে। ২৫ মে' ২০২৬ তাৰিখে ৰাজ্যপালৰ ভাষণৰ বিতৰ্কৰ সময় ৪ ঘন্টা ৩০ মিনিট নিৰ্ধাৰণ কৰাৰ লগতে মহিলা বন্দন অধিনিয়ম সংকল্প প্ৰস্তাৱ উত্থাপন কৰাৰ বাবে সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে। ২৬ মে' ২০২৬ তাৰিখে সংকল্প প্ৰস্তাৱটোৰ ওপৰতো আলোচনা কৰাৰ বাবেও সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ উপৰিও ২৫ মে' ২০২৬ তাৰিখে ইউ চি চি বিলখন উত্থাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত ২৭ মে' ২০২৬ তাৰিখে Uniform Civil Code অৰ্থাৎ UCC বিলখন বিবেচনা আৰু পাৰিতকৰণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে সমিতিয়ে উক্ত দিনাই মৃত্যু প্ৰসংগ সন্দৰ্ভতো উল্লেখ কৰাৰ বাবে সিদ্ধান্ত

গ্ৰহণ কৰে। ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সন্দৰ্ভত বিতৰ্কৰ সময় তলত উল্লেখ কৰা ধৰণে আৱন্টন দিয়া হয়। মুঠ সময় হৈছে ২৭০ মিনিট। ভাৰতীয় জনতা পাৰ্টীৰ বাবে ১৭৬ মিনিট, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উত্তৰসহ । ভাৰতীয় জাতীয় কংগ্ৰেছ ৪১ মিনিট । অসম গণ পৰিষদৰ ২২ মিনিট । বড়োলেণ্ড পিপুল'চ ফ্ৰন্টৰ ২২ মিনিট । ভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চাৰ ৫ মিনিট। নিৰ্দলীয় ৰাইজৰ দলৰ ৫ মিনিট, সৰ্বভাৰতীয় তৃণমূল কংগ্ৰছৰ ৩ মিনিট। মহিলা বন্দন অধিনিয়ম সংকল্প প্ৰস্তাৱৰ ওপৰত আলোচনা কৰাৰ বাবে তলত উল্লেখ কৰা ধৰণে সময় আৱন্টন দিয়া হ'ল। মুঠ সময় ২১০ মিনিট। ভাৰতীয় জনতা পাৰ্টীৰ বাবে ১৩৮ মিনিট, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উত্তৰসহ । ভাৰতীয় জাতীয় কংগ্ৰেছ ৩২ মিনিট । অসম গণ পৰিষদৰ ১৭ মিনিট । বড়োলেণ্ড পিপুল'চ ফ্ৰন্টৰ ১৭ মিনিট । ভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চাৰ ৪ মিনিট। নিৰ্দলীয় ৰাইজৰ দলৰ ৪ মিনিট। সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছৰ বাবে ৩ মিনিট। আশা কৰো এই প্ৰতিবেদনত মাননীয় সদনৰ অনুমোদন আছে। মই লগতে এটা আহ্বান জনাব বিচাৰিছো যিহেতু কেইবাগৰাকীও নতুন বিধায়ক আমাৰ ইয়াত আহিছে, গতিকে নতুন বিধায়ক সকলে বিভিন্ন আশা আকাংক্ষা লৈ ইয়ালৈ আহিছে সমষ্টিবাসী ৰাইজৰ। তেওঁলোকৰো মনৰ কথা কি উত্থাপন কৰে সেই বিষয়ে সমষ্টিবাসী ৰাইজে দৃষ্টি নিক্ষেপ কৰি আছে। মই বিধায়িনী দলৰ সমূহ ৰাজনৈতিক দলৰ দলপতি সকলক আহ্বান জনাইছো নতুন বিধায়ক সকলে যাতে কথা কোৱাৰ সুযোগ পায়। গতিকে আপোনালোকৰ বাবে আৱন্টিত যি সময় থাকে, কিছু সময় যাতে নতুন বিধায়কক এৰি দিয়ে তাৰ বাবে মই আপোনালোকক আহ্বান জনাইছো. লগতে মহিলা বন্দন যি খন বিল অনা হ'ব তাত যাতে মহিলাসকলক অংশগ্ৰহণ কৰাৰ সুযোগ দিয়ে তাৰ কাৰণে মই আহ্বান জনাইছো।

**এতিয়া কাৰ্য্যসূচী নং-২**

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসম তথ্য আয়োগৰ ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদনখন দাখিল কৰিব।

**শ্ৰী অতুল বৰা, কেবিনেট মন্ত্ৰী, বোকাখাটঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ হৈ মই অসম তথ্য আয়োগ ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ এতিয়া কাৰ্য্যসূচী নং ৩**

মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই হৈ The Uniform Civil Code'' Assam Bill 2026 বিধেয়ক খন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**শ্ৰী অতুল বৰা, কেবিনেট মন্ত্ৰী, বোকাখাটঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে মই The Uniform Civil Code'' Assam Bill 2026 বিধেয়ক খন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, পাকা বেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বিলখন উত্থাপনৰ আগতে দল-সংগঠন ৰাজনৈতিক অৰাজনৈতিক ব্যক্তিসকলৰ লগত আলোচনা কৰি উত্থাপন কৰিব লাগিছিল। অধ্যক্ষ ডাঙৰীয়া এইটো অনুমতি আপুনি দিব নালাগে।

..................হুলস্থূল...............

**মাননীয় অধ্যক্ষঃ** আপোনালোকে যিহেতু চিনিয়ৰ বিধায়ক অধ্যক্ষই যেতিয়া থিয় হয়, তেতিয়া আপোনালোকে বহিব লাগে । মই আপোনালোকক সন্মান জনাই আপোনালোকৰ কথাখিনি শুনিছো । এতিয়া মোক যিহেতু অধ্যক্ষৰ দায়িত্ব দিছে আপোনালোকে মই যিটো সিদ্ধান্ত দিম সেইটোৱে সিদ্ধান্ত হ'ব।

এতিয়া বিধেয়ক খন উত্থাপন কৰাত সদনৰ সন্মতি আছে নে ?

যিসকল সপক্ষে আছে কওঁক হয়, যিসকল বিপক্ষে আছে কওঁক নহয়, গতিকে মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিধেয়ক খন উত্থাপন কৰিব পাৰিব।

**শ্ৰী অতুল বৰা, কেবিনেট মন্ত্ৰী, বোকাখাটঃ** মাননীয় অধ্যক্ষ মহোদয় মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ অসম চৰকাৰৰ লগত সম্পৰ্কিত ২০২৪-২৫ বৰ্ষৰ ৰাজ্যিক বিত্তৰ প্ৰতিবেদন (২ নং ২০২৬) সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ এতিয়া কাৰ্য্যসূচী নং ৫,** সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰা ডাঙৰীয়াই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ মাৰ্চ ২০২৪ ত সমাপ্ত বৰ্ষটোৰ বাবে স্থানীয় নিকায় সমূহৰ সন্দৰ্ভত প্ৰতিবেদন সদনত দাখিল কৰিব।

**শ্ৰী অতুল বৰা, কেবিনেট মন্ত্ৰী, বোকাখাটঃ** মাননীয় অধ্যক্ষ মহোদয় মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ মাৰ্চ ২০২৪ ত সমাপ্ত বৰ্ষটোৰ বাবে স্থানীয় নিকায় সমূহৰ সন্দৰ্ভত প্ৰতিবেদন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ এতিয়া কাৰ্য্যসূচী নং ৬,** মাননীয় সদস্যসকল ধন্যবাদ সূচক প্ৰস্তাৱটোৰ ওপৰত তলত উল্লেখ কৰা সদস্যসকলৰ পৰা সংশোধনী প্ৰস্তাৱ লাভ কৰিছো। মাননীয় সদস্য শ্ৰী ওৱাজেদ আলী চৌধুৰী আৰু কংগ্ৰেছ বিধায়িনী দলৰ আন ১৪ জন, মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ, সৰ্বভাৰতীয় তৃণমূল কংগ্ৰেছ। এতিয়া মই

প্ৰথমতে শ্ৰী ওৱাজেদ আলী চৌধুৰীক ধন্যবাদ সূচক প্ৰস্তাৱৰ সন্দৰ্ভত তেখেতসকলৰ সংশোধনী প্ৰস্তাৱসমূহ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, দক্ষিণ শালমাৰাঃ** মই প্ৰস্তাৱটো উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই দ্বিতীয়তে শ্ৰী অখিল গগৈক ধন্যবাদ সূচক প্ৰস্তাৱৰ সন্দৰ্ভত তেখেতসকলৰ সংশোধনী প্ৰস্তাৱসমূহ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** মোৰ প্ৰস্তাৱটো হ'ল –

১) পৃষ্ঠা নং ২ৰ ২.১ নং দফাত "এই জনাদেশ হৈছে বিগত দহ বছৰত অনুসৰণ কৰি অহা শান্তি, অৰ্থনৈতিক সুস্থিৰতা আৰু সামগ্ৰিক উন্নয়নৰ প্ৰতি থকা জনসাধাৰণৰ সমৰ্থনৰ প্ৰতিফলন।" বুলি উল্লেখ কৰিছে যদিও ২০২৬ বৰ্ষটো হ'ল অসমৰ অৰ্থনৈতিক অসুস্থিৰতা অথবা অৰ্থনৈতিক সংকটৰ বৰ্ষ। যাৰ ফলত বস্তুৰ সাংঘাতিক মূল্যবৃদ্ধিয়ে অসমবাসীক দহি পেলাইছে। মূল্যবৃদ্ধিৰ লগে লগে LPG চিলিণ্ডাৰ আদিৰ অভাৱে মানুহক কাবু কৰি পেলাইছে। এনেস্থলত এই অৰ্থনৈতিক সংকট আৰু মূল্যবৃদ্ধিৰ বিষয়টো এইখিনি ঠাইত উল্লেখ কৰাটো উচিত আছিল। লগতে মূল্যবৃদ্ধি ৰোধৰ বাবে ৰাজ্য চৰকাৰে কৰা ব্যৱস্থাৱলীও আলোচনা কৰা দৰকাৰ আছিল।

২) পৃষ্ঠা নং ৩ৰ ২.৮ নং দফাত ৰাজ্যপাল ডাঙৰীয়াই কৈছে-"একে সময়তে আমি বিশ্বজুৰি দেখা দিয়া নতুন প্ৰত্যাহ্বানসমূহৰ প্ৰতি সজাগ হৈ আছো। পশ্চিম এছিয়াৰ বৰ্তমানৰ সংকটটোৱে সমগ্ৰ গোলকীয় অৰ্থনীতিত চাপ সৃষ্টি কৰিছে যদিও অসমত অৰ্থনীতি সুস্থিৰ আৰু শক্তিশালী হৈ আছে, ....." এই শেষৰ শাৰীটো সম্পূৰ্ণ অসত্য।

মই পৃষ্ঠা নং ৩ৰ ২.৮ নং দফাৰ ২০ নং শাৰীটো সংশোধন কৰিব খোজো। মই অনা সংশোধনীটো হ'ল-"পশ্চিম এছিয়াৰ এই সংকটটোৰ কাৰণে অসমৰ অৰ্থনীতি অতিশয় স্পৰ্শকাতৰ আৰু সংকটত পৰিছে। বৰ্ধিত ৰাষ্ট্ৰীয় আৰু গোলকীয় প্ৰেক্ষাপটে আমাক শংকিত কৰি তুলিছে, জনগণক অৰ্থনৈতিকভাৱে জুৰুলা কৰিছে, অনেক নিত্য ব্যৱহাৰ্য্য পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ যোগান ব্যাহত হৈছে আৰু ৰাজ্যখনৰ বজাৰত সকলো বস্তুৰ জুই ছাই দাম বাঢ়িছে।"

৩) পৃষ্ঠা নং ৩ৰ দফা নং ২.৯ ৰ শেষত, অৰ্থাৎ, ৩০ নং শাৰীৰ পিছত যোগ দিবলৈ প্ৰস্তাৱ কৰো এই বুলি-"বৰ্দ্ধিত ৰাষ্ট্ৰীয় আৰু গোলকীয় সংকটৰ প্ৰেক্ষাপটত অসমৰ অৰ্থনীতি সবল আৰু সচল কৰি ৰাখিবলৈ ৰাজ্য চৰকাৰে এলানি অৰ্থনৈতিক কৰ্মসূচী গ্ৰহণ কৰিব। তাৰ ভিতৰত সামগ্ৰীৰ যোগান নিয়মীয়া কৰি ৰাখিবলৈ এক বিশেষ টাস্ক ফ'ৰ্চ গঠন কৰা হ'ব। ক'লা বেপাৰীৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱা হ'ব। মূল্যবৃদ্ধি ৰোধ কৰিবলৈ চৰকাৰে কঠোৰতম ব্যৱস্থা ল'ব। লগতে মূল্যবৃদ্ধি ৰোধৰ বাবে এটি 'ৰাজ্যিক দুৰ্যোগ পুঁজি' বিশেষভাৱে ৰখা হ'ব যাতে অভূতপূৰ্ব দাম বৃদ্ধি ৰোধিব পাৰি। বিশ্ববিদ্যালয় আৰু কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক অৰ্থনৈতিক সকাহ দিয়া হ'ব তথা মাচুল হ্ৰাস কৰা হ'ব।"

৪) পৃষ্ঠা নং ৩ৰ ২.৯ নং দফাৰ পাছত ২.৯.১ দফা সংযোজন কৰা হ'ব। এই দফাত এনেদৰে উল্লেখ থাকিব-

"মই লক্ষ্য কৰিছো যে ৰাজ্যখনৰ একাংশ ৰাজনীতিক আৰু গুণ্ডা প্ৰকৃতিৰ মানুহে অসমলৈ প্ৰৱেশ কৰা ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত বক্সিৰহাট আৰু শ্ৰীৰামপুৰত অবৈধ ছিণ্ডিকেট স্থাপন কৰি মালবাহী ট্ৰাক আৰু অন্যান্য বাহনৰ পৰা ভয়ংকৰভাৱে অবৈধ গুণ্ডাকৰ সংগ্ৰহ কৰিছে। ফলত বস্তুৰ দাম ৰাজ্যখনত দিনে দিনে বাঢ়ি গৈছে ..................

(......সদনত হুলস্থূল......)

**माननीय अध्यक्ष :** মই ইতিমধ্যে কৈছো যে বিশ্লেষণ কৰাৰ প্ৰয়োজন নাই। কিন্তু তেখেতে একেলগে বিশ্লেষণ কৰিয়েই দিলে গতিকে তেওঁ আৰু নক'লেও হ'ব।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** মই বিশ্লেষণকৰা নাই, পঢ়িহে দিছো।

(......সদনত হুলস্থূল......)

**মাননীয় অধ্যক্ষ :** মই এটা কথা ক'ব বিচাৰিছো যদিহে আপোনালোকে লোকসভা টিভি চায় বা যদিহে লোকসভা attend কৰিছে, আপোনালোকে কথা ক'লে মোৰ ফালে চাইহে ক'ব, আন সদস্যৰ ফালে চাই নক'ব, অধ্যক্ষৰ জৰিয়তেহে কথাষাৰ ক'ব লাগে। গতিকে এতিয়াৰ পৰা আপোনালোকে এই কথাখিনি মানি চলিব। এতিয়া মই শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়াক ধন্যবাদসূচক প্ৰস্তাৱৰ সন্দৰ্ভত তেখেতসকলৰ সংশোধনী প্ৰস্তাৱসমূহ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**Shri Sherman Ali Ahmed, Mandia :** Hon'ble Speaker Sir, I do here by move :

1) that at the end of the motion, the following be added, namely:-"but regret that there is no mention in the address about appointment of teachers maintaining PT ratio as per RTE Act and construction at least 5 class rooms in each LPS."

2) that there is no mention in the address about appointment of Doctors & Nurses in each health institution, ensuring delivery in all Arogya Mandirs, availability of Essential Drugs in all Health Institutions."

3) that there is no mention in the address about controlling of erosion of Brahmaputra, Beki, Aie, Manas etc, rehabilitation of erosion affected families as per guidelines."

4) that there is no mention in the address about development of Barpeta by railway connectivity, NH from Abhayapuri to Barpeta, RCC bridge over Brahmaputra connecting Bamundongra and Nagarbera.

5) that there is no mention in the address about making the state free from the abuse of Drugs etc."

6) that there is no mention in the address about non-release of MLA LAD and other fund by the DC, Barpeta."

7) that there is no mention in the address about collecting illegal goonda tax from each vehicle at Kalgachia."

8) that there is no mention in the address about harassment of common people by the OC, Kalgachia."

9) that there is no mention in the address about stopping illegal mining of sand in Barpeta district thereby aggravating erosion of rivers."

Thank You.

**মাননীয় অধ্যক্ষ :** সদনে এইমাত্ৰ প্ৰস্তাৱ হিচাপে গ্ৰহণ কৰা ধন্যবাদসূচক প্ৰস্তাৱ আৰু সংশোধনী প্ৰস্তাৱ সমূহ বিবেচনা কৰিব। এতিয়া মই মাননীয় সদস্য শ্ৰী বিশ্বজিৎ ফুকন ডাঙৰীয়াক ৰাজ্যপালৰ ভাষণৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনাইছো আৰু ভাৰতীয় জনতা পাৰ্টিয়ে যি সময় নিৰ্দ্ধাৰণ কৰি দিছে তাৰ ভিতৰত আপোনাক ৮ মিনিট সময় দিয়া হৈছে। গতিকে আপোনাক বক্তব্য ৰাখিবলৈ আহ্বান জনাইছো।

**শ্ৰী বিশ্বজিৎ ফুকন, সৰুপথাৰ :** মাননীয় অধ্যক্ষ মহোদয়, মই আজি অত্যন্ত আনন্দ আৰু গৌৰৱেৰে অসমৰ মহামহিম ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থনত বক্তব্য ৰাখিব বিচাৰিছো। ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণ কেৱল সাংবিধানিক বাধ্য-বাধকতা নাছিল বৰঞ্চ এই ভাষণত প্ৰকাশ পাইছিল অসমৰ সামগ্ৰিক প্ৰতিচ্ছবি, অসমৰ ভৱিষ্যতৰ বাবে বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰৰ সংকল্প, অসমৰ জনসাধাৰণৰ মনত সৃষ্টি হোৱা গভীৰ আত্ম-বিশ্বাস, যুৱ সমাজৰ মনত প্ৰচলিত ব্যৱস্থাৰ প্ৰতি সৃষ্টি হোৱা আস্থা আৰু সামগ্ৰিকভাৱে ভাৰতবৰ্ষৰ ভিতৰতে দ্ৰুতভাৱে আগবাঢ়ি যোৱা ৰাজ্যখনৰ অৰ্থনৈতিক পৰিৱেশ তথা আন্ত: গাঁথনিৰ উন্নয়ন আৰু অসমৰ মহিলা আৰু শিশুসকলৰ উন্নয়নৰ কাৰণে গ্ৰহণ কৰা যি আঁচনি, এই সকলোখিনি কথা মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভষণত প্ৰকাশ পাইছিল। ডং হিমন্ত বিশ্ব শৰ্মা

ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বৰে যোৱা সময়ছোৱাত অসমত যি গতিশীল চৰকাৰ আছে, এই গতিশীল চৰকাৰে সৰ্বদিশতে সকলোৰে বিকাশ আৰু উন্নয়নৰ কাৰণে গ্ৰহণ কৰা আঁচনিসমূহে অসমখনক এটা নতুন যুগত উপনীত কৰিছে আৰু অসমে আজি পিছলৈ উভটি চোৱাৰ সলনি অসমে আজি ভাৰতবৰ্ষক নেতৃত্ব দিব পৰাকৈ শক্তিশালী হৈছে। পূৰ্বতে অসম বুলি ক'লে এখন অনগ্ৰসৰ ৰাজ্য, সমস্যা, সন্ত্ৰাসবাদৰ বিভীষিকা, নিৰনুৱা সমস্যাৰ যি প্ৰতিচ্ছবি আছিল সেই প্ৰতিচ্ছবিৰ বিপৰীতে ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত অসমৰ যি প্ৰতিচ্ছবি প্ৰকাশ পাইছে এয়া হ'ল নতুন অসমৰ সংকল্প, নতুন অসম গঢ়াৰ প্ৰচেষ্টা আৰু সংকল্পক সিদ্ধিলৈ ৰূপান্তৰিত কৰা ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত যি কাম হৈছিল সেই কামৰ বহি: প্ৰকাশ। অধ্যক্ষ মহোদয়, অসমৰ ইতিহাস যদি আমি চাওঁ, অসমৰ ইতিহাস ত্যাগ, সাহস আৰু সৌৰ্য্য–বীৰ্য্যৰ ইতিহাস। চাউলুং চুকাফাই প্ৰতিষ্ঠা কৰা বৃহত্তৰ অসমীয়া জাতিক জগতগুৰু শ্ৰীমন্ত শংকৰদেৱে সাংস্কৃতিক, আধ্যাত্মিক আৰু সামাজিকভাৱে সংস্কাৰেৰে নেতৃত্ব দিছিল আৰু এই অসমতে কুশল কোঁৱৰ, কনকলতাৰ দৰে বীৰ-বীৰঙ্গনাৰ জন্ম হৈছিল । এইখন অসমত লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱৰ নিচিনা নেতাৰ জন্ম হৈছিল আৰু তেওঁ অসমক সুৰক্ষা দিছিল। সেই একেই গতি ধাৰাৰে আগবাঢ়ি আহি মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত অসমখনক এক নৱ-জাগৰণৰ দিশলৈ আগুৱাই লৈ যাবলৈ সমৰ্থ হৈছে । যোৱা ৫ টা বছৰত অসমৰ অৰ্থনীতি যদি চাওঁ আমি দেখিবলৈ পাম যে ৪লাখ ১১ হাজাৰ কোটি টকা GSDP ৰ পৰা আহি ৭ লাখ ৮০ হাজাৰ কোটি টকালৈ আগবাঢ়িল আৰু আমাৰ ঘৰুৱা অৰ্থনীতি ২০২৮ চনত প্ৰায় ১০ হাজাৰ কোটি টকালৈ উন্নীত হ'ব। এনেদৰে দ্ৰুতভাৱে অসম খনৰ উন্নয়ন হোৱাৰ লগে লগে অসমৰ সমাজত মানুহৰ মাজত হাঁহি বিৰিঙিবলৈ ধৰিছে। কাৰণ আমি যি ফালে চাওঁ প্ৰতিটো দিশত উন্নয়নৰ এক নৱ-জাগৰণ আৰম্ভ হৈছে। আজিৰ পৰা ৪/৫ বছৰৰ ভৱিষ্যতৰ কথা এই বাজেট ভাষণত প্ৰতিফলিত হৈছে। আজি আমি লাহে

লাহে এখন বিশ্ব মানৱ সমাজলৈ আগবাঢ়ি গৈছো। আজি যদি আমি ভাৱো যে ৪ বছৰৰ পিছৰ অসম খনৰ অৱস্থা কেনেকুৱা হ'ব ? ৪ বছৰৰ পিছৰ অসমখনত যেতিয়া আমি ইয়াৰ পৰা উজনি অসমলৈ যাম জাগীৰোডত আমি দেখিম যে হাজাৰ হাজাৰ ল'ৰা-ছোৱালীয়ে নিজৰ সংস্থাপনৰ বাট জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পত লাভ কৰিছে। জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পই পৃথিৱীৰ অৰ্থনীতিত ভাৰতৰ তথা অসমৰ জাগীৰোডৰ ছেমি কণ্ডাক্টৰলৈ দৃষ্টি নিক্ষেপ কৰিবলৈ বাধ্য কৰিছে । আমি যদি অলপ আগবাঢ়ি যাওঁ পৰ্য্যটনৰ ক্ষেত্ৰ কাজিৰঙাত ৩৬ কিলোমিটাৰ দীঘল Elivated Corridor দেখিবলৈ পাম । যি ভাৰতবৰ্ষৰ ভিতৰতে লেখত ল'বলগীয়া আকৰ্ষণীয় পৰ্য্যটন কেন্দ্ৰ হ'ব । আমি আৰু অলপ আগুৱাই গ'লে নুমলীগড় পাম । য'ত ব্ৰহ্মপুত্ৰ নদীৰ তলত ৰেল আৰু গাড়ী চলিব পৰা সুৰংগ নিৰ্মাণৰ আধাৰশিলা স্থাপন হৈছে। আমি আশা কৰিছো অহা ৪ বছৰৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ তলত সেই সুৰংগ পথৰ কাম সম্পূৰ্ণ হ'ব। সেই সুৰংগ পথে কেৱল যে অসমৰ যাতায়াত ব্যৱস্থা সুলভ কৰিব এনেকুৱা নহয়, সীমান্তৱৰ্তী ৰাজ্য হিচাপে অসমৰ আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত যি নিৰাপত্তা সেই ক্ষেত্ৰতো যথেষ্ট গুৰুত্বপূৰ্ণ হ'ব । নুমলীগড় শোধানাগাৰ ২৮ হাজাৰ কোটি টকাৰে সম্প্ৰসাৰণ হৈ আছে আৰু তাত নতুনকৈ Polypropylene Project আৰম্ভ হৈছে। এই শোধানাগাৰত হাজাৰ হাজাৰ ল'ৰা-ছোৱালীয়ে আত্ম সংস্থাপন পাব। আমি যদি আৰু আগুৱাই যাওঁ আমি দেখিবলৈ পাম যে মাজুলীলৈ নিৰ্মাণ হৈ থকা দলং খন সম্পূৰ্ণ হ'ব । সত্ৰ-সংস্কৃতিৰ কেন্দ্ৰস্থল মাজুলী  দেশ-বিদেশৰ পৰ্য্যটকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছে। এই মাজুলীলৈ যাবলৈ ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ হ'ব, নামৰূপৰ সাৰ কাৰখানাত ১৪ হাজাৰ কোটি টকাৰ নতুন ইউনিট আৰম্ভ হ'ব । এনেদৰে গুৱাহাটীক কেন্দ্ৰ কৰি আমি যদি চাওঁ, শিলচৰলৈ Express Highway নিৰ্মাণৰ কাম আৰম্ভ হৈছে  আৰু আমি তেতিয়া ৪ ৰ পৰা ৪:৩০ঘণ্টাতে শিলচৰলৈ গৈ পাম, যি শিলচৰলৈ যাতায়ত ব্যৱস্থা এটা সময়ত দু:স্বপ্নৰ নিচিনা আছিল। লাহে লাহে মানুহে শিলচৰলৈ যোৱাটো এটা

অভ্যাসত পৰিণত হ'ব। বাইহাটা চাৰি আলিৰ পৰা তেজপুৰলৈ ফ'ৰলেণ্ড ৰাষ্ট্ৰীয় ঘাই পথ নিৰ্মাণ হ'ব। বিমান বন্দৰৰ পৰা গুৱাহাটীলৈ Elivated Corridor নিৰ্মাণ হ'ব। এইয়া হ'ল সংকল্পক বাস্তৱত পৰিণত কৰাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত এই ৫ বছৰত পোঁখা মেলা উন্নয়নৰ নমুনা। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ পিছত যদি আমি চাওঁ যোৱা ৫ টা বছৰত অসমৰ অৰ্থনীতি শক্তিশালী হোৱাৰ লগে লগে অসমৰ প্ৰায় ১ লাখ ৬০ হাজাৰ নিবনুৱাক সম্পূৰ্ণ নিকা নিযুক্তি দিয়া হ'ল। এই সম্পূৰ্ণ নিকা নিযুক্তি দিয়া প্ৰক্ৰিয়া অহা ৫ বছৰত আৰু ২ লাখলৈ বৃদ্ধি পাব । ইয়াৰ বাবে অসমৰ যুৱক-যুৱতীসকলে আশাৰে বাট চাই আছে। এটা সময়ত অসমত নিযুক্তি বুলি ক'লে মানুহে বেংকত কিমান টকা আছে, চিন্তা কিৰিছিল, নিযুক্তি বুলি ক'লে দুৰ্নীতিৰ পাহাৰ গঢ়িছিল।

**মাননীয় অধ্যক্ষ :** মাননীয় সদস্য, আপোনাৰ সময় শেষ হৈছে। দৰকাৰ হ'লে আপুনি দলপতিক সুধি ল'ব।

**শ্ৰী বিশ্বজিৎ ফুকন, (সৰুপথাৰ) :** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কৈ শেষ কৰিম। আজি সন্মানীয় সদনৰ সকলোৱে এই প্ৰস্তাৱটো একেমুখে সমৰ্থন কৰিব লাগে । সংশোধনীৰ নামত সংশোধনী অনাতকৈ বাস্তৱক স্বীকাৰ কৰি বিৰোধী পক্ষই এই প্ৰস্তাৱৰ সমৰ্থন কৰক । নতুন অসম গঢ়াৰ খনিকৰ, ভৱিষ্যতৰ স্বপ্নদ্ৰষ্টা মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বক সকলোৱে সমৰ্থন কৰাৰ কামনা কৰি মই মোৰ বক্তব্য সামৰিলো । ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ । এতিয়া ডাঃ ৰণোজ পেগু ডাঙৰীয়াই ক'ব । আপোনাক ৫ মানিট সময় দিয়া হ'ল।

**ডাঃ ৰণোজ পেগু, (ধেমাজী) :** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত মই কেৱল দুটা কথা

ক'বলৈ ওলাইছো । মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ২০২১ চনত মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰি ঘোষণা কৰিছিল যে আমি অসমক ভাৰতবৰ্ষৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন হিচাপে গঢ়ি তোলাটো আমাৰ সংকল্প । এই সংকল্প আজি আন্ত:গাঁথনিৰ পৰা আৰম্ভ কৰি বহু ক্ষেত্ৰত কেনেধৰণে ৰূপায়ণ কৰা হৈছে, যি ধৰণে দেশখন আগুৱাই গৈছে তাক আমি প্ৰত্যক্ষ কৰিছো । মই কেৱল এটা ক্ষেত্ৰ শিক্ষা খণ্ডক মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ মাৰ্গ দৰ্শনেৰে শিক্ষা বিভাগৰ ক্ষেত্ৰত ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন হ'বলৈ আগুৱাই যাম। তাত এটা তথ্য ভিত্তিক কথা ক'বলৈ বিচাৰিছো। ২০১৬-১৭ চনত ভাৰতবৰ্ষত শিক্ষা বিভাগে এটা Evalution Process-Performance Grading Index আৰম্ভ কৰিছিল। ২০২০ চনত নতুন শিক্ষা নীতি অহাৰ পিছত এই Performance Grading Index নৱীকৰণ কৰা হৈছিল। ২০২৩-২৪ চনত এই Performance Grading Index ত আমি বহুত পিছুৱাই আছিলো। আমি তলৰ ফালৰ পৰা ২৭ নম্বৰত আছিলো। কিন্তু মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত নিৰন্তৰভাৱে শিক্ষা বিভাগত শিক্ষা ব্যৱস্তাৰ উন্নয়নৰ বাবে কাম কৰিলে, যোৱা ১৯ মে' তাৰিখে ২০২৪-২৫ চনৰ Performance Grading Index ৰ প্ৰতিবেদন ভাৰত চৰকাৰে প্ৰকাশ কৰিছে । সেই প্ৰতিবেদনৰ তথ্য অনুসৰি আমি ২৭ নম্বৰৰ পৰা ১২ নম্বৰ স্থানলৈ আগুৱাই আহিলো । অৰ্থাৎ আমি ১৫ টা ৰেংক জপিয়াই আগুৱাই আহিলো । এই Performance Grading Index ত যিকেইটা গ্ৰেড আছে, তাৰ প্ৰথম গ্ৰেডটো হ'ল- উৎকৰ্ষ। ভাৰতৰ কোনো ৰাজ্যই সেই গ্ৰড পোৱা নাই। দ্বিতীয় গ্ৰেডটো হ'ল- উত্তম। ভাৰতৰ কোনো ৰাজ্যই সেই গ্ৰড পোৱা নাই। তৃতীয় গ্ৰেডটো হ'ল- প্ৰচেষ্টা। চতুৰ্থ গ্ৰেডটো হ'ল- আকাংক্ষী। আমি প্ৰচেষ্টা গ্ৰেডত আছো আৰু এই প্ৰচেষ্টা গ্ৰেডত আমি কোন কোন ৰাজ্যক অতিক্ৰম কৰি বা কোন কোন ৰাজ্যক পিছ পেলাই থৈ আহিছো বা আমাৰ তলত আছে সেইয়া হৈছে-হাৰিয়ানা, উত্তৰাখণ্ড, গুজৰাট, তামিলনাডু, ৰাজস্থান, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ছত্তীসগড়,

উত্তৰ প্ৰদেশ, কৰ্ণাটক, West Bengal, তেলেংগানা; অৰ্থাৎ ভাৰতবৰ্ষৰ প্ৰায় সকলো বৃহৎ ৰাজ্যক চেৰ পেলাই আমি ১২ নম্বৰ স্থানলৈকে আহিবলৈ সক্ষম হৈছো। প্ৰথম দুটা স্থানত আছে চণ্ডীগড় আৰু পঞ্জাব, কেৰালা। ইয়াৰ পাছত আছে হিমাচল প্ৰদেশ, মধ্যপ্ৰদেশ, গোৱা। আমি যদিও উত্তম স্থানটো আমাৰ পাঁচটা শিতানত ইয়াৰ evaluation হয় আৰু এই পাঁচটা শিতানৰ evaluation-ৰ ভিতৰত এই তিনিটা শিতানত আমি অতি সুন্দৰ প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছো। যদিও আমি সামগ্ৰিকভাৱে আমি উত্তম পোৱা নাই, কিন্তু আমি শিক্ষাৰ সহজলভ্যতা, access to education, তাত আমি উত্তম স্থান লাভ কৰিছো। আমি equity অৰ্থাৎ সমাজৰ SC, ST, চৰ অঞ্চল, চাহ বাগান অঞ্চল, সংখ্যালঘু অঞ্চল– এই সকলোকে সামৰি লোৱা যি inclusive education, ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে, ইয়াত আমি উত্তম স্থান লাভ কৰিছো। আৰু তিনি নম্বৰ এটা ক্ষেত্ৰ য'ত আমি উত্তম স্থান লাভ কৰিছো, সেইটো হ'ল governance process। অৰ্থাৎ এই governance process-ৰ ইয়াতো আমি উত্তম স্থান লাভ কৰিছো। অৰ্থাৎ আমি ২৭-ৰ পৰা ১২-লৈ আহিলো। মুখ্যমন্ত্ৰীয়ে কৈছে যে আমি ভাৰতবৰ্ষৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন হবলৈ আমি চেষ্টা কৰিম। আমি ২৭-ৰ পৰা ১২-লৈ আহিলো। মই আশা কৰো অহা পাঁচটা বছৰত ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আমি এই পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন হবৰ কাৰণে আমি সফলতা লাভ কৰিম। ইয়াৰোপৰি অন্য এটা দিশ যিটো অতি গুৰুত্বপূৰ্ণ, যিটো ভাৰতবৰ্ষৰ

কোনো ৰাজ্যই কৰিব পৰা নাই– ১,৬৫,০০০ জন যুৱক-যুৱতীক চৰকাৰখনে চাকৰি দিব আৰু আজি চৰকাৰখনে কৈছে যে অহা পাঁচটা বছৰত আমি ২ লাখ যুৱক-যুৱতীক আমি চাকৰি দিম। কিন্তু তাৰ লগে লগে Advantage Assam-ৰ জৰিয়তে অসমত ব্যাপক উদ্যোগীকৰণৰ এক পৰিৱেশ সৃষ্টি হৈছে। আৰু এই উদ্যোগীকৰণৰ যি মূল target, তাৰ জৰিয়তে নিয়োগ, employment, নতুন যুৱক-যুৱতীৰ ব্যক্তিগত খণ্ডত নিয়োগৰ এটা বৃহৎ দুৱাৰ মুকলি হ'ব। আৰু ইতিমধ্যে আমাৰ skill development center-বিলাকৰ জৰিয়তে যথেষ্ট যুৱক-যুৱতী তেওঁলোকে ব্যক্তিগত খণ্ডতো নিয়োজিত হৈ আছে। মোৰ চৰকাৰখনলৈ মোৰ প্ৰস্তাৱ যে চৰকাৰী খণ্ডত ১,৬৫,০০০–তাৰ data আমাৰ হাতত আছে। কিন্তু ব্যক্তিগত খণ্ডত কিমান যুৱক-যুৱতীয়ে সংস্থাপন লাভ কৰিছে তাৰ আমাৰ data নাই। তাৰ data-ৰ কাৰণে চৰকাৰখনে যদি এটা portal খুলে আৰু আমি এই data-সমূহ যদি সংগ্ৰহ কৰো, তেনেহ'লে ২ লাখতকৈ অধিক যুৱক-যুৱতীক আমি ব্যক্তিগত খণ্ডতো নিয়োগ কৰিব পাৰিম। অৰ্থাৎ unemployment যিটো ডাঙৰ এটা সমস্যা ৰাজ্যখনৰ, চৰকাৰখনে খুব effectively ইয়াক address কৰিছে। আৰু ইয়াৰ বাবে মই ৰাজ্যপালৰ এই যি ভাষণ য'ত এই কথাবিলাক সন্নিৱিষ্ট আছে, ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, ডাঃ পেগু ডাঙৰীয়া। আমি অসমৰ কাৰণে গৌৰৱ কৰিব পৰা এটা তথ্য, বিশেষকৈ শিক্ষা বিভাগৰ যিটো তথ্য আগবঢ়ালে, মই

ব্যক্তিগতভাৱে আপোনাক ধন্যবাদ জনাইছো। এই তথ্যটো মই গম পোৱা নাছিলো আগতে। এতিয়া মাননীয় সদস্য ৱাজেদ আলী চৌধুৰী।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, ( বিৰছিং জৰুৱা )ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণৰ প্ৰস্তাৱৰ বিৰোধিতা কৰি আমি অলপ amendment আনিছো। ইতিমধ্যে আমাৰ প্ৰাক্তন শিক্ষামন্ত্ৰী ডাঙৰীয়াই শিক্ষা সম্পৰ্কে যিখিনি প্ৰশংসা কৰিলে, যি সময়ত ছাত্ৰ অনুপাতে শিক্ষক নিযুক্তি দিবলৈ ব্যৰ্থ হৈছে, যি সময়ত একেবাৰে চৰ-চাপৰি অঞ্চলত উচ্চ শিক্ষা প্ৰতিষ্ঠান গঢ়িবলৈ ব্যৰ্থ হৈছে, যি সময়ত venture school-বিলাক চৰকাৰীকৰণ কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে, সেই সময়ত শিক্ষাৰ ক্ষেত্ৰত যিটো প্ৰশংসা এইটো কিন্তু ঠিক নহয়। অধ্যক্ষ মহোদয়, আজি সঁচাকৈ দুখ লগা কথা। দুশ-তিনিশ ছাত্ৰৰ ভিতৰত এজন শিক্ষক, কৰবাত সেই এজনো নাই। এনেকুৱা অৱস্থাত শিক্ষা বিভাগ চলি আছে। গতিকে যাৰ ফলত আজি maximum অভিভাৱকে চৰকাৰী স্কুলৰ পৰিৱৰ্তে English medium স্কুলত, private স্কুলত লৰা-ছোৱালীক দিবলৈ বাধ্য হৈছে। গতিকে শিক্ষাৰ ক্ষেত্ৰত সম্পূৰ্ণভাৱে এই বিভাগটো ব্যৰ্থ হৈছে। লগতে মই আৰু এটা জ্বলন্ত সমস্যা আমাৰ গৰাখহনীয়া। গোটেই অসমত গৰাখহনীয়াত হাজাৰ হাজাৰ মানুহ গৃহহীন হৈছে। গৰাখহনীয়া ৰোধ কৰিব পৰা নাই আৰু যিসকল গৃহহীন হৈছে তেওঁলোকৰ কাৰণে পুনৰ সংস্থাপনৰ কোনো ধৰণৰ ব্যৱস্থা চৰকাৰৰ তৰফৰ পৰা কৰা নাই। গতিকে অধ্যক্ষ মহোদয় আৰু এটা বিভাগ আছে স্বাস্থ্য বিভাগ। আজি অসমৰ বিভিন্ন জিলাত Medical College হৈছে, কিন্তু এতিয়াও দেখা যায় যে এটা minor operation case-ৰ কাৰণেও গুৱাহাটী GMCH-লৈ refer কৰা হয়। এই Medical College-বোৰে এখন Civil Hospital-ৰ নিচিনাকৈও কাম কৰিব পৰা নাই আৰু আমাৰ যিবিলাক District Hospital, Sub-divisional Hospital তাত ও কোনো ধৰণৰ operation-ৰ কাম হোৱাই নাই। আনকি Medical

College প্ৰত্যেক জিলাতে কৰিছে, এতিয়া ধুবুৰীত Medical College হৈছে সামান্য operation কৰিবলগীয়া হ'লে এতিয়াও গুৱাহাটী GMCH-লৈ refer কৰে। তেতিয়া হ'লে Medical College-ৰ কাম কি? আজি বিভিন্ন অঞ্চলত, ভিতৰুৱা অঞ্চলত, চৰ অঞ্চলত Hospital বনোৱা হৈছে, infrastructure বনোৱা হৈছে, doctor নাই, nurse নাই। একেবাৰে দুখলগা অৱস্থা। এতিয়াও যাৰ ফলত শিক্ষাৰ ক্ষেত্ৰত যেনেকুৱা প্ৰাইভেট স্কুলৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে ঠিক তেনেকুৱা আজি দুখীয়া দৰিদ্ৰ মানুহে তেওঁলোক বাধ্য হৈছে প্ৰাইভেট হস্পিতালত patient-ক ভৰ্তি কৰিবলৈ। কালি এটা patient মোৰ সমষ্টিৰ GMCH-লৈ লৈ আহিছে, GMCH-ত seat নাই। একেবাৰে দুখীয়া মোক phone কৰিছে যে এতিয়া আমাৰ উপায় কি? আজি যদি admission কৰিব নোৱাৰোঁ patient-জন নাবাচে। বাধ্য হৈ তেওঁ প্ৰাইভেট হস্পিতালত admission ল'বলগীয়া হ'ল। এনেকুৱা এটা অৱস্থা আজি বিভিন্ন বিভাগত চলি আছে, গতিকে অধ্যক্ষ মহোদয় আমাৰ ৰাজ্যপালৰ ভাষণত যদিও চৰকাৰৰ বিভিন্ন কাম-কাজৰ প্ৰশংসা কৰিছে কিন্তু মই ভাবোঁ এতিয়ালৈকে আমি ভাৰতবৰ্ষৰ পাঁচখন ৰাজ্যৰ ভিতৰত অসম এখন ৰাজ্য হিচাপে আমি ক'ব পৰা হোৱা নাই কিন্তু যিটো মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে এই কথাটো বিভিন্ন সময়ত উত্থাপন কৰি আহিছে। গতিকে যিয়েই নহওক মোৰ সময় শেষ হৈছে বেল মৰাৰ আগতেই মই ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা কৰি মোৰ বক্তব্য ইয়াতে সামৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য শ্ৰী ভূপেন ৰায়।

**শ্ৰী ভূপেন ৰায়, (অভয়াপুৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মহামান্য ৰাজ্যপালৰ ভাষণৰ সমৰ্থনত মোক দুআষাৰ ক'বলৈ অনুমতি দিয়াৰ বাবে

আপোনাক ধন্যবাদ জনাইছোঁ। আমি লক্ষ্য কৰিছোঁ যে কিছু বছৰ আগত তেতিয়াৰ অসমখন কেনে ধৰণৰ আছিল যেতিয়া কংগ্ৰেছৰ চৰকাৰ চলি আছিল

বঙাইগাঁৱৰ পৰা গুৱাহাটীলৈকে আহিবৰ কাৰণে প্ৰায় চাৰে সাত ঘণ্টা বা আঠ ঘণ্টা সময় লাগিছিল। ৰাষ্ট্ৰীয় ঘাইপথৰে আহিবৰ কাৰণে । আজি আমি তিনি ঘণ্টা মানতে আহি পাইছোঁ। সেই কথাবিলাকৰ প্ৰতি যদি আমি লক্ষ্য ৰাখো, আমি যেতিয়া বিধানসভালৈ প্ৰথম আহিছিলো, তেতিয়া গাঁও খনৰ ভিতৰত আটাইতকৈ ভাঙা ঘৰটোৱেই আছিল স্কুল ঘৰ। আজি আমি দেখিবলৈ পাইছো যে, গাঁওখনৰ ভিতৰত যিটো ভাল ঘৰ সেইটোৱেই স্কুল । তথাপিতো, আমাৰ এই চৰকাৰখনে বহুত খিনি কৰিবলগীয়া আছে। মই ভাবোঁ যে, স্কুলবিলাকত, বিশেষকৈ হাইস্কুল আৰু প্ৰাথমিক বিদ্যালয় বা মহাবিদ্যালয়সমূহত পৰ্য্যাপ্ত পৰিমাণে যি শিক্ষকৰ প্ৰয়োজন আছে, সেই শিক্ষকখিনি দিয়াৰ কাৰণে আমাৰ চৰকাৰখনে পুনৰ ব্যৱস্থা হাতত ল'ব । যাতে কোনো শিক্ষকৰ অভাৱত কোনো ছাত্ৰ-ছাত্ৰী পঢ়া-শুনাৰ পৰা বঞ্চিত হ'ব নালাগে । সেই কথাখিনিৰ প্ৰতি পুনৰ আমাৰ চৰকাৰখনে গুৰুত্ব দিব বুলি মই অনুৰোধ ৰাখিছোঁ । আমাৰ স্কুল ঘৰবিলাক  নিৰ্মাণ হৈছে। কিন্তু ইয়াত কিছু কিছু কাম এতিয়াও বাকী আছে । বিশেষকৈ আমি ছাত্ৰ-ছাত্ৰীসকলক বহিবৰ কাৰণে যি সা-সুবিধা এইখিনি দিবৰ কাৰণে এতিয়াও বাকী আছে desk, bench ইত্যাদি। এনে ধৰণৰ ব্যৱস্থা যদি হাতত লয় ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি যাব বা উপকৃত হ'ব। অধ্যক্ষ মহোদয়, এইখন চৰকাৰৰ তুলনা আমি কৰি শেষ কৰিব নোৱাৰোঁ। ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত যিখন চৰকাৰ আজি চলি আছে, এইখন চৰকাৰে যিমানখিনি কাম কৰিছে, পিছৰ চৰকাৰবিলাকে যদি বা কংগ্ৰেছৰ দিনৰ একেলগে বহুদিন চলি থকা চৰকাৰৰ সময়ত কংগ্ৰেছে যদি এই কামবিলাক কৰিলেহেঁতেন, তেনেহ'লে আজি ৰাজ্যখন বহুখিনি আগুৱাই গ'লেহেঁতেন।

এতিয়াও আমি ভাবোঁ, বিশেষকৈ আমাৰ শিক্ষাৰ ক্ষেত্ৰত শিক্ষাৰ দিশটোক আগুৱাই নিয়াৰ প্ৰয়োজন আৰু কিছু পৰিমাণে আছে । আজি যি ৰাজ্যখনত ৰাস্তা ঘাট ইত্যাদি বা গৰাখহনীয়া দিশটো আৰু কৃষকসকলৰ দিশটোক আৰু অধিক গুৰুত্ব দিবৰ কাৰণে আমাৰ চৰকাৰখনক, মই অনুৰোধ কৰিব খোজো যে, এই দিশটোক বিশেষকৈ আমাৰ কৃষকসকলৰ কাৰণে আৰু অধিক সা-সুবিধা আৰু গৰাখহনীয়া দিশটো যদি ভালকৈ লক্ষ্য কৰে তেনেহ'লে আমাৰ ৰাজ্যখন আৰু বহুখিনি দিশত আগুৱাই যাব পাৰিব। মই বিশেষ আজি নকওঁ। প্ৰথমবাৰৰ কাৰণে চৰকাৰখনে আজি যিখিনি কাম হাতত লৈছে, এই কামখিনিৰ ক্ষেত্ৰত আমাৰ মহামান্য ৰাজ্যপালে গোটেইখিনি দিশ সামৰি ৰাজ্যখনক আগুৱাই যোৱাৰ ক্ষেত্ৰত যি দিশ দিছে, সেইখিনি কথা আমি সকলোৱে আদৰণী জনোৱাটো উচিত আৰু মই সদনক অনুৰোধ কৰিছোঁ যাতে ৰাজ্যখনক বা ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক মুক্তহস্তে কাম কৰিবৰ কাৰণে সুবিধা প্ৰদান কৰে আমাৰ সদস্যসকলে। তেখেতে ৰাজ্যখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত বহুখিনি পদক্ষেপ লৈছে। সেইখিনি তেওঁক আগুৱাই দিবৰ কাৰণে পুনৰবাৰ অনুৰোধ ৰাখি মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া ৰেকিবুদ্দিন আহমেদ।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ছমৰীয়াঃ** অধ্যক্ষ মহোদয়, ষষ্ঠদশ অসম বিধানসভালৈ নিৰ্বাচিত সকলো সন্মানীয় বিধায়ক/বিধায়ীকালৈ শুভেচ্ছা জ্ঞাপন কৰিলোঁ। দ্বিতীয়বাৰৰ বাবে অসমৰ মুখ্যমন্ত্ৰী নিৰ্বাচিত হোৱা ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু দ্বিতীয়বাৰৰ কাৰণে অধ্যক্ষ নিৰ্বাচিত হোৱা ৰঞ্জিত কুমাৰ দাস ডাঙৰীয়াকো অভিনন্দন জনালো। অসমৰ মাননীয় ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্য ডাঙৰীয়াই ষষ্ঠদশ অসম বিধানসভাৰ প্ৰথম অধিবেশনত দিয়া ভাষণ আমি শুনিছোঁ। ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত মোক ক'ব দিয়াৰ বাবে

অধ্যক্ষ মহোদয় আৰু মোৰ দলৰ নেতাক মই ধন্যবাদ জনাইছোঁ। অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে আগবঢ়োৱা ভাষণত পৰম্পৰাগতভাৱে চৰকাৰৰ গুণগান গাইছে। কিন্তু অসমৰ বহুত জ্বলন্ত সমস্যা তেখেতৰ ভাষণত ঠাই পোৱা নাই, এইটো দেখা গৈছে । এই চৰকাৰক বহু আশাৰে ৰাইজে ভোট দিছে। এতিয়া ৰাইজৰ দুখ-দুৰ্দশা সমাধানৰ দায়িত্ব এই চৰকাৰৰ। অসমৰ জনতাই চৰকাৰৰ পৰা কি বিচাৰিছে আৰু চৰকাৰে জনতাৰ পৰা কি পোৱা উচিত সেই বিষয়ে ৰাজ্যৰ সাংবিধানিক মুৰব্বী হিচাপে চৰকাৰক বাট দেখুৱাই দিয়াতো ৰাজ্যপালৰ অধিকাৰ হয়নে নহয় মহোদয় ? পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছৰ দাম অত্যাধিক বৃদ্ধি হৈছে। আজিও আপুনি নিশ্চয় গম পাইছে যোৱা এটা সপ্তাহত পেট্ৰ'ল ডিজেলে কিদৰে গতি কৰিছে আৰু এনেকে চলিলে আমাৰ জনসাধাৰণৰ কি অৱস্থা হ'ব। চাউল, দাইল আৰম্ভ কৰি মিঠাতেললৈকে সাধাৰণ জনতাই বজাৰলে গৈ ত্ৰাহি মধুসূদন দেখিবলগীয়া হৈছে অধ্যক্ষ মহোদয়। বৰ্তমান চৰকাৰৰ অত্যাবশ্যকীয় সামগ্ৰী বৃদ্ধি নিয়ন্ত্ৰণত মই ভাবোঁ, চৰকাৰ সম্পূৰ্ণভাৱে ব্যৰ্থ হৈছে। এই চৰকাৰখনক ৰাইজে সমস্যাসমূহ সমাধান বিচাৰিয়ে বৃহৎ আকৰে ভোট দিয়া নাছিলে। এতিয়া চৰকাৰে কি কৰিছে ? শাসনলৈ অহাৰ পিছত চৰকাৰৰ দায়িত্বৰ পৰা তেওঁলোকে আতঁৰি গৈছে। এই জনতাৰ প্ৰতি ঘূৰ অন্যায় কৰা হৈছে। অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে, তেখেতৰ ভাষণত উল্লেখ কৰিছে, অসম চৰকাৰে বিগত পাঁচ বছৰত এক লাখ ছষঠি হাজাৰত অধিক চাকৰি দিছে। ৰাজ্যপাল মহোদয়ে এই কথা কৈছে যে পাঁচ বছৰত আৰু দুই লাখ চাকৰি দিয়া হ'ব। অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে অসমৰ জ্বলন্ত নিবনুৱা সমস্যাৰ বিষয়ে কোনো কথা উল্লেখ কৰা আমি ভালকে দেখা নাই। মাত্ৰ দুই লাখ চাকৰিৰ কথা কৈ ভয়াবহ হৈ উঠা নিবনুৱা সমস্যা সমাধানৰ কিবা কৰিব পৰা যায়নে অধ্যক্ষ মহোদয় ? অধ্যক্ষ মহোদয় আজি তাৰিখত ২১ লাখৰো

অধিক পঞ্জীভূত নিবনুৱা অসমত আছে। পঞ্জীয়ন নোহোৱাকে থকা নিবনুৱাৰ সংখ্যা বহুত আছে। দুই লাখ চৰকাৰী চাকৰি নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰি। এই ক্ষেত্ৰত অসম চৰকাৰে বিশেষ পদক্ষেপ লোৱা উচিত অধ্যক্ষ মহোদয়। অধ্যক্ষ মহোদয়, অসম চৰকাৰে দুবাৰ কৈ Advantage অসমৰ শীৰ্ষক বিনিয়োগ মেলা পাতিলে। কিন্তু ইয়াৰ ফলত অসমত কিমান কি লাভ হ'ল, যুৱক যুৱতীয়ে কি ধৰণে ইয়াৰ পৰা লাভ পালে এই কথাও ৰাজ্যসভাৰ মানুহে/ জনসাধাৰণে জনা উচিত। অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত অসম চৰকাৰৰ বিত্তীয় অৱস্থাৰ বিষয়ে উল্লেখ কৰিছে । ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ কৰা হৈছে ২০২৬-২৭ বৰ্ষত চলিত মূল্যৰ ৰাজ্যৰ ঘৰুৱা উৎপাদন ৮.৭১ (আঠ দশমিক একসত্তৰ) লাখ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। ২০২৫-২৬ বৰ্ষত অসম চৰকাৰৰ নিজস্ব ৰাজহ ২৯,২৯৬ (ঊনত্ৰিশ হাজাৰ দুশ ছিয়ানব্বৈ কোটি) টকালৈ বৃদ্ধি হৈছে বুলি ৰাজ্যপাল মহোদয় উল্লেখ কৰিছে। কিন্তু ৰাজ্যপাল মহোদয়ে ভাষণত উল্লেখ কৰা নাই অসম চৰকাৰৰ ঋণৰ কথা। এই কথাও অসম চৰকাৰে অৱগত কৰিব লাগিব । অধ্যক্ষ মহোদয়, মই চ'মৰিয়া সমষ্টিৰ পৰা নিৰ্বাচিত হৈছোঁ। ১২৬ জন বিধায়ক ইয়ালে বিভিন্ন সমষ্টিৰ পৰা জনসাধাৰণে বহুত আশা-ভৰসা কৰি আমাক Treasury bench আৰু opposition bench সকলোকে জয়ী কৰাই ইয়ালে পঠাইছে। মই বিচাৰো যিসকল নিউ কামাৰ্চ ইয়ালে আহিছে তেওঁলোকে যথেষ্ট সুবিধা পাব লাগে। সকলোৰে ন্যায় হ'ব লাগে। অধ্যক্ষ মহোদয়, মোৰ চ'মৰিয়া সমষ্টিৰ চ'মৰিয়া ব্লকৰ আঠটা পঞ্চায়তৰ ৰাস্তাই নাই। কিদৰে জনসাধাৰণ ভাৰত স্বাধীনৰ পিছত কিদৰে জীয়াই আছে তাত মই এইকেইদিন অহা-যোৱা কৰিছোঁ। না মানুহ যাব পাৰে,নে গৰু যাব পাৰে, নে ছাগলী যাব পাৰে, নে ম'হ যাব পাৰে। এনেকৈ জীয়াটো ভোগী চ'মৰিয়া সমষ্টিৰ আঠটা পঞ্চায়ত এইটো অৱস্থা ।

জলজলি নামৰ এখন Bridge ৰ কথা আগতে উল্লেখ হৈছে৷ আগৰ অধ্যক্ষ মহোদয় কথা দিছিল, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ো কথা দিছিল৷ মই আশা কৰোঁ এতিয়া জলজলি Bridge ৰ কাম অনতি পলমে আৰম্ভ হ'ব লাগে। শেষ কৰি মই মাত্ৰ এটা মিনিট৷ অধ্যক্ষ মহোদয়, নগৰবেৰা-ছুনতলী-খামৰী ব্ৰহ্মপুত্ৰৰ উত্তৰ দক্ষিণ পাৰত Connect কৰি এখন Bridge হ'ব লাগে৷ এই কাৰণে অধ্যক্ষ মহোদয় আমাৰ সমষ্টিটো নেচনেল হাইৱে'ৰ পৰা বহুত দূৰত পৰি গ'ল৷ উন্নয়ন যেনেকে আমাৰ জামবাৰী ছাতাবাৰী ইণ্ডাষ্ট্ৰিয়েল ইষ্টেট আছে এইটো ইমান দূৰত পৰি গ'ল নেচনেল হাইৱে'ৰ পৰা৷ সেইকাৰণে চ'মৰিয়া সমষ্টিৰ দাঁতিকাষৰীয়া তিনিটা চাৰিটা সমষ্টি৷

**মাননীয় অধ্যক্ষঃ** আপোনাৰ নতুন বিধায়কৰ পৰা এক মিনিট কটা যাব।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ছমৰীয়াঃ** অধ্যক্ষ মহোদয় কি ক'লে আপুনি ?

**মাননীয় অধ্যক্ষঃ** নতুন বিধায়কে ১ মিনিট সময় কম পাব যদি আপুনি ১ মিনিট বেছিকৈ কয়। তেওঁলোকৰ কথা চিন্তা কৰিব৷ আপুনি চ'মৰীয়াৰ বিষয়ে পিছতো ক'ব পাৰিব৷ আপোনাৰ ডিভাইচ থাকিব৷ আজিয়ে চ'মৰীয়াৰ বিষয়ে নকলেও হ'ব৷

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ছমৰীয়াঃ** ধন্যবাদ অধ্যক্ষ মহোদয়৷ তথাপিও কৈছোঁ আৰু কাৰণ আপুনি এইবিলাক বিষয়ে এইবিলাক ঠাইৰ লগত জড়িত৷ আগৰ সময়টো বহুবাৰ কথা পাতিছোঁ৷

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰী পীযুষ হাজৰীকা।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ছমৰীয়াঃ** অধ্যক্ষ মহোদয়, মই আশা কৰোঁ যে, আমাৰ সকলোৰে লগত যথেষ্টভাৱে ভাল ব্যৱহাৰ হ'ব লাগে আৰু চ'মৰীয়া সমষ্টিৰ চ'মৰীয়া সমষ্টিৰ উন্নয়নৰ লগতো জাতে ভালকে বেছি সুবিধা দিয়ে৷ ধন্যবাদ৷

**শ্ৰী পীয়ুষ হাজৰীকা, জাগীৰোডঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপাল ডাঙৰীয়াৰ অভিভাষণৰ সমৰ্থনত দুৱাষাৰ ক'বলৈ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ আঠ মিনিট।

**শ্ৰী পীয়ুষ হাজৰীকা, জাগীৰোডঃ** অধ্যক্ষ ডাঙৰীয়া প্ৰথম কথা এটা কওঁ, মই অলপ Confused। যিদিনাখন আমাৰ ৰাজ্যপাল ডাঙৰীয়াই, যোৱা পৰহি আমাৰ ইয়াতে ভাষণ দিছিলে সেইটো প্ৰথম অধিবেশন আছিলে নে শেষৰ অধিবেশন আছিলে ? নিশ্চয়কৈ প্ৰথম অধিবেশন আছিলে। আমি সাধাৰণতে দেখা পাওঁ অধ্যক্ষ ডাঙৰীয়া চাৰিবাৰৰ কাৰণে বিধায়ক হৈছোঁ। বিধানসভাৰ প্ৰথম অধিবেশনত ৰাজ্যপাল ডাঙৰীয়া যেতিয়া ভাষণ দিয়ে আমাৰ বিৰোধীসকলে তেখেতক সন্মান জনাই সেইদিনা অন্তত আন্দোলন নকৰে বা অন্যান্য এনেকুৱা প্ৰতিবাদ নকৰে। কিন্তু এইবাৰ আচৰিত ধৰণে কৰিলে। কাৰণ মোৰ এনেকোৱা লাগিলে যেন এখন last অধিবেশন। আৰু ইলেকশ্যন হ'বলে আমাৰ গৈ আছে। কিন্তু যেতিয়া মই ভাবি চালোঁ, এখন প্ৰথম অধিবেশন। ইলেকশ্যন হ'ল আমাৰ ৯ এপ্ৰিলত আৰু ৰিজাল্ট ওলাল ৪ মে'ত। আৰু আমাৰ মিত্ৰজোটে ১০২ টা সমষ্টিত জিকিলো আৰু অপজিশ্যনে মাত্ৰ সৰ্বকালৰ বেয়া ৰিজাল্ট কৰি ২৪ টা জিকিলে। তাৰ পিছতো হুলস্থূল কৰে যে, অধ্যক্ষ ডাঙৰীয়া। মূল্যবৃদ্ধি মূল্যবৃদ্ধি। মূল্যবৃদ্ধি কিহৰ কাৰণে হৈছে ? মূল্যবৃদ্ধি ইৰান, ইজৰাইল আৰু আমেৰিকাৰ যুদ্ধ কৰাণে তেলৰ দাম পৃথিৱীত বাঢ়িছে, তাৰ কাৰণে হৈছে। ইৰাণ আৰু আমেৰিকা আৰু ইজৰাইলৰ যুদ্ধৰ কাৰণে মুল্যবৃদ্ধি হৈছে, যাৰ বাবে তেলৰ দাম বৃদ্ধি হৈছে সমগ্ৰ পৃথিৱীত। অধ্যক্ষ ডাঙৰীয়া মোৰ হাতত এখন তালিকা আছে।

**শ্ৰী অখিল গগৈ**, **শিৱসাগৰ** ঃ লগতে চিণ্ডিকেট হৈছে নে নাই?

**माननीय अध्यक्षः** आपुनि এইটো কাম এইবাৰ নকৰিব । যোৱাবাৰ ও মই আপোনাক লক্ষ কৰিছো সন্মানীয় বিধায়কে কথা কৈ থাকে তেতিয়া আপুনি মাজতে কথা কৈ থাকো আপোনাৰ সময় হ'লে ক'ব।

**শ্ৰী পীয়ুষ হাজৰীকা, জাগীৰোডঃ** অধ্যক্ষ মহোদয়, তেখেত সকলে পাহৰি গৈছে যে বিৰোধী এতিয়া কমি গ'ল কাৰণ নৰেন্দ্ৰ মোডী ডাঙৰীয়া আৰু হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই দেশ আৰু ৰাজ্য ভালকৈ চলোৱাৰ কাৰণে ৰাইজে আমাক সহাৰি জনাইছে। অধ্যক্ষ ডাঙৰীয়া মোৰ হাতত এখন তালিকা আছে। আমাৰ চাউথ-ইষ্ট এচিয়া ৰ দেশ বিলাকত তেলৰ দাম কিমান বাঢ়িছে। তাতে ইউৰোপৰ আৰু আমেৰিকাৰো আছে । অধ্যক্ষ ডাঙৰীয়া এইখিনি সময়ত তেলৰ দাম বাঢ়িছে ৮৯.৭ শতাংশ, মালয়েচিয়া দাম বাঢ়িছে ৫৬.৩ শতাংশ, পাকিস্তানত দাম বাঢ়িছে ৫৪.৯ শতাংশ, United States of America দাম বাঢ়িছে 44.5 শতাংশ, ফ্ৰান্সত দাম বাঢ়িছে 22.1 শতাংশ, নেপালত দাম বাঢ়িছে 38.2 শতাংশ, জাপানত দাম বাঢ়িছে 99.7 শতাংশ আৰু ভাৰতবৰ্ষত দাম বাঢ়িছে 5 শতাংশ। অধ্যক্ষ ডাঙৰীয়া এইটো ভাল কথা হয় নে নহয়। নৰেন্দ্ৰ মোডী ডাঙৰীয়াই দেশখন ভাল চলাইছে। পৃথিৱীত ৪০ শতাংশ গড়ে দাম বাঢ়িছে আৰু আমাৰ দেশ ভাৰতবৰ্ষত মাত্ৰ ৫ শতাংশ বাঢ়িছে । অধ্যক্ষ ডাঙৰীয়া কংগ্ৰেছৰ কেইবাখনো ৰাজ্যত চৰকাৰ আছে। তেওঁলোকে কিহৰ মূল্যবৃদ্ধিৰ কথা কয়। তেওঁলোকে ভেট কমাই দিওক। তেলেংগনা, কৰ্ণাটিক আৰু কেৰেলামৰ ভেট কমাই দিয়ক। তেওঁলোক ভেট কমোৱা নাই আৰু ইয়াতে আহি আন্দোলোনৰ নাটক কৰে । অধ্যক্ষ মহোদয় মই আকৌ কৈছো তেওঁলোকে পাহৰি গ'ল মাত্ৰ ১ মাহ আগত যোৱা নিৰ্বাচনত তেওঁলোকৰ অসমৰ ইতিহাসৰ সকলোতকৈ বেয়া ৰিজাল্ট কৰিছে। অধ্যক্ষ মহোদয়, উজনি অসমত মাত্ৰ দুটা সমষ্টিত বিৰোধীয়ে জয়লাভ কৰিছো নাওবৈছাত কেনেকৈ জিকিছে জানেই। ড০ জয়প্ৰকাশ দাস ডাঙৰীয়াৰ সমষ্টিত

৫০ হাজাৰ আমাক ভোট নিদিয়া মানুহ আছে । গতিকে অধ্যক্ষ মহোদয় বিৰোধীয়ে উজনি অসমত একেবাৰে শেষ হৈ গৈছে। কাৰ কাৰণে? হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ কাৰণে। অধ্যক্ষ ডাঙৰীয়া হিমাচল প্ৰদেশত কংগ্ৰেছৰ চৰকাৰ চলি আছে। মই আপোনাক তথ্য সহকাৰে কওঁ তেওঁলোকে কি কৰিছে চৰকাৰী কৰ্মচাৰীক ৩০ শতাংশ দৰমহা কৰ্তণ কৰিবলৈ জাননী জাৰি কৰিছে । 'Himachal govt. has decreased 30 per cent salary to top officials for 6 months' অধ্যক্ষ মহোদয় এইয়া হ'ল কংগ্ৰেছ চৰকাৰৰ বিচক্ষনতা। আমিটো ৮ম দৰমহা আয়োগ দিব ওলাইছো । সেইদিনা মই আচৰিত হৈছে অধ্যক্ষ ডাঙৰীয়া আমি যেতিয়া পশ্চিম বংগত গৈছিলো। তাত 6th Pay Commission চলি আছে। আমি অসমত অষ্টম দৰমহা আয়োগৰ কথা কৈ আছো। যিদিনাখন কেন্দ্ৰীয় চৰকাৰে ডি এ বঢ়ায় সেইদিনা খনে অসন চৰকাৰে লগে লগে ডি এ বঢ়াব বুলি সিদ্ধান্ত লোৱা আছে । এইটো কোনে কৰিছে অধ্যক্ষ মহোদয়, একমাত্ৰ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই । এইয়া হৈছে বিচক্ষনতা । আৰু এই বিচক্ষনতাৰ কাৰণে আমি যোৱা সময়ত বেছি ভালকৈ জিকি আহিলো । মই কিছুমান সৰু সৰু কথা কম। এগৰাকী সদস্যই কৈছে যে আমি পাচখন উন্নত ৰাজ্যৰ মাজত যাব পৰা নাই। হয় যাব পৰা নাই কাৰণ আগৰ ঘা আমাৰ মাজত আছে, সেইবিলাকটো ভাল হোৱা নাই অধ্যক্ষ ডাঙৰীয়া। কিন্তু যোৱা ৫ বছৰ RBI ৰ ৰিপোৰ্ট যে Fastest Growing state economy হৈছে অসম। The handbooks of Statistic of Indian states 2024-25 মতে Fastest Growing major economy হিচাপে অসমে মুৰ দাঙি উঠিছো৷ যোৱা ৫ বছৰত economic activity যিমান ভাৰতবৰ্ষৰ ৰাজ্যত হ'ল সকলোতকৈ বেছি অসমত হ'ল। এইটো কাৰ কাৰণে হৈছে হিমন্ত বিশ্ব শৰ্মাৰ বিচক্ষনতাৰ কাৰণে । অধ্যক্ষ ডাঙৰীয়া national average 28 % and Assam 45%. তামিলনাডু, মহাৰাষ্ট্ৰ, কৰ্ণাটকা, তেলেংগনা,

গুজৰাটক আমি পেলাইছো । যোৱা ৫ বছৰত সকলোতকৈ বেছি কাম হৈছে অসমত। ভাৰতীয় জনতা পাৰ্টী আৰু মিত্ৰজোতৰ চৰকাৰৰ কাৰণে সম্ভৱ হৈছে। অধ্যক্ষ ডাঙৰীয়া আজি এজন বিধায়কে কৈছে যে গৰাখহনীয়াই বহুত মানুহৰ ক্ষতি কৰিছে । মই দায়িত্ব সহকাৰে কওঁ যিহেতু মই জলসম্পদ বিভাগৰ মন্ত্ৰী আছিলো যোৱা ৫ বছৰত সকলোতকৈ কম গৰাখহনীয়া হৈছে আৰু তেখেতে স্বীকাৰ কৰিব । তেখেতৰ সমষ্টি য'ত হৈছে তাত ৮৫-৯০ কোটি টকাৰ কাম আৰম্ভ কৰিছো । বাৰিষাৰ কাৰণে কাম হোৱা নাছিলে আৰু এতিয়া চাগে কাম কৰি আছে। মই এইকেইদিন বিভাগৰ দায়িত্বত নাই৷ আজি যদি লাহৰীঘাটৰ খবৰ লয়, লাহৰীঘাটত বিৰোধীৰ বিধায়ক আছে লাহৰীঘাটত ৫০০কোটি টকাৰ কাম কৰি গৰাখহনীয়াৰ কাম কৰি নাইকীয়া কৰিলো। এই কাম আৰু কৰিম। অধ্যক্ষ ডাঙৰীয়া আমি অসমীয়া ৰাইজক প্ৰতিশ্ৰুতি দিছো। বহুতো সদস্যই লোনৰ কথা কয় কিন্তু বিতৰ্ক কৰিবৰ সময়ত পলাই দিয়ে। এদিন ক'বলৈ সুযোগ লৈছিলো, যি বিধায়কে বেছি লোনৰ বিষয়ে কয় সেইজন উঠি গ'ল। অধ্যক্ষ ডাঙৰীয়া অসমৰ এই সময়ৰ লোন ২ লাখ কোটি টকা। অসমৰ নিচিনা প্ৰায় একেই তাত ১০৯ টা সমষ্টি আছে। মানে অসমতকৈ অলপ সৰু। পঞ্জাৱৰ লোনৰ পৰিমান হৈছে ৪ লাখ ৪৭ হাজাৰ কোটি, তামিলনাডু ১০ লাখ ৭১ কোটি, কৰ্ণাটক ৮ লাখ ২৪ হাজাৰ কোটি, কেৰেলাম ৪ লাখ ৩৩ হাজাৰ কোটি, পশ্চিমবংগ ৭ লাখ ৬৪ হাজাৰ কোটি টকা। অধ্যক্ষ ডাঙৰীয়া লোন যেতিয়া আমাৰ চৰকাৰে লয় আমি জাননী দিওঁ । আমাৰ চৰকাৰে লোন লোৱাটো নিবিচাৰো আৰু অজন্তা বাইদেউৱে বহুতবাৰ কৈছে আমি কেনেকৈ লোন লওঁ। RBI ৰ নিৰ্দেশনা আছে। আমি সেই নিৰ্দেশনা মতে লোন লও। আজিৰ তাৰিখত অন্য ৰাজ্যৰ তুলনাত অসমৰ লোন ২ লাখ কোটি টকা , এইটোৱে পাৰ্থক্য। এইধৰণে আৰু হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কাম কৰিব । অধ্যক্ষ ডাঙৰীয়া মহামান্য ৰাজ্যপালৰ ভাষণক

সমৰ্থন কৰিছো আৰু যি ধৰণে ডেৰমাহ আগতে অসমীয়া ৰাইজে বিৰোধীৰ নাটকক নৎসাত কৰিছে, আকৌ নৎসাত কৰিব বুলি আশা ৰাখিছো আৰু বক্তব্য শেষ কৰিছো৷

**মাননীয় অধ্যক্ষ ◌ঃ** জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেটবাৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ শাসক পক্ষই আনিছে তাৰ বিৰোধিতা কৰি দুই আষাৰ ক'ব বিচাৰিছো। অলপ আগতে মাননীয় সদস্য পিযুষ হাজৰিকা ডাঙৰীয়াই কৈছে যে মাননীয় ৰাজ্যপালৰ প্ৰথম ভাষণ। শাসক পক্ষই পাহৰি গ'লে নহ'ব ১০ বছৰ পাৰ হৈ ১১ বছৰত ভৰি দিলে এই চৰকাৰখনে। গতিকে মাননীয় ৰাজ্যপালৰ ভাষণত যোৱা ১০ বছৰ লগতে এই বছৰৰ, ১১ বছৰৰ সময় তেওঁৰ ভাষণত উল্লেখ আছে। গতিকে এইয়া নতুন ভাষণ নতুন আৰম্ভণি কৰিছ এইটো নহয়। যোৱা ১০ বছৰত কি কি কাম কৰিছে তাৰ কিছু কথা ইয়াতে উল্লেখ কৰিছে। গতিকে যোৱা ১০ বছৰত কি কি কাম কৰিছে অসমৰ ৰাইজক হিচাপ দিব লাগিব আৰু কি কি ব্যৰ্থতা আমি বিৰোধী পক্ষই অনাটো কৰ্তব্য আৰু দায়িত্ব এই দায়িত্ব আৰু কৰ্তব্যটো পালন কৰিব ওলাইছো।

মাননীয় পিয়ুষ হাজৰিকা ডাঙৰীয়াই আৰু এটা কথা কৈছে, তেখেতে বিভিন্ন দেশৰ কথা কৈছে। আপোনাক এটা তথ্য দিব বিচাৰিছো য'ত ১৫ মেৰ পৰা ২৫ মে পৰ্যন্ত পেট্ৰ'লৰ দাম ৮.৪৯ টকা বৃদ্ধি পাইছে আৰু ডিজেলৰ দাম ৭.৬৬ টকা বৃদ্ধি পাইছে। তেখেতে বেলেগ বেলেগ দেশৰ কথা কৈছে। আমি ভাৰতৰ কথা পাতিম , আমি অসমৰ কথা পাতিম। এই দাম কিয় বৃদ্ধি হ'ল ? ১০২ খন আসন এন ডি এক ৰাইজে দিছে। অসমৰ ইতিহাসত সকলোতকৈ বেছি আসন তেওঁলোকে পাইছে, ভাল কথা , ৰাইজে ইমান এটা ডাঙৰ উপহাৰ দিছে – এতিয়া মূল্যবৃদ্ধি কৰি উপহাৰৰ মূল্য দিব নেকি ? বিজেপি- এজিপি-

বিপিএফক ৰাইজে ১০২ খন আসন দিছে এতিয়া মূল্যবৃদ্ধি কৰি ৰাইজক ধন্যবাদ দিব নেকি ? এই বৃদ্ধি কিয় ।। হ'ল ? কৈছে যে যুদ্ধ হৈছে – নৰেন্দ্ৰ মোদী ডাঙৰীয়াক বিজেপিৰ নেতাসকলে বিশ্ব গুৰু বুলি কয়। বিশ্বগুৰু হোৱাৰ পিছতো দেশখনত আজি পেট্ৰ'ল- ডিজেলৰ নাটনি কিয় হৈছে ? ৰন্ধন গেছৰ নাটনি কিয় হৈছে ? অধ্যক্ষ মহোদয়, আপোনাক দেখিছো আপুনি খোজ কাঢ়ি বিধান সভালৈ আহে। প্ৰধান মন্ত্ৰী- মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে গাড়ীৰ কনভয়ৰ সংখ্যা ক'মাই দিব লাগে। কিন্তু অধ্যক্ষ ডাঙৰীয়া আপুনি যে খোজ কাঢ়ি আহে বা মুখ্যমন্ত্ৰী বা প্ৰধানমন্ত্ৰী ডাঙৰীয়াই যিটো কনভয়ৰ সংখ্যা ক'মাইছে আজি এইবোৰ দেখি ৰাইজৰ মনত ভয় সৃষ্টি হৈছে। যে আমাৰ দেশ বা ৰাজ্যখনৰ অৱস্থা বেয়া হ'ব নেকি, বা আকৌ লগ ডাউন হ'ব নেকি ? দেশ বা চৰকাৰ চলাবলৈ নৰেন্দ্ৰ মোদী ডাঙৰীয়া ব্যৰ্থ হৈছে নেকি ? ডঃহিমন্ত বিশ্ব শৰ্মা চৰকাৰ আজি ব্যৰ্থ হ'ব নেকি ? আজি ৰন্ধন গেছৰ বাবে মানুহ ৬-৭ ঘন্টা লাইন পাতিব লগা হৈছে। ৰাইজৰ মাজত হাহাঁকাৰ সৃষ্টি হ'ব ধৰিছে। গতিকে আপোনাৰ জৰিয়তে আহ্বান জনাই চৰকাৰক ক'ম তেওঁলোকে নিশ্চিতি দিব পাৰিবনে যে দেশখনত ডিজেল – পেট্ৰ'লৰ নাটনি নহ'ব । ৰন্ধন গেছৰ নাটনি নহ'ব । ইন্ধন জাতীয় সামগ্ৰীৰ যেতিয়া মূল্যবৃদ্ধি হয় অধ্যক্ষ ডাঙৰীয়া খাবলৈ পিন্ধিবলৈ যিখিনি আমাক দৈনন্দিন সামগ্ৰী লাগে সেই সকলোৰে মূল্য বৃদ্ধি হয়। মূল্যবৃদ্ধি হৈ আছে- বেলেগ দেশৰ লগত তুলনা কৰিছে কিন্তু সেই দেশবিলাকৰ আয় কিমান , তেওঁলোকৰ উৎপাদন কৰ্ম ইত্যাদি কিমান আছে , আনহাতে আমাৰ অসমৰ জনতাৰ আয় কিমান , উৎপাদন কিমান আছে, কৰ্ম কিমান আছে এই কথাবিলাক ৰাজ্য চৰকাৰখনে হিচাপ দিব লাগিব। আমি বেলেগ বেলেগ দেশৰ লগত তুলনা কৰিলে নহ'ব। আমাৰ দেশখনৰ জনতাৰ আয় ক'ম কিন্তু ব্যয় বেছি হৈ আছে। গতিকে মূল্য বৃদ্ধি ৰোধ কৰিব নোৱাৰাটো এই চৰকাৰখনৰ ডাঙৰ ব্যৰ্থতা সেইটো আমি স্বীকাৰ কৰিব লাগিব লগতে মূল্য বৃদ্ধি ৰোধ কৰিব লাগিব । এনেকৈ যদি মূল্য বৃদ্ধি হৈ থাকে দেশৰ জনতাই কষ্ট পাব। অধ্যক্ষ ডাঙৰীয়া এই বিজেপি চৰকাৰখনৰ যোৱা কাৰ্যকালৰ শেষৰখন বিধান সভা অধিবেশনত

জলজীৱন আঁচনিত শ শ ঠিকাদাৰে টকা পাব লগা আছিল। আমি বিধান সভাত প্ৰশ্ন উত্থাপন কৰিছিলো – ৰাজ্য চৰকাৰে উত্তৰ দিছিল , ৰাজ্যপালৰ ভাষনত এই জলজীৱনৰ ঠিকাদাৰসকলক কিমান বিল আদায় দিলে তাৰ বিষয়ে কোনো উল্লেখ নাই। জলজীৱনৰ ঠিকাদাৰ সকলে টকা পাবনে নাই সেই বিষয়ে কোনো উল্লেখ নাই গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া ৰিপ্লাই দিব জলজীৱনৰ ঠিকাদাৰসকলক টকা দিবনে নাই এইটো নিশ্চিত কৰিব লাগে । গৰমৰ দিন আহি আছে , বিদ্যুৎৰ নাটনি আৰম্ভ হৈ গৈছে। কাৰেন্ট নাথাকে। এই বিজেপি চৰকাৰে ডাঙৰ ডাঙৰ হৰ্ডিং লগাই কৈছিল যে ২৪ ঘন্টাই বিজুলী যোগান ধৰিব। গতিকে এইবাৰ গৰমত বিদ্যুতৰ অভাৱ হ'ব নেকি তাৰ বিষয়েও নিশ্চিত কৰিব লাগে । অধ্যক্ষ ডাঙৰীয়া বৰপেটাৰ ফকৰুদ্দিন আলি আহমেদ মেডিকেল কলেজৰ নাম পৰিৱৰ্ত্তন কৰিছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল এই বিষয়ে মই বেলেগ এটা চিন্তা চৰ্চা কৰিম। কিন্তু ৰাজ্যপাল ডাঙৰীয়াৰ ভাষনত এই বিষয়ে কোনো উল্লেখ নাই গতিকে আপোনাৰ জৰিয়তে চৰকাৰক আহ্বান জনাইছো। অৰুণোদয় আঁচনিত বহু মানুহে হয়তো ধন পাইছিল কিন্তু চৰকাৰখন অহাৰ পিচত ধন দিয়া বন্ধ হ'ল । গতিকে চৰকাৰখনে ৰাজ্যপালৰ ভাষনত যিমান ধন্যবাদ দিছে কিন্তু ব্যৰ্থতা খিনি লুকাই ৰাখিছে। ৰাজ্যখন চলাবলৈ চৰকাৰ ব্যৰ্থ হৈছে। গতিকে আকৌ ৰাজ্যপালৰ ভাষনৰ ওপৰত শাসক পক্ষই অনা ধন্যবাদ প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় বিধায়ক পদ্ম হাজৰিকা।

**শ্ৰীপদ্ম হাজৰিকা , নদুৱাৰ** ঃ মাননীয় অধ্যক্ষ , ৰাজ্যপাল ডাঙৰীয়াই যি সুন্দৰ বক্তব্য এই সদনত দাঙি ধৰিলে তাৰ বাবে মই ৰাজ্যপাল ডাঙৰীয়ালৈ ধন্যবাদ জনাইছো । অধ্যক্ষ ডাঙৰীয়া ৰাজ্যখনৰ বৰ্তমান ছবিখন প্ৰতিফলিত হৈছে আৰু আমাৰ চৰকাৰে কেনেধৰনে কাম কৰিছে তাৰ ছবিখন প্ৰতিফলিত হৈছে। বিশ্বজিৎ ফুকন ডাঙৰীয়া আৰু পিয়ুষ হাজৰিকা ডাঙৰীয়াই যথেষ্টখিনি কলে মই মাত্ৰ স্পৰ্শকাতৰ দুটা বিষয়হে ক'বলৈ ওলাইছো । উচ্ছেদ সম্পৰ্কত আমাৰ চৰকাৰে এক সাহসী পদক্ষেপ গ্ৰহণ কৰিলে আৰু তাৰ পৰিপ্ৰক্ষিতত দুটা

এচীভমেনন্টৰ কথা মই ক'বলৈ ওলাইছো । চৌকীঘাট  এভিকশ্যনৰ সময়ত ইয়াত বহু হুলস্থূল হৈছিল । এভিকশ্যনৰ পিচত তাত যিখিনি মাটি খালি হ'ল আপোনালোকে শুনি সুখী হ'ব  যে নৰ্থ ইষ্টৰ ভিতৰতে প্ৰথম টাইলচ্ ইণ্ডাষ্ট্ৰী চৌকীঘাটত অহা জুলাই মাহত মুখ্যমন্ত্ৰী ডাঙৰীয়াই উদ্বোধন কৰিব। তাত শ শ ল'ৰা – ছোৱালী সংস্থাপন হ'ব পাৰিব। এইটো এই কাৰণে নৰ্থ ইষ্টৰ  ভিতৰত প্ৰথম যে, কাৰ্ব্বি আংলঙত ৭০ শতাংশ কেঁচা সামগ্ৰী পাবলৈ সক্ষম হৈছে আৰু এই পদক্ষেপ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কাৰণে আজি মোৰ সমষ্টিত এই টাইলচ ইণ্ডাষ্ট্ৰিটো হ'বলৈ সক্ষম হৈছে। ইয়াৰ পিচত লিম্কাই ১৬ শ কোটি টকাৰ ইণ্ডাষ্ট্ৰী কৰিবলৈ ওলাইছে। আমি ২০০০ বিঘা মাটি  দিবলৈ ইতিমধ্যে  জা -জোগাৰ  আৰম্ভ হৈছে। গতিকে তাত এটা মেগা ইণ্ডাষ্ট্ৰীয়েলৰ পাৰ্ট এটা হ'বলৈ গৈ আছে। অচিনাকী মানুহক উচ্ছেদ কৰাৰ কাৰণে এইটো সম্ভৱ হৈছে , এইটো আমাৰ বাবে এটা ডাঙৰ  এচীভমেন্ট কিন্তু তাৰ আগতে কংগ্ৰেছ চৰকাৰৰ কিছু কথা কওঁ অধ্যক্ষ ডাঙৰীয়া।

**শ্ৰীশ্বেৰমান আলি আহমেদ, মন্দিয়া** ঃ  উচ্ছেদৰ পিচত সেই অচিনাকী মানুহবোৰ ক'ত গ'ল এতিয়া ?

**মাননীয় অধ্যক্ষ ঃ শ্বেৰমান** আলী ডাঙৰীয়া don't  disturb, you are senior Member .

**শ্ৰীপদ্ম হাজৰিকা , নদুৱাৰ** ঃ অধ্যক্ষ ডাঙৰীয়া, কংগ্ৰেছ  চৰকাৰৰ দিনত মোৰ সমষ্টিত দুটা ইণ্ডাষ্ট্ৰী আছিল । চাৰিদুৱাৰ কটন মিলত প্ৰায় ৪০০০ কৰ্মচাৰীয়ে কাম কৰি আছিল  কিন্তু কংগ্ৰেছ চৰকাৰৰ দিনতেই ২০০৩-০৪ চনত ইণ্ডাষ্ট্ৰীেটা সম্পূৰ্ণৰূপে বন্ধ  হৈ গ'ল । কুসুমলতাত এটা চেণী মিল আছিল সেইটো কংগ্ৰেছ চৰকাৰৰ দিনতে বন্ধ হৈ গ'ল গতিকে আমাৰ উদ্যেগীকৰণৰ ক্ষেত্ৰত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আৰ্শীবাদত আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সবল নেতৃত্বত যি উদ্যেগীকৰণ হ'বলৈ গৈ আছে তাত  নিবনুৱা সকলৰ সংস্থাপনৰ আশাৰ দিগন্ত নামি আহিছে গতিকে এই  ক্ষেত্ৰত বিৰোধিতা নকৰিবলৈ মই

আহ্বান জনাইছো  লগতে গৰুখুঁটি প্ৰকল্পৰ বিষয়ে ইয়াত বহু আলোচনা হ'ল। ১৯৮৩ চনৰ স্বহীদৰ  কেঁচা তেজ পৰি থকা গৰুখুঁটি  কৃষি প্ৰকল্প আমাৰ মুখ্যমন্ত্ৰী হিচাপে  দায়িত্ব  লোৱাৰ পিচত ৰাইজৰ অভিযোগৰ ভিত্তিত মোক তাত অধ্যক্ষ হিচাপে দায়িত্ব দি তাত এটা প্ৰকল্পৰ কাম আৰম্ভ কৰিলে তাত ৩০০ ৰো অধিক খিলঞ্জীয়া ল'ৰা ছোৱালীয়ে কৃষি কৰ্মৰ জৰিয়তে আজি তেওলোক স্বাবলম্বী হৈ আছে ।  তেওঁলোকে কোনো চৰকাৰী চাকৰি বিচৰা নাই । তেওেলোকে অসমৰ বাহিৰত গৈ কোম্পানীত চাকৰী কৰা নাই। নিজৰ মাটিতে থাকি কৃষি প্ৰকল্প  কৰি স্বনিৰ্ভশীল হৈ আজি যি আদৰ্শ গঢ়িছে মই আহ্বান জনাম যে , অকল দৰং জিলাতে নহয় ,অসমৰ প্ৰতিখন জিলাতে য'ত অচিনাকী মানুহে মাটি বেদখল কৰি  আছে, সেই মাটিবিলাক উদ্ধাৰ কৰি গৰুখুঁটিৰ নিচিনাকৈ অসমৰ খিলঞ্জীয়া মানুহৰ মাটি নিজৰ হাতত  ৰাখিবৰ বাবে, আৰু স্বনিৰ্ভশীল হ'বৰ বাবে , কৰ্ম সংস্কৃতি শক্তিশালী কৰি উৎপাদনমুখী কৰিবৰ কাৰণে, পথাৰ-বজাৰ খিলঞ্জীয়াৰ হাতত ৰাখিবৰ বাবে , গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰিবলৈ লগতে অসমীয়াৰ স্বাভিমান ৰক্ষা কৰিববৰ কাৰনে আমাৰ চৰকাৰে লোৱা ইতিবাচক সিদ্ধান্ত বিৰোধ যাতে নকৰে তাৰ বাবে আহ্বান জনাইছো। নিৰ্ববাচনৰ আগতে অখিল গগৈ ডাঙৰীয়াই যিবিলাক কথা কৈছিলে যে, বিজেপি দলক জনতাই ব্ৰহ্মপুত্ৰত পেলাই দিব লাগে , এই বিলাক কথা নেওচী অসমৰ জনসাধাৰণে জনস্বাৰ্থৰ হিতে আমাক দিশপুৰত পেলালে অধ্যক্ষ ডাঙৰীয়া। গতিকে তেখেতেহে  ব্ৰহ্মপুত্ৰত জাঁপ দিয়াটো উচিত আছিল। আমাক ব্ৰহ্মপুত্ৰত নেপেলালে এই কাৰণে  ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰখনে অসমৰ জনতাৰ হকে কাম কৰাৰ কাৰণে, খিলঞ্জীয়াৰ স্বাৰ্থত কাম কৰাৰ কাৰণে আমাক জনতাই দিশপুৰত পেলাইছে , চৰকাৰ হৈছে ,    ধ্যৰ্য ধৰক, কাম কৰি থাকক কোনে কাক ক'ত পেলায়  দেখা যাব।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ ছাৰ  মোৰ নামটো উল্লেখ কৰিছে , পাৰে নেকি ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ টাইমত আপুনি ক'ব ..... প্লিছ ব'হক। এতিয়া অশ্বিনী ৰায় সৰকাৰ।

**শ্ৰী অশ্বিনী ৰয় সৰকাৰ (গোলোকগঞ্জ)-** মোক কবলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো।

(সদনত হুলস্থুল পৰিবেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষ ঃ** মাননীয় অখিল গগৈ ডাঙৰীয়াক বহিবলৈ অনুৰোধ কৰিছে । আপোনাৰ বক্তব্য দাঙি ধৰিবলৈ সময় নিৰ্ধাৰণ কৰিছে । আপোনাৰ যেতিয়া বক্তব্য হ'ব তেতিয়া আপুনি এই কথাখিনি কব । আপোনাৰ সময়টো মই কাটি দিব লাগিব। প্লিজ বহক, প্লিজ বহক। )

**শ্ৰী অশ্বিনী ৰয় সৰকাৰ (গোলোকগঞ্জ)-**অসমৰ জনসাধাৰণে বিপুল সংখ্যক ভোটদান কৰি অসমত তৃতীয়বাৰৰ কাৰণে এন ডি এ চৰকাৰ আনিছে। গতিকে অসমৰ ৰাজনীতিত এটা নতুন ধাৰা প্ৰৱৰ্তন হৈছে। ডেভলেপমেন্টৰ ধাৰা। এই ডেভলেপমেন্টৰ ধাৰাৰ কাৰণে কাম কৰি আছে। পলিটিক্স ফৰ ডিচট্ৰাপচন, পলিটিক্স ফৰ নিগেটিভিটি । ৰাইজে প্ৰত্যাখান কৰিছে । গতিকে যিসকলে আমাক মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত যি সকলে প্ৰগতি আনিছে, এই প্ৰগতিৰ বিপৰীতে যিসকলে কথা কৈ আছে, সেই সকলক ইতিমধ্যে যোৱাটো নিৰ্বাচনত ফল ভোগ কৰিছে। মই এই মাননীয় মুখ্যমন্ত্ৰীৰ অসমৰ উন্নতিৰ পথত যি ধৰণে কাম কৰিছে মই বিশেষকৈ অসমত বসবাস কৰা বিভিন্ন সৰু সৰু জনগোষ্ঠী যি কল্যাণ সাধন কৰিলে এই কল্যাণ সাধন কৰিবলৈ প্ৰতিফলিত কৰিলে আমি সদনত যেতিয়া আমি বিভিন্ন জনগোষ্ঠী স্বীকৃতি নোপোৱা ভাষাত আমি ইয়াত শপত গ্ৰহণ কৰিলো বিশেষকৈ ৰাজবংশী, কাৰ্বি, ৰাভা। আমাক এই সৰু সৰু জনগোষ্ঠী প্ৰতিনিধিত্ব কৰা আৰু নিজৰ ভাষা মাতৃভাষাৰে যেতিয়া সংবিধানত আমি সদনত শপত গ্ৰহণ কৰিলো, ইয়াৰ দ্বাৰা প্ৰতিফলিত হৈছে যে মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত অসমত বসবাস কৰা সৰু সৰু জনগোষ্ঠীক স্বীকৃতি প্ৰদান

কৰি সাৰ্বংগীন উন্নতিৰ কাৰণে আমাৰ চৰকাৰখনে কাম কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত অসমত বিভিন্ন জনগোষ্ঠীৰ যি স্বায়ত্ব শাসন প্ৰদান কৰিলে  আৰু যি স্বায়ত্ত শাসন ব্যৱস্থাৰ দ্বাৰাই অসমত বহুতো জনগোষ্ঠীৰ প্ৰতিনিধি আজি এই বিধান সভাত আহিবলৈ পাইছে। আজি সদনত মই কবলৈ পাই সুখী হৈছো যে মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত চৰকাৰখনৰ কামৰ প্ৰতিফলিত হৈ আমাৰ কোঁচ ৰাজবংশীসকলৰ পৰা পোন প্ৰথমবাৰৰ বাবে এই বিধান সভাত ১০ গৰাকী প্ৰতিনিধি আজি প্ৰতিনিধিত্ব কৰাৰ সুযোগ পাইছে। ঠিক এইদৰে বিভিন্ন জনগোষ্ঠীৰ ইয়াত প্ৰতিনিধিত্ব কৰাৰ সুযোগ পাইছে। কাৰণ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত অসমত বহুতো উন্নয়ন হৈছে। সৰু সৰু জনগোষ্ঠীয় অঞ্চলত এই ধৰণে উন্নয়ন হৈছে। অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে বিভিন্ন জনগোষ্ঠীৰ উপৰিও সীমান্ত অঞ্চলতো উন্নতি হোৱা দেখা গৈছে। গতিকে আপুনিও যেতিয়া ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী আছিল, সেই মন্ত্ৰী থকা কালত ধুবুৰী জিলাৰ সীমান্ত অঞ্চলত যি ধৰণে আমাৰ আন্তঃগাঠনি উন্নয়ন হৈছে যে ভাইব্ৰেট ভিলেজ তৈয়াৰ হৈছে আৰু সীমান্ত অঞ্চলত লাইব্ৰেৰি প্ৰতিষ্ঠা হৈছে সেই দৃষ্টান্ত কিন্তু ১৫ বছৰ কংগ্ৰেছ চৰকাৰ থকাৰ কালত কিন্তু একো কাম হোৱা নাই। গতিকে মই মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত যি কাম হ'ল তাৰ কাৰণে ধন্যবাদ প্ৰস্তাৱক সমৰ্থন কৰিছো আৰু এটা কথা মই পৱিত্ৰ সদনত ৰাখিবলৈ পাই সুখী হৈছে যে ধুবুৰী জিলাত যি আমাৰ পাৱাৰ প্ৰজেক্ট স্থাপন কৰি অনুন্নত বুলি কয় ধুবুৰী জিলাক এই ধুবুৰী জিলা উন্নত কৰা যি প্ৰচেষ্টা মুখ্যমন্ত্ৰীয়ে লৈছে মই আশা ৰাখিছো যে এই পাৱাৰ প্ৰজেক্টৰ জৰিয়তে ধুবুৰী জিলাত উজ্জ্বল হ'ব কাৰণ ধুবুৰী জিলাত এটা শক্তি কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ ইতিমধ্যে কাম আৰম্ভ হৈছে। গোটেই কথাখিনি প্ৰতিফলিত হৈছে এইবাৰ। গতিকে ধুবুৰী জিলাত পাৱাৰ প্ৰজেক্টৰ ক্ষেত্ৰত কাৰণ অসম খনক আগবঢ়াই লৈ যাবলৈ হলে যি ধৰণৰ পাৱাৰ চেক্টৰত কাম হৈছে, যিধৰণে যাতায়তৰ ক্ষেত্ৰত কাম হৈছে, যি ধৰণে শিক্ষাৰ ক্ষেত্ৰত কাম হৈছে সেই সকলোখিনি যুগান্তকাৰী এটা পৰিৱৰ্তন অনাৰ প্ৰচেষ্টা আমাৰ চৰকাৰে হাতত লৈছে। গতিকে এই গোটেইখিনি কথা ইয়াত সুন্দৰভাৱে দেখা গৈছে। গতিকে এডভান্টেজ অসমৰ জৰিয়তে বহু

নিবনুৱা কৰ্মসংস্থাপনৰ ব্যৱস্থা লাভ কৰিছে । কিছুমানে কৈছে যে নিবনুৱা সমস্যা চৰকাৰখনে যথেষ্ট লাঘৱ কৰিছে যে অকল ১,৬৫,০০০ হাজাৰ যুৱকক চাকৰিয়েই নহয় ২ লাখৰো অধিক শিক্ষিত যুৱকক মাননীয় মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ আঁচনিৰ জৰিয়তে কৰ্মসংস্থাপন দিছে আৰু এজনকৈ যুৱকে এই দুই লাখকৈ টকা লাভ কৰি চাৰি পাঁচজন যুৱকক কৰ্মসংস্থাপন দিছে। গতিকে ইতিমধ্যে সেই ব্যৱস্থাৰ জৰিয়তে প্ৰায় ৫ লাখ ৭ লাখ যুৱকে নিজৰ ব্যৱসায় মাধ্যম দি কৰ্মসংস্থাপন লাভ কৰিছে। ঠিক এইবাৰ আমি বহু কথা এই চৰকাৰখনে কৰা প্ৰতিফলন হৈছে । সময় আছিল এই পৱিত্ৰ সদনত আলোচনা হৈছিল যে ৰাতিপুৱা কিহৰ শব্দৰে ৰাতিপুৱা হৈছিল যে বন্দুক বাৰুদৰ শব্দ। কিন্তু আজকালি ৰাস্তাৰ যুৱক লৰা ছোৱালী মানে যেতিয়া দৌৰৰ শব্দ শুনা যায়। মাননীয় অধ্যক্ষ ডাঙৰীয়া আপুনি ৰাতিপুৱা ওঠে। আজিকালি ৰাতিপুৱা লৰা ছোৱালীয়ে ৰাস্তাত কি কৰে , দৌৰে কিয় দৌৰে ? যোগ্যতা অৰ্জন কৰি চাকৰি লোৱাৰ কাৰণে। আমাৰ চৰকাৰে এইখিনি কৰিছে। গতিকে মই অসমৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ ভাষণত সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ**ঃ মাননীয় বিধায়ক শ্ৰী ধৰ্মেশ্বৰ ৰয় ডাঙৰীয়াৰ ৬ মিনিট সময় । আপুনি ৬ মিনিটত শেষ কৰিব।

**শ্ৰী ধৰ্মেশ্বৰ ৰয় (বজালী)**-মাননীয় অধ্যক্ষ মহোদয় প্ৰথমতে আপোনাক মই ধন্যবাদ জ্ঞাপন কৰিছো যে মোৰ সমষ্টিত আপুনি প্ৰাক্তন বিধায়ক আছিল আৰু এইবাৰ ভৱানীপুৰ সমষ্টিৰ পৰা নিৰ্বাচিত হৈ অসম বিধান সভাত দ্বিতীয়বাৰৰ কাৰণে অধ্যক্ষৰ আসন অলংকিত কৰি আমাক ধন্য কৰাৰ কাৰণে আপোনালৈ ধন্যবাদ জ্ঞাপন কৰিছো আৰু তাৰ লগে লগে অসমৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা আৰু হিয়া ভৰা শুভেচ্ছা জ্ঞাপন কৰি মহামহিম ৰাজ্যপাল ডাঙৰীয়াৰক যি ভাষণ সেই ভাষণৰ প্ৰতি মই দুই আষাৰ কবলৈ ওলাইছো । আমি প্ৰথমবাৰৰ কাৰণে বিধায়ক নিৰ্বাচিত হৈছো গতিকে কথাবিলাক কওতে যদি ভূল ভ্ৰান্তি হয় জ্যেষ্ঠ সকলৰ পৰা পৰামৰ্শ বিচাৰিছো আৰু অখিল গগৈ ডাঙৰীয়াই যাতে উল্টা ফুল্টা কথা

কৈ কথা কোৱাত বাধা সৃষ্টি নকৰে তাৰ কাৰণে জ্যেষ্ঠ হিচাপে অখিল গগৈ ডাঙৰীয়াক মই আহ্বান জনাইছো।

(সদনত হুলস্থুল হৈছিল)

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)-**ছাৰ এনেকৈ পাৰে নে নোৱাৰে ? প্ৰতিবেদনত এইটো ৰাখিব পাৰে নে নোৱাৰে? পীযুষ হাজৰিকা ডাঙৰীয়াই ভাষণ দিওতে আপুনি এনেকৈ হাত তালি বজাই আছিলে।

**মাননীয় অধ্যক্ষঃ** মই মাননীয় বিধায়ক শ্ৰী ৰণোজ পেগু ডাঙৰীয়াই কওতে হাত তালি বজাইছিলো। তেওঁক কথা কবলৈ দিয়ক। মই ৰুলিং দিম নহয় তেওঁক কথা কবলৈ দিয়ক। তেওঁৰ কথা শেষ হবলৈ দিয়ক। মই মোৰ নিজৰ ৰুলিং দিম নহয়, প্লিজ চিট ডাউন।

**শ্ৰী ধৰ্মেশ্বৰ ৰয় (বজালী)-** অধ্যক্ষ মহোদয়, ৰাজ্যপাল ডাঙৰীয়াই যিখিনি বক্তব্য আগবঢ়াইছে মই মোৰ সমষ্টিৰ কেইটামান কথা আগবঢ়াইছো যে কংগ্ৰেছ চৰকাৰৰ দিনত মোৰ সমষ্টিত আমাৰ ছাত্ৰ ছাত্ৰীসকলৰ পঢ়াৰ পৰিৰেশ বিনষ্ট হৈছিল। সকলো লৰা ছোৱালী বিলাক প্ৰাইভেট স্কুললৈ ধাৱমান হৈছিল। মোৰ জিলাখৰ বজালীত আনন্দৰাম বৰুৱা একাডেমীকে ধৰি কেইবাখনো প্ৰাইভেট শিক্ষানুষ্ঠান আছিল আৰু সকলোবিলাক ছাত্ৰ ছাত্ৰী তালৈ ধাৱমান হৈছিল। আৰু এইবাৰ মই আপোনালোকক গৌৰৱেৰে কব বিচাৰিছো যে আমাৰ বজালী মহাবিদ্যালয়, ভট্ৰদেৱ বিশ্ববিদ্যলয় হ'ল তাত এতিয়া এডমিচন লোৱাৰ কাৰণে লৰা ছোৱালীৰ কাৰণে ভিৰ লাগিছে। ফাষ্ট্ৰ ডিভিজন পালেও এডমিচন নাপায়। মই নিজে অধ্যয়ন কৰা বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়খন আছে ১০০ শতাংশ ৰিজাল্ট হৈছে। এতিয়া প্ৰাইভেট স্কুলত লৰা ছোৱালীবিলাক নপঢ়ে তাত এডমিচন লোৱাৰ কাৰণে আজি লৰা ছোৱালী ভিৰ কৰিছে। ৭৪ শতাংশ পোৱা লৰা ছোৱালী আজিকালি বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এডমিচন নোপোৱা হৈছে। এইয়া হৈছে পাৰ্থক্য কংগ্ৰেছ চৰকাৰ আৰু এইখন চৰকাৰৰ।

শিক্ষাৰ ক্ষেত্ৰত উন্নতি নোহোৱা বুলি কৈছে জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই । কিন্তু এইধৰণৰ উন্নতি আমি দেখিবলৈ পাইছো যে আজি আমাৰ ছাত্ৰ-ছাত্ৰীবিলাকে প্ৰাইভেট স্কুল এৰি চৰকাৰী স্কুললৈ ধাৱমান হৈছে । এই নিকা নিযুক্তিৰ সময়ত যিসকল দুখীয়া ঘৰৰ মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে নিযুক্তি পালে তেওঁলোকে সৎ ভাৱে ভাল শিক্ষক হোৱাৰ কাৰণে যিটো ব্ৰত ল'লে তেওঁলোকৰ আদৰ্শত অনুপ্ৰাণিত হৈ আজিৰ চামৰ নতুন ছাত্ৰ-ছাত্ৰীবিলাকে আমাৰ চৰকাৰী বিদ্যালয়ত পঢ়াৰ কাৰণে এটা অনুপ্ৰেৰণা পালে । এইটো হ'ল উন্নয়নৰ এটা নমুনা । তাৰ পিছত ৰাস্তা ঘাটৰ কথা । জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই নিজেই জানে কংগ্ৰেছৰ চৰকাৰ থাকোতে তেখেত বিধায়ক নাছিল, তেখেতে বিৰোধীৰ বিধায়ক হিচাপে স্থান পালে। এতিয়া যিটো সমষ্টি তেখেতে প্ৰতিনিধিত্ব কৰিছে তাৰ ৰাস্তা ঘাটৰ কেনেকুৱা উন্নয়ন হৈছে। সৰ্থেবাৰীলৈ যাওঁতে গাড়ীৰে ৩ ঘণ্টা লগা ঠাই আজি ১০ মিনিট লাগে । কাৰণ আমাৰ পাঠশালাৰ পৰা সৰ্থেবাৰীলৈ যোৱা ৰাস্তাটো এতিয়া অসম মালাৰ জৰিয়তে এনেকুৱা এটা highway ৰ নিৰ্মাণ হ'ল এতিয়া ১০ মিনিটতে সৰ্থেবাৰী যাব পাৰো । এইয়া হ'ল উন্নয়নৰ নমুনা। গতিকে আজি ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যি ধৰণৰ কৰ্ম-পটুতাৰে অসমখনক আগবঢ়াই নিয়াৰ কাৰণে সপোন দেখিছে, আচলতে এই কথাত আমি শাসক বিৰোধী সকলে, অসমৰ ৰাইজে জনাদেশ দিছেই, অসমৰ ৰাইজে বিচাৰিছে যে ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত অসম আৰু অসমীয়া আগবাঢ়ি যাব লাগে । অসমখন সঁচাকৈয়ে ভাৰতৰ পাঁচখন উন্নত ৰাজ্যৰ ভিতৰত এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে প্ৰতিষ্ঠিত হ'ব লাগে। খিলঞ্জীয়া মানুহে কংগ্ৰেছৰ দিনত কি ভাবিছিল, নামনি অসমৰ মানুহে কি ভাবিছিল যে এইখন দেশত আমি খিলঞ্জীয়া মানুহ হৈও আমি পৰাধীন নেকি, আমাৰ অধিকাৰ নাই নেকি? কংগ্ৰেছৰ দিনত এইখন বিধান সভাত খিলঞ্জীয়া শব্দৰ উচ্চাৰণ কৰাৰ অধিকাৰ নোহোৱা হৈ গৈছিল। আজি ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই খিলঞ্জীয়া অসমীয়া মানুহে প্ৰাণ পাই উঠিছে, শক্তি পাই উঠিছে। আজি সত্ৰ সমূহৰ মাটি বেদখল কৰি খিলঞ্জীয়া মানুহক সাহস দিবলৈ এইখন চৰকাৰে চেষ্টা কৰিছে। আপোনাৰ জৰিয়তে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে

আগন্তুক দিনতো যিসমূহ সত্ৰৰ মাটি বেদখল হৈ আছে সেইবোৰ বেদখলমুক্ত কৰি আমি নামনি অসমৰ খিলঞ্জীয়া মানুহক সাহস দিব লাগিব, নামনি অসমৰ খিলঞ্জীয়া মানুহক আগবাঢ়ি যোৱাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অধ্যক্ষ মহোদয়, খিলঞ্জীয়া অসমীয়া মানুহৰ পৰিচয়ৰ কাৰণে অসম আন্দোলন হৈছিল আৰু অসম চুক্তিৰ ৬ নং দফাত আছিল যে ৫১ ৰ পৰা ৭১ চনলৈ মানুহৰ বোজা আমি ল'লো কিন্তু এই মানুহখিনিৰ কাৰণে যাতে আমাৰ ভাষা, আমাৰ সভ্যতা, আমাৰ সংস্কৃতিত কোনো ধৰণৰ বিৰূপ প্ৰতিক্ৰিয়া হ'ব নোৱাৰে তাৰ কাৰণে ৬ নং দফাত খিলঞ্জীয়াৰ আসন সংৰক্ষণৰ ব্যৱস্থা আছিল। গতিকে এতিয়া চৰকাৰে ব্যৱস্থা কৰিছে। বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন ইতিমধ্যে আমাৰ চৰকাৰে কাৰ্য্যকৰী কৰিবলৈ লৈছে। মই আপোনাৰ জৰিয়তে অনুৰোধ জনাম যে বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন কাৰ্য্যকৰী কৰি খিলঞ্জীয়া অসমীয়া মানুহৰ স্থানীয় নিকায়-নিগম সকলোতে যাতে অধিকাৰ থাকে, আমি যাতে অধিকাৰ হেৰুৱাই নেপেলাও তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই আপোনাৰ জৰিয়তে আমাৰ চৰকাৰক অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। ধৰ্মেশ্বৰ ৰায় ডাঙৰীয়াই তেখেতৰ বক্তব্যত কৈছিল যে মই যিহেতু নতুন বিধায়ক, তেখেতে ভাষণ দি থাকোতে আমাৰ সন্মানীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই যাতে interrupt নকৰে তাৰ কাৰণে আহ্বানহে জনাইছিলে, তেওঁ গালি পৰা নাই। আহ্বান শব্দটো মই শুনিছো গতিকে তেওঁৰ কথাখিনি proceedings ত থাকিব। এতিয়া শ্ৰী সুশান্ত বৰগোঁহাই। আপোনাৰ সময় ৪ মিনিট।

**শ্ৰী সুশান্ত বৰগোঁহাই (ডিমৌ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মহামহিম ৰাজ্যপালৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থনত মই দুটামান কথা ৰাখিব বিচাৰিছো। ভাৰতবৰ্ষৰ প্ৰত্যেকখন ৰাজ্যৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থা বেলেগ বেলেগ আৰু অসমৰো যোৱা কেইবা দশকৰ ৰাজনৈতিক, সামাজিক পৰিৱেশ আৰু ব্যৱস্থা বা অৱস্থা এনেধৰণৰ আছিল

যিখিনি সময়ত আমি বহুতখিনি সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল আৰু বিধান সভাৰ ভিতৰত যেতিয়াই আলোচনা হৈছিল তাত অসমৰ খিলঞ্জীয়া জনগোষ্ঠীৰ সুৰক্ষা, অসমৰ মানুহৰ সুৰক্ষা, অৰ্থনৈতিক সুৰক্ষা বা অৰ্থনৈতিক উন্নতিকৰণ এই কথাবিলাক আলোচনা হৈছিল। নিবনুৱা সমস্যা এটা ভয়াৱহ ৰূপ আৰু অসমত এটা সময়ত শিক্ষিত নিবনুৱাৰ সংখ্যাৰ হাৰ বেছি হৈ গৈ আছিল। নিবনুৱা দুই প্ৰকাৰৰ, এক হ'ল শিক্ষিত নিবনুৱা আৰু আনটো নিবনুৱা। শিক্ষিত নিবনুৱা আৰু নিবনুৱা দুইখিনিৰে সপোন অসমত থাকি বাস্তৱায়িত কৰাৰ পৰিৱেশ অসমত নাছিল। বিভিন্ন সামাজিক ব্যৱস্থাত, ৰাজনৈতিক পৰিৱেশত আৰু এসময়ত এই বিধান সভাত অকল special status লৈ আলোচনা হৈছিল। অসম self reliance হ'ব পাৰে, অৰ্থনৈতিক ভাৱে যে আমি সমৃদ্ধশালী হ'ব পাৰো এই কথাবিলাক এই বিধান সভাত আলোচনা হোৱা নাছিল৷ যেনে-তেনে দৰমহা দিয়ে আৰু যদিও ক'ৰবাত কেইটামান চাকৰি ওলায়, ৰাজনৈতিকভাৱে সিদ্ধান্ত লৈ ঘৰৰ মাজতে ৰাজনৈতিকভাৱে চাকৰি বিলাক বিতৰণ কৰা হৈছিল। নিবনুৱা সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিছিল আৰু আন্দোলনৰ পৰিৱেশ হৈছিল। অসমখনৰ সেই সময়ত কোনেও পৰিকল্পনা কৰা নাছিল যে অসমখনক আমি কেনেধৰণে আগবঢ়াই লৈ যাব পাৰিম। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভাৰতীয় জনতা পাৰ্টীৰ দ্বিতীয়বাৰৰ চৰকাৰখনৰ কাৰ্য্যকালত মুখ্যমন্ত্ৰী হ'ল আৰু পৰিকল্পিতভাৱে অসমৰ শিক্ষিত নিবনুৱাৰ সমস্যাখিনি কেনেধৰণে সমাধান কৰিব লাগিব, আমি যে আন্দোলন কৰো গাওঁবিলাকত ডাক্তৰ নাই,সেই সমস্যা বিলাক কেনেধৰণে সমাধান কৰিব লাগিব আৰু সেই সমাধানৰ সূত্ৰ উলিয়াই আজি অসমত প্ৰত্যেকটো পদক্ষেপত আগুৱাই লৈ যাব কাৰণে সক্ষম হৈছো আৰু সেইখিনি কৰিবলৈ যাওঁতে যিখিনি বিধিয়েদি বা নিয়মৰ মাজেৰে আমি যেনেধৰণে আমি লোন লওঁ সেই লোন লোৱা পইচা আজি আমাৰ মেডিকেল কলেজ নিৰ্মাণ কৰা হৈছে যাতে গাওঁবিলাকত একোজনকৈ ডাক্তৰ পাওঁ৷ আজি আমাৰ বাট-পথ উন্নয়ন হৈছে যাতে আমি চাকৰি পালে টাউনত আহি এটা ঘৰ

নিৰ্মাণ নকৰি, গাৱঁতে এটা ঘৰ নিৰ্মাণ কৰি আমি সেই উন্নত বাট-পথেদি আজি যাতে আমি অহা-যোৱা কৰিব পাৰো। আমাৰ অৰ্থনৈতিক সমস্যাৰ সমাধানৰ কাৰণে, উদ্যোগীকৰণ কৰিবৰ কাৰণে নতুনকৈ চিন্তা-চৰ্চা কৰা হৈছে। এটা সময়ত কাগজ-কল বন্ধ হোৱাৰ পিছত, semi-conductor industry ৰ কথা আৰু বহলভাৱে নকওঁ কাৰণ মাননীয় সদস্য বিশ্বজিৎ ফুকন ডাঙৰীয়াই কৈছে। এনেধৰণে আমি অসমখন আগুৱাই নিয়াৰ কাৰণে আজি আমি এটা পৰিকল্পনা লৈছো। আজি অসমত যিসকল শিক্ষিত নিবনুৱা আছে তেওঁলোকৰ মনত এটা আশাৰ সঞ্চাৰ হৈছে যে কোনো বিধায়ক-মন্ত্ৰীৰ ঘৰলৈ নগৈ, কোনো ৰাজনৈতিক নেতাৰ ঘৰলৈ নগৈ, আমি যদি ভালদৰে পঢ়া-শুনা কৰো, নিশ্চিত ভাৱে আমি ভৱিষ্যতে আমাৰ সপোনক আমি বাস্তৱায়িত কৰিব পাৰিম। আমি যেনেদৰে ভাবিছিলো তেনেধৰণে আগুৱাই যাব পাৰিম। এই বিধান সভাত আপোনালোকে চাব যে অসমৰ ৰাইজে ৰাজনৈতিক সিদ্ধান্ত লৈছে আৰু কেনেধৰণে লৈছে এই কথাটো আমাৰ মাননীয় সদস্য পীযুষ হাজৰিকা ডাঙৰীয়াই কৈছে। বহু দিনৰ মূৰত আজি মই চাৰিওফালে চকু ফুৰাই দেখিলো যে আমাৰ communist ৰ সদস্যৰ সংখ্যা এজনো নাই। নথকাৰ কাৰণটো কি যে আজিৰ সমাজ ব্যৱস্থা, অৰ্থনৈতিক ব্যৱস্থাত এই communism ideology ৰ পৰিৱেশটো অসমৰ নতুন প্ৰজন্ম, অসমৰ জনতাই গ্ৰহণ কৰা নাই। কাৰণ ইয়াত এটা দুখীয়া পৰিয়ালৰ ল'ৰাইও নিজৰ কষ্ট আৰু অধ্যৱসায়ৰ ফলত নিজৰ পঢ়া-শুনাৰ যোগেদি আগবাঢ়ি যোৱাৰ এটা পৰিৱেশ হৈছে। আগতে কিয় ইয়াত communism বাঢ়িছিল, কাৰণ ধনীবোৰ ধনী হৈয়ে আছিল আৰু দুখীয়াবোৰ দুখীয়া হৈয়ে আছিল আৰু ধনীয়ে দুখীয়াক চেপা মাৰি ধৰিছিল আৰু দুখীয়া মানুহে আগবাঢ়ি যাবলৈ কোনো ৰাস্তা বিচাৰি পোৱা নাছিল। সেই সময়ত communist ৰ আন্দোলন হৈছিল কিন্তু আজি আমাৰ যিখন বিধান সভা, তাত এজনো communist ৰ সদস্য নাই কাৰণ বৰ্তমানৰ যিটো অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱেশ, সেই পৰিৱেশত অসমখন আগুৱাই যাবলৈ সক্ষম হৈছে।

এটা সময়ত অসমৰ যি special status আছিল সেই অসমখনে ভাৰতীয় অৰ্থনীতিত আজি আমি অৱদান আগবঢ়াইছো। সেইবাবে নিজৰ ভৰিত থিয় হৈ উন্নয়নৰ ৰাস্তাৰে আগবাঢ়ি যাবলৈ সক্ষম হৈছো যাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো আৰু আমাৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ যি বক্তব্য তাৰ প্ৰত্যেকখন পৃষ্ঠাতে সত্যৰ আধাৰত প্ৰত্যেকখন আঁচনিৰ কথা উল্লেখ কৰা হৈছে। আজি তেওঁক সমৰ্থন জনাই মই মোৰ দু-আষাৰ ইয়াতে সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

এতিয়া নুৰুল হুদা। আপোনাৰ সময় ৪ মিনিট।

**মোঃ নুৰুল হুদা, ৰূপহীহাটঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনত মানুহৰ জীৱন যাত্ৰাত যিবোৰ জৰ্জৰিত সমস্যা সেইবিলাকৰ ওপৰত ৰাজ্যপাল ডাঙৰীয়াই ভাষণত কোনো কথা উল্লেখ নকৰিলে। ইতিমধ্যে শাসকীয় পক্ষৰ কেইবাজনো বক্তাই বহুত বৰ বৰ কথা কৈ গ'ল, উচ্ছেদক প্ৰশংসা কৰিলে, অচিনাকী মানুহ বুলিও ক'লে, উচ্ছেদ যে কৰিলে সেই উচ্ছেদিত সম্পত্তি, মাটি বিলাক আজি বহিঃ ৰাজ্যই লৈ গৈ আছে। চাৰ , আজি পেপাৰত ওলাইছে যে "উৰিয়ামঘাটত উচ্ছেদিত দিবুৰজান গাৱঁত দোকান খুলি নগাই লগালে ফলক' , Govt. of Nagaland বুলি লগাই দিলে। ইয়াত কিন্তু আমাৰ চৰকাৰৰ কোনো কাণসাৰ নাই৷ অধ্যক্ষ মহোদয়, যিসকলক উচ্ছেদ কৰিছিল সেইসকল কিন্তু ভাৰতীয় নাগৰিক। আজিলৈকে উচ্ছেদিত এজন ব্যক্তিক ভাৰতীয় নাগৰিক নহয় বুলি প্ৰমাণ কৰি দিব নোৱাৰিলে এই চৰকাৰখনে। গতিকে এই চৰকাৰখনে অসমৰ মাটিত জন্মগ্ৰহণ কৰা অসমৰ সন্তানক অসমৰ ভূমিৰ অধিকাৰৰ পৰা উচ্ছেদ কৰিছে। গতিকে এই কথাটো মই চৰকাৰক প্ৰত্যাহ্বান জনাইছো যে যিসকল ব্যক্তিক উচ্ছেদ কৰিছে যদি সেই সকল ভাৰতীয় নাগৰিক তেওঁলোকক পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰক। অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত

৩২০৩ গৰাকীলোকে এটা বছৰত  আত্মহত্যা  কৰিছে। এই আত্মহত্যাবিলাক কিয় কৰিছে অধ্যক্ষ মহোদয়, জানে, দৰিদ্ৰতাৰ বাবে । চাকৰী নোপোৱাৰ বেদনাত, নিবনুৱা সমস্যাই জৰ্জৰিত কৰি  পেলাইছে। ইফালে নৃত্য ব্যৱহৃত যিবিলাক সামগ্ৰী, সেই সামগ্ৰী বিলাকৰ দাম বৃদ্ধি হৈছে। জীৱন দায়িনী ঔষধ, সেইবিলাকৰ  দাম হোৰাহোৰে বাঢ়ি গৈছে । মানুহৰ জীৱন-যাপন অচল হৈ পৰিছে। মানুহৰ জীৱন যাত্ৰা পুংগু হৈ পৰিছে, অত্যাধিক মূল্যবৃদ্ধিৰ কাৰণে। কিছুমানে নিজৰ চিকিৎসাৰ কাৰণে পইচা যোগাৰ কৰিব নোৱাৰি আত্মহত্যা কৰিছে । ৩৩৮ গৰাকী ব্যক্তিয়ে দুৰাৰোগ্য বেমাৰত আক্ৰান্ত হৈ চিকিৎসাত নিজৰ পইচা নথকাৰ কাৰণে চিকিৎসা কৰিব নোৱাৰি আত্মহত্যা কৰিছে অধ্যক্ষ মহোদয় । আজি সেইখন অসমত যিখন অসমত জনসাধাৰণে আত্মহত্যা কৰিবলগা হৈছে, নিজৰ জীৱন বিসৰ্জন দিব লগা হৈছে আৰু সেইখন অসমত তেওঁলোকে উন্নয়ণৰ কথা অসম ভাৰতবৰ্ষৰ ৫ খন ৰাজ্যৰ ভিতৰত এখনলৈ নিব, কেনেকৈ নিব অধ্যক্ষ মহোদয়। এই যিসকল মানুহে অত্মহত্যা  কৰিছে, এইটো মোৰ কথা নহয় অধ্যক্ষ মহোদয়। এইটো National Crime records Bureau ৰ কথা।  National Crime records Bureau (NCRB) য়ে তথ্য  প্ৰকাশ কৰিছে । গতিকে অধ্যক্ষ মহোদয় আজি নিবনুৱা সমস্যাৰ ইমান জৰ্জৰিত অৱস্থাত কমিটিয়ে এপ্ৰিল মাহত চৰকাৰে এটা অধিসূচনা জাৰী কৰিছে যে যিবিলাক ঠিকাভিত্তিক শিক্ষক আছিল কলেজৰ, সেই ঠিকাভিত্তিক শিক্ষক

সকলক চাটাই কৰি দিছে। আজি মানৱ সম্পদ কেনেকৈ সৃষ্টি হ'ব অধ্যক্ষ মহোদয়, আমাৰ গুণগত শিক্ষা কেনৈক পাব ? যদি শ্ৰেণীকোঠাত শিক্ষকেই নাথাকে, তেনেহ'লে শিক্ষা ব্যৱস্থাটো কেনেকৈ আগুৱাই যাব ? গতিকে লাজ লগা কথা হৈ পৰিছে। আজি কলেজ বিলাকত শিক্ষাদান চলাবৰ কাৰণে ঠিকাভিত্তিক শিক্ষক নিযুক্তি দি ভালকৈ চলাই আছিল। তেওঁলোকক নিয়মীয়া হিচাপে নিযুক্তি দিব লাগে। সেইটো নকৰি চৰকাৰে চাটাই কৰিছে। আজি নিয়োগৰ সমস্যা, আজি চৰকাৰৰ যিটো প্ৰতিশ্ৰুতি, এই চৰকাৰে প্ৰতি বছৰে বাৰে বাৰে গান গাই আছে যে 30:1 ratio তেওঁলোকে fillup কৰিব। ৩০ জন ছাত্ৰৰ বিপৰীতে এজন শিক্ষক। আজি আপুনি গাওঁ অঞ্চলত যাওঁক, অধ্যক্ষ মহোদয়, গাওঁ অঞ্চলত তিৰা ছাত্ৰ-ছাত্ৰীৰ মাজত এজন শিক্ষক আৰু নগৰ অঞ্চলত যাওঁক ৭ গৰাকী ছাত্ৰৰ মাজত এজন শিক্ষক। আজিলৈকে এই চৰকাৰে এই 30:1 ratio টো fillup কৰিব পৰা নাই। এইটো চৰকাৰৰ ব্যৰ্থতা নহয় জানো ? সেই ব্যৰ্থতাৰ কথাবিলাক তেওঁলোকে নকয়। তেওঁলোকে মানৱ সম্পদ গঢ়াৰ কথা চিন্তা নকৰে। আজি মানৱ সম্পদ ধ্বংসৰ ফালে গৈছে। আজি শিক্ষা ব্যৱস্থাত আদৰ্শ বিদ্যালয়, চৰকাৰে আদৰ্শ বিদ্যালয় কৰিলে। আদৰ্শ বিদ্যালয় মানে ভাল বিদ্যালয়। আদৰ্শ বিদ্যালয়ত যিসকল ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰে, তেওঁলোকে মাহে ৩০০ টকাকৈ মাছুল দিবলগীয়া হয় অধ্যক্ষ মহোদয়। কিন্তু চৰকাৰী বিদ্যালয়ত যদি মাছুল দি পঢ়িব লাগে, তেতিয়াহ'লে

চৰকাৰী বিদ্যালয়ত কিয় ? সেইটো private school তো পঢ়িব পাৰে। গতিকে অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যপাল মহোদয়ে যিখিন ভাষণ দি গৈছে, এইখিনি ভাষণ আমি কেতিয়াও সমৰ্থন কৰিব নোৱাৰো। গতিকে ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা কৰি মোৰ বক্তব্য সামৰিণ মাৰিছো।

**মাননীয় অধ্যক্ষঃ** শ্ৰী প্ৰদ্যুৎ বৰদলৈ, আপুনি ৫ মিনিট ক'ব।

**শ্ৰী প্ৰদ্যুৎ বৰদলৈ, দিশপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, ষষ্ঠদশ বিধান সভা গঠন হ'ল৷ ড০ হিমন্ত বিশ্ব শৰ্মাৰ নতুন চৰকাৰ হ'ল আৰু এই সন্ধিক্ষণত অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে আমাক এই ভাষণ দিলে আৰু এই ভাষণে গোটেই চৰকাৰখনৰ যিটো দৃষ্টি পৰিসৰৰ যাত্ৰা হ'ব অহা ৫ বছৰত, এই দৃষ্টি পৰিসৰৰ যাত্ৰাই এটা সন্মত আভাস দিলে, এটা road map দিলে আৰু স্বাভাৱিকতে আমাৰ ৰাজ্যপাল ডাঙৰীয়াৰ গোটেই ভাষণত পৰৱৰ্তী এই ৫ বছৰত আৰু আগৰ চৰকাৰখনৰ যিটো ধাৰাবাহিকতা ড০ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে সেইখিন ৰক্ষা কৰি নতুন নতুন দিশ সংযোজন কৰি কেনেকৈ অসমখনক আগুৱাই লৈ যোৱা হ'ব সেই বিষয়ত এটা আভাস দিলে আৰু এই আভাসে আমাক সকলোকে  একোটা একোটা নতুন দৃষ্টিকোণ দিলে। মাননীয় অধ্যক্ষ মহোদয়, কিন্তু এই সন্ধিক্ষণত মই আপোনাক আৰু সদনক সকলোৰে জনা কথা অলপ পিছলৈ লৈ যাব খুজিছো। মনত পৰে যেতিয়া ভাৰতৰ স্বাধীনতা উকমুকনিত যেতিয়া Cabinet Mission আহিলে, অসমলৈ অহা নাই, দিল্লীলৈ আহিলে Stafford Cripps ৰ নেতৃত্বত তিনিজনীয়া Cabinet Mission হ'ল আৰু মহন্মদ আলী জিন্নাৰ মুছলিম লীগে দাবী কৰিলে যি জাতি তত্ববাদ। তেওঁলোকে ক'লে আৰু Cabinet Mission য়ে প্ৰস্তাৱ দিলে তিনিটা গ্ৰুপেই ,গ্ৰুপ তিনিটা A,B, C অসমো সন্নিবিষ্ট কৰিলে  বংগত, পূৰ্ববংগত আৰু  লগে লগে মহম্মদ আলী জিন্নাৰ মুছলিম লীগে দাবী জনালে যে অসমত প্ৰস্তাৱিত পাকিস্তানৰ লগত চামিল কৰা হ'ব। অসমৰ যিখন অন্তৰ্বৰ্তী কালীন চৰকাৰ আছিল তেতিয়া

গোপীনাথ বৰদলৈ প্ৰধান মন্ত্ৰী আছিল। গোপীনাথ বৰদলৈৰ নেতৃত্বত সকলো গৰজি উঠিল। অসমৰ কংগ্ৰেছৰ গোটেইতো পৰিয়াল। কিন্তু কংগ্ৰেছ Working Committee য়ে তেওঁলোকে দেশৰ স্বাধীনতা লাভ কৰাৰ কাৰণে অসমৰ স্বাৰ্থ জলাঞ্জলী দিবৰ কাৰেণ কুণ্ঠাবোধ নকৰিলে। কংগ্ৰেছ Working Committee ৰ মিটিঙত যেতিয়া গ্ৰুপিং প্ৰস্তাৱৰ ওপৰত যেতিয়া আলোচনা হৈছিল, তেওঁলোকে অৱধিলাক্ৰমে অসমত এনেধৰণৰ ধাৰণা দিলে যে স্বাধীনতাটো আটাইতকৈ ডাঙৰ অগ্ৰাধিকাৰ ভিত্তিত বিৱেচনা কৰিব লাগে। গতিকে অসম লাগিলে পাকিস্তানৰ লগতে চামিল হওঁক আৰু গোপীনাথ বৰদলৈৰ নেতৃত্বত তেতিয়া অসম, অসমীয়া, অসমীয়াত্ব, খিলঞ্জীয়া সকলোৰে অস্তিত্ব ৰক্ষা কৰিবৰ কাৰণে গোপীনাথ বৰদলৈ যুদ্ধত জপিয়াই পৰিলে আৰু সেই সময়ত যেতিয়া মহন্মদ আলী জিন্নাৰ direct action ৰ কথা ক'লে, যেতিয়া তেওঁ হুঙ্কাৰ দিলে লৰকে লেংগে পাকিস্তান আৰু সেই সময়ত গোষ্ঠীগত সংঘৰ্ষ আৰম্ভ হ'ল। মই এই কথাখিন এই কাৰণেই কৈছো, মহাত্মা গান্ধী পূৰ্ববংগৰ মিঞাখণ্ড দৌৰ মাৰি গ'ল। কাৰণ তেতিয়া এই direct action ৰ কাৰণে তাত থকা হিন্দু সংখ্যালঘুৰ ওপৰত প্ৰণালীগতভাৱে হত্যালীলা চলিলে। গোপীনাথ বৰদলৈয়ে মহাত্মা গান্ধীৰ আশীৰ্বাদ ল'বলৈ নোৱাখালীলৈ মহেন্দ্ৰ মোহন চৌধুৰী আৰু বিজয় চন্দ্ৰ ভাগৱতীক পঠিয়ালে এখন চিঠি লিখি। চিঠিত লিখি ক'লে যে এই যিটো সংলাপ অসমৰ অসমীয়াৰ, অসমীয়াত্বৰ স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণে দৰকাৰ হ'লে আমি কংগ্ৰেছৰ পৰা ওলাই আহিম। কাৰণ এই চিঠিখনত লিখিছে আপোনাৰ অশীৰ্বাদ পালে আমি আনকি কংগ্ৰেছৰ পৰা বাহিৰ ওলাই গৈয়ো এই বিষয়ত যুজও দিব পাৰিম। কিন্তু গোপীনাথ বৰদলৈৰ এই যিটো স্থিতি তাৰ বিপৰীতে মুছলিম লীগে আৰম্ভ কৰিলে এক direct action. মাননীয় অধ্যক্ষ মহোদয়, মই নগাওঁৰ সাংসদ আছিলো। নগাওঁৰ পুৰিণ চামৰ মুখে মুখে আছিলো। যেতিয়া মহম্মদ আলী জিন্নাই লৰকে লেংগে পাকিস্তান বুলি হুংকাৰ দিছিল, তেতিয়া নগাওতো এজন নেতা আছিল মুছলিম লীগৰ। তেওঁ হুংকাৰ দিছিল লৰকে লেংগে অসম আৰু অসমত পাকিস্তানৰ লগত সন্নিবিষ্ট কৰিব। অৱশ্যে এইটো পিছৰ কথা যে সেই

নেতাজনে পিছত গৈ দেশ স্বাধীন হোৱাৰ পিছত কংগ্ৰেছত যোগদান কৰিলে মন্ত্ৰীও হ'ল, সতী সন্নতি এম. পি হ'ল, এম. এল .এ হ'ল, সেইটো বেলেগ কথা। কিন্তু যিটো DNA, সেই DNA আমি সকলোৱে এইটো অনুধাৱন কৰিব পাৰিব। আজি এই যিটো গোপীনাথ বৰদলৈ শক্তিশালী স্থিতিৰ কাৰণে অসম অসমতে থাকিলে অসমীয়াত্ব সদায় বজাই ৰাখিলে আৰু এই যিটো ৰাজ্যপাল মহোদয়ৰ যিটো ভাষণ তাত সেই আভাসটো দিছে যে পৰিচয় সংস্কৃতি আৰু খিলঞ্জীয়া লোকৰ অধিকাৰৰ সুৰক্ষা। গতিকে এইটো এটা দৃষ্টিকোণ , এই দৃষ্টিকোণক শক্তিশালীভাৱে ড০ হিমন্ত বিশ্ব শৰ্মাৰ যি ৰক্ষণাবেক্ষণ দিব খুজিছে, সেয়া আমি সকলোৱে আদৰণি জনোৱা উচিত আৰু সকলোৱে এই মাননীয় ৰাজ্যপাল মহোদয়ৰ অভিলাসখনৰ বাকীবিলাক দিশ সামৰি সকলোৱে ইয়াত সমৰ্থন জনোৱা উচিত বুলি মই ভাবো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ শ্ৰী প্ৰদ্যুৎ বৰদলৈ। ড০ তপন দাস , ৬ মিনিট সময় ।

**ড০ তপন দাস, ডিমৰীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থনত মই দুআষাৰ মোৰ বক্তব্য দাঙি ধৰিব বিচাৰিছো। পোন প্ৰথমতে মাননীয় অধ্যক্ষ মহোদয়ক মোক বক্তব্য ৰাখিব দিয়া বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো লগতে আমা্ৰ NDA ৰ নেতা ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াকো মই ধন্যবাদ দিছো। মোক এই যাত্ৰাত বাট মুকলি কৰি দিয়াৰ বাবে। ইয়াৰ উপৰিও আমাৰ দলৰ সন্মানীয় সভাপতি তথা কেবিনেট মন্ত্ৰী শ্ৰী অতুল বৰা ডাঙৰীয়া আৰু কাৰ্যকৰী সভাপতি তথা কলীয়াবৰৰ বিধান সভাৰ বিধায়ক সন্মানীয় শ্ৰীকেশৱ মহন্তকো মই ধন্যবাদ জ্ঞাপন কৰিছো । লগতে ডিমৰীয়া বাসী ৰাইজে ,মোক দিয়া মৰম আৰু আৰ্শীবাদৰ বাবে মই তেখেত সকলৰ ওচৰত চিৰ কৃতজ্ঞ।

শ্ৰী কৃষ্ণায় নমঃ

কৃষ্ণায় বাসুদেৱায় দৈৱকী-নন্দনায় চ।
নন্দ-গোপকুমাৰায় গোবিন্দায় নমো নমঃ ॥
নমঃ পঙ্কজ-নাভায় নমঃ পঙ্কজ মালিনেঃ
নমঃ পঙ্কজ-নেত্ৰায় নমস্তে পঙ্কজাঘ্ৰয়ে
বাসুদেৱ-সুতং কৃষ্ণ কংস চানুৰ মৰ্দ্দনম।
দৈৱকী-হৃদয়ানন্দনং
কৃষ্ণ বন্দে জগত গুৰুম
হৰি ৰাম ৰাম ৰাম ।
মুকং কৰোতিতি বাচালং, পঙ্গ লঙ্গতে গিৰিম।
যৎকৃপা তমহং বন্দে পৰমানন্দ মাধৱম

পোন প্ৰথমতে মই আজি ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থনত থিয় দিছো। অসমৰ দৰে এখন ৰাজ্যৰ অৰ্থনৈতিক ভেটি সুস্থিৰ, নিয়ন্ত্ৰিত তথা শক্তিশালী নহ'লে আধুনিক কালত তিষ্ঠি থকাতো তেনেই কঠিন। সৌভাগ্যৰ কথা এয়ে যে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বত বিগত পাঁচ বছৰত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন GSDP প্ৰায় ১৬ শতাংশ বাৰ্ষিক চক্ৰবৃদ্ধি হাৰত বৃদ্ধি পাইছে। এনেদৰে গৈ থাকিলে ২০২৮-২৯ বৰ্ষৰ ভিতৰত অসম ১০ লাখ কোটি টকাৰ অৰ্থনীতিৰ ৰাজ্যলৈ ৰূপান্তৰিত হ'ব। একেদৰে বিগত কেইবছৰ মানত চলিত মূল্যত জনমূৰি আয় দুগুণতকৈ অধিক বৃদ্ধি পাইছে। ২০২১-২২ বৰ্ষৰ মূলধনী ব্যয় ১৩,৫০২ কোটি টকাৰ পৰা ২০২৫-২৬ বৰ্ষত ২৬,৫৩১ কোটি টকালৈ বৃদ্ধি পাইছে। অসমৰ অৰ্থনীতিত পূৰ্ব্বৰ সকলো অভিলেখ ভঙ্গ কৰি নিজা উৎসৰ পৰা পোৱা ৰাজহ ২০২১-২২ বিত্তীয় বৰ্ষৰ ২৩,১১৩ কোটি টকাৰ পৰা অকল্পনীয় ভাৱে বৃদ্ধি হৈ ২০২৫-২৬ বৰ্ষত ৩৯,২৯৪ কোটি লৈ বৃদ্ধি হৈছে। বিৰোধী পক্ষই সততে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক যিধৰণে সমালোচনা কৰে, তেখেত সকলৰ সমালোচনা বিলাক যে অৰ্থহীন সেই কথা প্ৰমাণ কৰে যে ৰাজ্যখনে ঋণ জমা

অনুপাত ৪৮ শতাংশৰ পৰা অকল্পনীয় ভাৱে ৭২ লৈ বৃদ্ধি হৈছে। বিত্তীয় দিশ তথা ৰাজ্যৰ অৰ্থনীতিৰ সৈতে জড়িত এই প্ৰকৃত তথ্যবোৰে এটা কথাই স্পষ্ট কৰে যে আমাৰ ৰাজ্যখনত বৰ্তমান বিত্তীয় ব্যৱস্থা কিমান উন্নত, সুশৃংঙ্খল আৰু সুস্থিৰ হৈ আছে। এনে সুশৃংঙ্খল আৰু সুস্থিৰ অৰ্থনীতি পৰিচালনা কৰাতো একমাত্ৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দৰে বিদগ্ধ দূৰদৰ্শী ৰাজনৈতিক নেতা তথা প্ৰশাসকৰ বাবেহে সম্ভৱ। মাননীয় অধ্যক্ষ মহোদয়, অলপ আগতে বিৰোধী দলৰ পৰা মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই বক্তব্য ৰাখিছিল  যে অসমত যথেষ্ঠ নিবনুৱা সমস্যা আছে। কিন্তু এই নিবনুৱা সমস্যাৰ আমাৰ বহু সন্মানীয় বিধায়কে কৈছে। যোৱা সময়চোৱাত নিবনুৱা সমস্যা প্ৰায় ডেৰ লাখ নিবনুৱাক ইতিমধ্যে সংস্থাপিত কৰিছে। কিন্তু বিৰোধীয়ে সমালোচনা কৰিব লাগে কাৰণে সমালোচনা কৰিছে। ডেৰ লাখ ইতিমধ্যে সংস্থাপিত হৈছে আৰু অহা পাঁচ বছৰত আৰু ২ লাখ নিবনুৱাক সংস্থাপিত কৰিব বুলি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই প্ৰতিশ্ৰুতি দিছে। ডেৰ লাখ-দুই লাখৰ লগত আগৰ দিন বিলাক কেনেকুৱা আছিল, আগৰ দিন বিলাক আছিল দালালৰ দিন। যিবিলাক দালালৰ যোগেদি চাকৰি দিছিল নিজৰ ঘৰৰ মাটি বিক্ৰী কৰি মানুহে চাকৰি ল'ব লগীয়া হৈছিল। দালালৰ ঘৰত গৈ গৈ পোৱা পইচাটোও ঘূৰাই পোৱা নাছিল। এতিয়া কেনেকুৱা এটা পৰিৱেশ। আমাৰ সমষ্টি ডিমৰীয়াৰ মালৈবাৰীত এটা এটা ঘৰত দুজনকৈ নিবনুৱা চাকৰি পাবলৈ সক্ষম হৈছে। CM AAA ৰ কথা আছে, CM AAA য়ে দি আত্মনিৰ্ভৰ হৈছে। মহিলাৰ কথা আছে। মহিলা সকল অৰ্থনৈতিক ভাৱে শক্তিশালী হৈছে। আজি যেতিয়া আমি মহিলা আত্ম সহায়ক গোট সমূহক দেখা পাওঁ, মহিলা আত্ম সহায়কৰ এটা এটা  গোটে, আমি বেছি দূৰলৈ নাযাওঁ আমি যদি হেঙেৰাবাৰীত থকা ডি চি অফিচলৈকে যদি যাওঁ তাত আপোনালোক এখন দোকান পাব। মাননীয় অধ্যক্ষ মহোদয়, তেখেত সকলে সময়ে সময়ে নিজৰ সময় ঠিক কৰি লৈছে। ৰাতিপুৱা যদি কোনোবা মহিলা আহে, দুপৰীয়া বেলেগ মহিলা আহে। তেখেত সকল আত্ম নিৰ্ভৰ হৈছে। এইয়া কিহৰ কাৰণে সম্ভৱ হৈছে, এইয়া সম্ভৱ হৈছে  মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত

বিশ্ব শৰ্মা ডাঙৰীয়াৰ দূৰদৰ্শী চিন্তাৰ বাবে। বিৰোধীয়ে কেৱল বিৰোধ কৰিব লাগে কাৰণে বিৰোধ কৰি থাকে। মাননীয় শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই যেতিয়া বিদেশৰ মূল্যবৃদ্ধিৰ এখন লিষ্ট দেখালে, আমাৰ মাননীয় বিধায়ক শ্ৰী জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াই কৈছে বিদেশৰ লগত তুলনা কৰিব নালাগে। তেখেত পিন্ধি থকা চচমাযোৰ বিদেশৰ হয় নো নহয় সেই কথাটো তেখেত ক'ব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মই আৰু বিশেষ কথা নকওঁ। মই মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ যি দূৰদৰ্শী চিন্তা, এই দূৰদৰ্শী চিন্তাই অসমখনক যে অহা পাঁচ বছৰত ভাৰতৰ পাঁচখন ৰাজ্যৰ ভিতৰত লৈ যাব পাৰিব তাৰ আমি অনুমান কৰো। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মই বিশেষ ধন্যবাদ দিলো। আপুনি ছয় মিনিটৰ আগতেই শেষ কৰিছে।

এতিয়া মাননীয় বিধায়ক শ্ৰী নৱ কুমাৰ দলে। আপোনাৰ সময় ৪ মিনিট।

**শ্ৰী নৱ কুমাৰ দলে, ঢকুৱাখানা** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মহামহিম ৰাজ্যপাল মহোদয়ে ষষ্ঠদশ অসম বিধানসভাৰ প্ৰথম অধিৱেশনৰ দ্বিতীয় দিনা প্ৰদান কৰা ভাষণক আদৰণি জনাই মই পবিত্ৰ সদনৰ মজিয়াত বক্তব্য দাঙি ধৰিবলৈ বিচাৰিছো। সৰ্বপ্ৰথমে মই অসমৰ সন্মানীয় জনগণলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো, যিসকলে গণতন্ত্ৰৰ মহান উৎসৱত অংশগ্ৰহণ কৰি পুনৰ এবাৰ উন্নয়ন আৰু সু-শাসনৰ পক্ষত ৰায়দান কৰিছে। অসমৰ ৰাইজে যি বিশাল আস্থা আৰু সমৰ্থনেৰে এই চৰকাৰক পুনৰ দায়িত্ব অৰ্পণ কৰিছে, সেয়া নিঃসন্দেহে উন্নয়নমুখী ৰাজনীতিৰ ওপৰত জনসাধাৰণৰ বিশ্বাসৰ এক স্পষ্ট প্ৰতিফলন। এই সুযোগতে মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু ষষ্ঠদশ অসম বিধানসভাৰ সকলো সন্মানীয় সদস্যলৈ আমাৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, মহামহিম ৰাজ্যপাল মহোদয়ে তেওঁৰ ভাষণত যি বিষয়সমূহ সুন্দৰভাৱে দাঙি ধৰিছে, সেয়া কেৱল চৰকাৰৰ বিগত দিনৰ

সাফল্যৰ বিৱৰণেই নহয়, বৰঞ্চ আগন্তুক দিনত এখন অধিক শক্তিশালী, আত্মনির্ভৰ, শান্তিপূর্ণ আৰু উন্নত অসম গঢ়াৰ এক সুদূৰপ্রসাৰী দৃষ্টিভংগী। ৰাজ্যপাল মহোদয়ৰ ভাষণত অসমৰ সামগ্রিক উন্নয়ন, শিক্ষা, স্বাস্থ্য, কৃষি, উদ্যোগ, যুৱ উন্নয়ন, মহিলা সবলীকৰণ, সংস্কৃতি সংৰক্ষণ, যোগাযোগ ব্যৱস্থা, বিনিয়োগ আৰু কল্যাণমূলক পদক্ষেপসমূহৰ বিস্তৃত প্রতিফলন ঘটিছে। যাৰ বাবে আমি মহামহিম ৰাজ্যপাল মহোদয়লৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মা ডাঙৰীয়াৰ দিকদর্শী নেতৃত্বত চৰকাৰখনৰ বিগত পাঁচ বছৰৰ কার্য্যকালত অসমে বিকাশৰ নতুন শিখৰ স্পর্শ কৰিবলৈ সক্ষম হৈছে। শিক্ষা, স্বাস্থ্য, যাতায়াত আৰু যোগাযোগ, উদ্যোগ, বাণিজ্য, নিয়োগ সৃষ্টি, দীর্ঘদিনীয়া বানপানী আৰু খহনীয়া সমস্যা সমাধান, আত্মনির্ভৰশীলতাৰ পৰিবেশ সৃষ্টি আদি সকলো ক্ষেত্রতে বর্তমানৰ চৰকাৰখনৰ কার্য্যকালত হোৱা অভূতপূর্ব উন্নয়নে আজি অসমক দেশৰ অন্যতম শ্রেষ্ঠ ৰাজ্যৰ শাৰীত স্থান দিয়াৰ সপোন বাস্তৱায়িত কৰিবলৈ আগবাঢ়িছে। অসমৰ উন্নয়নৰ এই নতুন দিগন্তৰ সূচনা কৰাত সন্মুখৰ পৰা নেতৃত্ব প্রদান কৰা আমাৰ সকলোৰে আদৰৰ মাননীয় মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মা ডাঙৰীয়ালৈ আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, বিগত সময়ছোৱাত প্রশাসনিক ব্যৱস্থাটোক ৰাইজৰ একেবাৰে কাষলৈ লৈ যোৱা, প্রশাসনিক দক্ষতা বৃদ্ধি আৰু প্রশাসনীয় কাম-কাজ নিয়াৰিকৈ পৰিচালনা কৰাৰ উদ্দেশ্যে মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ এক বলিষ্ঠ আৰু দূৰদর্শী সিদ্ধান্তৰ ফচল হৈছে সমজিলা গঠন। সমজিলা গঠনেৰে প্রশাসনিক সংস্কাৰক নতুন গতি প্রদান কৰা দেশৰ প্রথমখন ৰাজ্য হৈছে অসম। সমজিলা গঠনৰ ঐতিহাসিক পদক্ষেপে জনসাধাৰণৰ বাবে প্রশাসনিক কাম-কাজ সূচল কৰি তুলিছে। সমাজৰ শেষৰগৰাকী ব্যক্তিৰ কাষলৈও উন্নয়নৰ পোহৰ কঢ়িয়াই নিয়াৰ ক্ষেত্রত চৰকাৰৰ যি নীতি, সমজিলা

প্ৰতিষ্ঠাই সেই নীতিক এশ শতাংশই প্ৰতিফলিত কৰি ৰাজ্যখনৰ প্ৰতিটো অঞ্চলৰে সম উন্নয়নক নতুন গতি প্ৰদান কৰিছে আৰু লগতে এই কাৰ্য্যকালত সমজিলা সমূহৰ যিখিনি প্ৰশাসনিক আমাৰ Delimitation বিভাগীয় ভাৱে বা সীমা নিদ্ধাৰণৰ কৰ'বাত যদি থাকি গৈছে এইখিনি কাম ও নিশ্চয় এই পাঁচটা কাৰ্য্যকালত আৰম্ভণিতে সম্পূৰ্ণ কৰিব বুলি আমি আশা ৰাখিছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ আজি বিনিয়োগ, উন্নয়ন আৰু শান্তিৰ এক অধ্যায় ৰচনা হৈছে। আজিৰ শান্তিপূৰ্ণ পৰিবেশ উদ্দ্যোগ, পৰ্য্যটণ আৰু বিনিয়োগৰ লগতে কৰ্ম সংস্থাপনৰ বিশাল সম্ভাৱনাৰ দূৱাৰ মুকলি হৈছে। আৰু এই ইতিবাচক পৰিবৰ্তনৰ আৰত আছে দেশৰ প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডি ডাঙৰীয়াৰ দূৰদৰ্শীতা সদিচ্ছা আৰু মাননীয় কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ সদিচ্ছা আৰু লগতে মাননীয় মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ কঠোৰ পৰিশ্ৰম, সিদ্ধান্ত আৰু উন্নয়ন মুখী দৃষ্টি ভংগী। ধন্যবাদ

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী ৰিহন দৈমাৰী ডাঙৰীয়া, আপোনাৰ ১২ মিনিট সময় আছে।

**শ্ৰী ৰিহন দৈমাৰী, ওদালগুৰিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণক সমৰ্থন জনাই মই দু-আষাৰ মান বক্তব্য ৰাখিব বিচাৰিছো। অধ্যক্ষ ডাঙৰীয়া মই অলপ BTC ক কেন্দ্ৰ কৰি কথাবোৰ কম। আমাৰ BTC থকা কিছুমান সমস্যা মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। এইবাৰ যিহেতু আমি NDA চৰকাৰত আচো গতিকে চৰকাৰে কৰা যিকোনো কামকে আমি সমৰ্থন জনাই যাম। মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত যোৱা চৰকাৰ খনৰ দিনত যিবোৰ কাম কৰা হৈছিল তাৰ সৰ্বাংগীন উন্নয়নৰ প্ৰতিছবি দাঙি ধৰা হৈছে। আগন্তুক দিনত চৰকাৰ খনে কি কি কাম কৰিব তাৰ আভাস এটা দিছে। আমাৰ BTC অঞ্চলৰ সৰ্বাংগীন উন্নয়নৰ কাৰণে, আৰ্থ সামাজিক

উন্নয়নৰ কাৰণে, শিক্ষাৰ উন্নয়নৰ কাৰণে বিভিন্ন ধৰণৰ আঁচনি লোৱাৰ কথা তেখেতৰ ভাষণত উল্লেখ পোৱা গৈছে। মই সমগ্ৰ BTC ফালৰ পৰা মাননীয় মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। কাৰণ বহু প্ৰতিক্ষাৰ অন্তত আমাৰ ওদালগুৰিত এটা মিনি সচিবালয় চৰকাৰে প্ৰদান কৰিছে। যোৱা চৰকাৰৰ সময়ত মুখ্য মন্ত্ৰী ডাঙৰীয়াই এই সচিবালয়টোৰ আধাৰশিলা স্থাপন কৰিছিল। আমি আশা কৰিছো যে এই সচিবালয়টো অতি সোনকালে নিৰ্মাণ হ'ব আৰু আমাৰ যি প্ৰশাসনিক ব্যৱস্থা আছে সেইটো সুচল কৰিবলৈ আমি চৰকাৰক অনুৰোধ জনাইছো। গতিকে মই মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াক আকৌ এবাৰ ধন্যবাদ জনাইছো। আমাৰ BTC অঞ্চলত শিক্ষাৰ দিশত বহুত পিছপৰা হেতুকে আমিও বিচাৰো যে আমাৰ ল'ৰা-ছোৱালী বিলাকে শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাঁওক। বিগত চৰকাৰৰ শিক্ষা আৰু মুখ্য মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো কাৰণ আমাৰ BTC অঞ্চলৰ শিক্ষা অনুষ্ঠান বিলাকৰ আন্তঃগাঠনি তেওঁলোকে ইমান ধুনীয়াকৈ নিৰ্মাণ কৰিছে, ইমান ধুনীয়া শ্ৰেনী কোঠা দিছে সেইটো আমি শলাগ লবই লাগিব। মাননীয় অধ্যক্ষ ডাঙৰীয়া তাত যিবোৰ কলেজ আছে কিন্তু তাত যিমানবোৰ পদ থাকিব লগে বিভাগ অনুযায় কিন্তু সেইবোৰ আমি তাত দেখা নাই। গতিকে মই আশা কৰিম যে আমাৰ চৰকাৰ খনে এই ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব। মই যিহেতু ওদালগুৰি সমষ্টিৰ পৰা আহিছো আৰু ওদালগুৰি ক'লেজৰ কথা মই কৈছো। ওদালগুৰি কলেজৰ বৰ্ত্তমান ৩৬২০ জন ছাত্ৰ-ছাত্ৰী আছে কিন্তু ইয়াৰ বিপৰীতে বিভাগ সমূহত শিক্ষকৰ অভাৱ। কেইটামান বিভাগৰ কথা উল্লেখ কৰিব লৈছো অসমীয়া বিভাগত ৩ জন শিক্ষক আছে, ইংৰাজীত ২জন আছে, বড়ো ভাষাত ৪জন আছে, এডুকেশনত ২জন, বুৰঞ্জীত ২জন, দৰ্শণত ২জন, ৰাজনীতি বিজ্ঞানত ২জন মুঠতে তাত মাত্ৰ ২০ টা অনুমোদিত পদ আছে। গতিকে

এইখিনি শিক্ষকেৰে ৩৬২০ জন ছাত্ৰ –ছাত্ৰীক শিক্ষা দিয়াটো সম্ভৱ নহয় গতিকে তাত শিক্ষকৰ প্ৰয়োজন আছে। গতিকে মই বৰ্ত্তমানৰ চৰকাৰ খনক দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে আমাৰ এই ছাত্ৰ-ছাত্ৰী সকলৰ ভবিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি তাত যথেষ্ট পৰিমাণে পদ সৃষ্টি কৰিব লাগে। ইয়াৰোপৰি BTC সৃষ্টি হোৱাৰ আগতে আমাৰ BTC অঞ্চলৰ পৰিবেশটো কিছু বেয়া আছিল যাৰ বাবে তাত শিক্ষানুষ্ঠান আদিৰ অভাৱ আছিল। BTC হোৱাৰ পিছত যেতিয়া পৰিবেশ ভাল হ'ল তেতিয়া তাত শিক্ষানুষ্ঠান বিলাক গঢ় লৈ উঠিল। কিন্তু প্ৰচলিত চৰকাৰী কৰণৰ যিখন আইন ৰাজ্যে চৰকাৰৰ আছে, সেই আইনৰ আওতাত আমাৰ শিক্ষানুষ্ঠান বোৰ নাহিব। যাৰ বাবে শিক্ষানুষ্ঠান বোৰ চৰকাৰী কৰণ নহ'ল। গতিকে আমাৰ অঞ্চলত গুণগত শিক্ষা দিয়াৰ ক্ষেত্ৰত যথেষ্ঠ সমস্যা হৈছিল। আমাৰ বেচিভাগ শিক্ষানুষ্ঠানে ভেন্সাৰ। গতিকে ভেন্সাৰ স্কুলৰ শিক্ষক সকলে নিয়মিত ভাৱে নাহে যাৰ ফলত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে গুনগত শিক্ষা নাপায়। আমাৰ হাগ্ৰমা মহিলাৰীৰ নেতৃত্বত যেতিয়া BTC ত পৰিষদীয় চৰকাৰ হ'ল আৰু যি চৰকাৰৰ মই নিজেও সদস্য গতিকে আমি মাননীয় মুখ্য মন্ত্ৰীৰ লগত আলোচনা কৰিলো আৰু তেখেতে আমাক কলে যে ৰাজ্যখনৰ কাৰণে এতিয়া প্ৰাদেশীকিকৰণ কৰাটো সম্ভৱ নহয়, যদিও BTC অঞ্চলৰ বাবে আমি বিশেষ ভাৱে বিবেচনা কৰিব পাৰো তাৰ কাৰণে BTC এখন আইন প্ৰনয়ণ কৰি ৰাজ্য চৰকাৰৰ ওচৰত দাখিল কৰিবলৈ তেখেতে আমাক পৰামৰ্শ দিলে আৰু আমি সেই অনুযায় এখন আইন প্ৰনয়ন কৰি ৰাজ্য চৰকাৰক ইতিমধ্যে দাখিল কৰিছো যদিও ৰাজ্যপালৰ অনুমোদন পোৱা নাই। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ কৰিম যে অতি সোনকালে সেই আইন খন ৰাজ্যপালৰ অনুমোদন লৈ আমাৰ BTCক দিয়ে যাতে। ইয়াৰোপৰি BTC অঞ্চলত স্বাস্থ্য বিভাগত হস্পিটেল বিলাক আছে যদিও তাত যিখিনি ডাক্তৰৰ প্ৰয়োজন

সেইখিনৰ অভাৱ গতিকে চিকিৎসাৰ ক্ষেত্রত BTC বাসী ৰাইজে যথেষ্ট সমস্য সন্মূখীন হৈছে। আমাৰ জিলা চিকিৎসালয়বোৰত আন্তঃগাঠনি ভাল যদিও তাত কিন্তু ডাক্তৰৰ অভাৱ আছে আৰু বিশেষ ভাৱে ICU বোৰ অতি প্রয়োজন। আমাৰ ৬ খন জিলাৰ জিলা চিকিৎসালয় বোৰত ICU ৰ ব্যৱস্থা আছে যদিও সকলোবোৰ ICU কাৰ্য্যক্ষম হৈ উঠা নাই। গতিকে সেই ICU বোৰ কাৰ্য্যক্ষম কৰিবলৈ মই বিভাগীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো। আৰু এতিয়া বাৰিষাৰ দিন অহাৰ লগে লগে আমাৰ BTC অঞ্চল যিহেতু ভূটান আৰু অৰুণাচলৰ লগত লাগি আছে আৰু তাত মেলেৰীয়াৰ প্রকোপ বহুত বেছি। প্রতি বছৰে আমাৰ BTC অঞ্চল ত মেলেৰীয়া হয় আৰু বহুত মানুহৰ মৃত্যু হয়। যোৱা বিত্তীয় বৰ্ষতো ৯২৯ জন মেলেৰীয়া পজিটিভ পাইছিল, টিবি পজিটিভ পাইছিল প্রায় ৩০৭৬ জন। ইয়াৰ লগতে জাপানিজ এনকেফেলাইটিজ আমাৰ BTC অঞ্চল বহুত বেছি পৰিমাণে হয়। এতিয়া গৰমৰ দিন আহিল মেলেৰীয়া আৰম্ভ হৈছে। মোৰ সমষ্টিত মেলেৰীয়া বিভাগৰ লোক সকলে মোক মেলেৰীয়াৰ কেম্প কৰিব লাগে বুলি অনুৰোধ কৰিলে আৰু সেই মতে কেম্প কৰা হ'ল আৰু মোৰ উপস্থিতিতে দুটা মেলেৰীয়া পজিটিভ পোৱা গল। কিন্তু তেওঁলোকক চিকিৎসা কৰিবৰ কাৰণে যিখিনি ব্যৱস্থাৰ দৰকাৰ সেইখনি পৰ্য্যপ্ত পৰিমাণে নাই। গতিকে মই BTC অঞ্চলত এতিয়ালৈকে যি ৪০০ জন মেলেৰীয়া পজিটিভ পোৱা গৈছে, সেইটো অতি সোনকালে ৰোধ কৰাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো। ইয়াৰ উপৰিও BTC অঞ্চলৰ আন এটা প্রধান সমস্যা হ'ল বানপানী আৰু গৰাখহনীয়াৰ সমস্যা। অধ্যক্ষ ডাঙৰীয়া আপুনি জানে যে BTC অঞ্চল একেবাৰে ভূটানৰ কাষতে অবস্থিত অঞ্চল, ভূটানৰ পৰা বানপানী আহিলে তাৰ নদী বিলাকৰ যিটো সোঁত বা যি ধৰণে পানী বোৰ বাগৰি আহে, তাত অন্যান্য অঞ্চল বিলাকৰ দৰে নহয়। তাত যেতিয়া বানপানী আহিব, যেনেকুৱা ধৰণে গৰাখহনীয়া

হ'ব, গোটেই বাৰীৰ মাটি হওঁক, খেতিৰ মাটি হওঁক, সকলোবোৰ গৰাখহনীয়া লৈ যায়। আজি শ শ বিঘা মাটি তেনেকুৱা গৰাখহনীয়া হৈ চন পৰি আছে। গতিকে এই গৰাখহনীয়া বিলাকত যদি বৈজ্ঞানিক পদ্ধতিত মথাউৰি দিয়া নাযায়, তেতিয়া হ'লে আহি থকা দিনত আৰু ইয়াতকৈ বেছি ক্ষতি হ'ব পাৰে। মই আমাৰ বিগত চৰকাৰৰ বিভাগীয় মন্ত্ৰী পিযুষ হাজৰিকাক ধন্যবাদ জ্ঞাপন কৰিছো, তেখেতৰ নেতৃত্বত বহুত মথাউৰি দিয়া হ'ল আৰু মই আশা ৰাখিছো আহি থকা সময়তো আমাৰ চৰকাৰখনে বাকি যিখিনি মথাউৰি দিবলগীয়া আছে, সেইখিনি দিয়াৰ ব্যৱস্থা কৰিব, সেইটো মই আশা কৰিছো।

ইয়াৰ উপৰিও, মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তাত আৰু এটা সমস্যা আছে, আপুনি জানে, যিহেতু আপোনাৰ বি টি চি অঞ্চলৰ ওচৰতে সমষ্টি, আমাৰ তাত খোৱা পানীৰ বহুত ডাঙৰ সমস্যা। মই নিজেও ১০ টা বছৰ খোৱা পানী বিভাগৰ মন্ত্ৰী আছিলো। মই যেতিয়া প্ৰথম মন্ত্ৰী হৈছিলো, আমি তাতে শূণ্যৰ পৰা আৰম্ভ কৰিছিলো। আমাৰ বি টি চি অঞ্চলৰ ৰাইজে বিশেষকৈ ভূটান বোৰ্ডাৰ থকা ব্যক্তিসকলে ভূটানৰ পৰা খোৱা পানী আনিব লগীয়া হৈছিল। ভূটানত পাৰত তিনি চাৰিদিন থাকিব লগীয়া হৈছিল , বৰ্তমান থাকিব নালাগে। আমি দুৰত্বটো কমাই আনিছো। এতিয়াও আমাৰ তাত খোৱা পানীৰ খুব সমস্যা আছে। মই জল জীৱন মিছনৰ যোগেদি যেতিয়া অলপ সময় পাইছিলো, বহুত আঁচনি আমি দিলো। কিন্তু সেই আঁচনিবিলাক কিছুমান কাৰ্য্যক্ষম হৈ আছে, কিছুমান কাৰ্য্যক্ষম হৈ থকা নাই , কিছুমান বিকল হৈ আছে আৰু কিছুমান সম্পূৰ্ণ হোৱা নাই। তাত খৰালি মাহত বহুত ডাঙৰ সমস্যা হয় খোৱা পানীৰ কাৰণে। গতিকে য'ত য'ত আঁচনি বিকল হৈ আছে, তাত আঁচনি বিলাক কৰিব লাগিব। কাৰণ আমাৰ অঞ্চলৰ ৰাইজক যিহেতু আমি খোৱা পানী দিবই লাগিব। গতিকে মই আমাৰ চৰকাৰখনক অনুৰোধ কৰিম আহি থকা দিনত যিখিনি গুৰুত্বপূৰ্ণ

সমস্যা আছে, সেই সমস্যা বিলাকক অগ্ৰধিকাৰ দি সমাধান কৰিব সেইটো মই আশা কৰিছো। মই আৰু দীঘলীয়া বক্তব্য ৰাখিবলৈ বিচৰা নাই, মোৰ সতীৰ্থ বন্ধুসকলে বাকী থকা কথা বিলাক ক'ব। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**শ্ৰী অখিল গগৈ, বিধায়ক, শিৱসাগৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ পৰা এইখিনি কোনে নোট কৰি আছে। ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো আলোচনা চলি আছে, সেইটো নোট কোনে কৰি আছে, চাৰ।

**মাননীয় অধ্যক্ষ** ঃ ইয়াৰ কাৰণে প্ৰচিডিং আছে।

**শ্ৰী অখিল গগৈ, বিধায়ক, শিৱসাগৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জনা মতে এজন মন্ত্ৰীয়ে এইটো কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ নালাগে, আমাৰ system ত আছে নহয়।

**শ্ৰী অতুল বৰা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা system ত আছে। মাননীয় সদস্য গৰাকীয়ে এইটো চিন্তা কৰিব নালাগে।

**মাননীয় অধ্যক্ষ** ঃ মই সন্মানীয় সদস্য শ্ৰী ৰিহন দৈমাৰী ডাঙৰীয়াক ধন্যবাদ জনাইছোঁ। ১২ মিনিট সময়ৰ আগতে তেখেতৰ বক্তব্য সামৰণি মাৰিলে।

এতিয়া সন্মানীয় সদস্য শ্ৰী আফতাব উদ্দিন মোল্লা, তেখেতৰ ৪ মিনিট সময় দিয়া হৈছে।

**শ্ৰী আফতাব উদ্দিন মোল্লা, জলেশ্বৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২২ মে তাৰিখত এই পবিত্ৰ সদনত মহামহিম ৰাজ্যপাল মহোদয়ে প্ৰদান কৰা

ভাষণত, চৰকাৰী পক্ষৰ হৈ উত্থাপন কৰা ধন্যবাদ সূচক প্ৰস্তাৱৰ বিৰোধিতাৰে মই দুআষাৰ ক'ব বিচাৰিছো।

মহামহিম ৰাজ্যপাল মহোদয়ে পবিত্ৰ ঋকবেদৰ এক শব্দ শ্লোকৰ উদ্ধৃতি দিছে যে একে লগে আগবঢ়াওঁক, একে লগে কথা কওঁক , আপোনালোকৰ মঙ্গল, ঐক্য আৰু সম্প্ৰীতিৰে এক হৈ পৰক। এই মহান বাণীত আমি কোনেও বিৰোধিতা কৰাত দুসাহস কৰিব নোৱাৰো। পিছে মহামহিম ৰাজ্যপাল মহোদয়ে যিখন চৰকাৰৰ হকে এই মহান কথাখিনি কৈছে, এই চৰকাৰৰ মুৰব্বী, চৰকাৰী পক্ষৰ নেতা পালিনেতা সকলে যোৱা দিন বিলাকত একে লগে আগবঢ়া, মঙ্গল, ঐক্য আৰু সম্প্ৰীতিৰ ক্ষেত্ৰত কেনে ভূমিকা লৈছে, তাক অসমৰ প্ৰতিজন নাগৰিকে জানে । কল্যাণকালী ৰাজ্যখনত চৰকাৰৰ প্ৰধান কৰ্তব্য হ'ল নাগাৰিকৰ কল্যাণ সাধন। কিন্তু বৰ্তমানে অসমত সকলো সামগ্ৰী, বয় বস্তুৰ দাম মাত্ৰাধিক বৃদ্ধি হোৱাত নাগৰিকৰ জীৱন যাপন যথেষ্ট কষ্টকৰ হৈছে। দুখৰ কথা এই যে মহামহিম ৰাজ্যপাল গৰাকীৰ ভাষণত মূল্য বৃদ্ধিৰ ওপৰত এষাৰো বাক্য নক'লে। তাৰোপৰি নিত্য ব্যৱহাৰ্য্য সামগ্ৰী সৰবৰাহত বিভিন্ন চিণ্ডিকেটৰ বাবে অসমত সমান্তৰালবাদ অৰ্থনৈতিক ব্যৱস্থা প্ৰতিফলিত হৈ থকাৰ বাবে যে সকলো সামগ্ৰীৰ মুল্য বৃদ্ধি হৈছে, তাক ৰোধ কৰাৰ কোনো কথাই শুনা নগ'ল।

গৰাখহনীয়া গ্ৰস্ত উচ্ছেদিত হোৱা ভূমিহীন পৰিয়াল সমূহৰ পুনৰ সংস্থাপনৰ এটা জ্বলন্ত সমস্যা, যাৰ সমাধানৰ কোনো কথা শুনা নগ'ল। মহামহিম ৰাজ্যপাল মহোদয়ৰ ভাষণত জল জীৱন মিছনৰ অধীনত অসম্পূৰ্ণ হৈ থকা আঁচনিসমূহ কেতিয়া সম্পূৰ্ণ হ'ব, এই বিষয়েও একোৱেই কোৱা নহ'ল। যোৱা দহটা বছৰত অসমৰ ১২৬ টা সমষ্টিত চৰকাৰে আগবঢ়োৱা উন্নয়নমূলক

কাম-কাজত হোৱা ব্যাপক বৈষম্যতা দূৰীকৰণ বিষয়তো একো শুনিবলৈ নাপালোঁ।

যোৱা দহ বছৰত সমষ্টি ভিত্তিত ৰাস্তা-ঘাট নিৰ্মাণ, মথাউৰি নিৰ্মাণ, অৰুণোদয় হিতাধিকাৰী আৰু অন্যান্য আঁচনিৰ ৰূপায়ণৰ পৰ্যালোচনা কৰিলে এই বৈষম্য সকলোৱে গম পাব আৰু সংখ্যা লঘু সম্প্ৰদায়ৰ কল্যাণ আৰু উন্নয়ন বিভাগটোৰ যোৱা দহ বছৰত বছেৰেকীয়া পূজিঁৰ আৱণ্টন আৰু ব্যয়ৰ পৰ্যালোচনা কৰিলে দেখা যায় যে চৰকাৰে এই সম্প্ৰদায়ৰ প্ৰতি চৰম বৈষম্য কৰি আছে । ইয়াক ৰোধ কৰাৰ বাবে মহামহিম ৰাজ্যপাল মহোদয়ৰ ভাষণত একো শুনিবলৈ নাপালোঁ।

মই এইখিনিতে মোৰ সমষ্টিৰ আন এটা গুৰুত্বপূৰ্ণ সমস্যাৰ কথা ক'ব বিচাৰিছোঁ। আজি মোৰ জলেশ্বৰ সমষ্টিৰ পাগলাৰটেক মন্দিৰৰ পৰা খাওনখোৱা ৰামহৰি চহৰলৈ বিস্তৃত প্ৰায় এঘাৰ কিলোমিটাৰ অঞ্চলত হাজাৰ হাজাৰ বিঘা কৃষিভূমি নদীত জাহ গৈ আছে । হাজাৰ হাজাৰ মানুহৰ ঘৰ-বাৰী নদীত জাহ গৈছে । ইয়াৰ এটা স্থায়ী সমাধানৰ বাবে আমি আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ উৰুল ভিতা জলেশ্বৰ ফেৰিঘাট হৈ নিদানপুৰলৈ প্ৰায় চাৰি কিলোমিটাৰ । তাতো বহুত মানুহৰ ঘৰ-বাৰী আৰু সা-সম্পত্তি বিনষ্ট হৈ আছে। এই ক্ষেত্ৰতো মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাওঁ যাতে তাতো এক স্থায়ী সমাধান কৰিব পাৰে।

আমাৰ লক্ষ্মীপুৰৰ পৰা মাকৰীলৈ যোৱা গড়কাপ্তানি বিভাগৰ যিটো পথ আছে, সেই পথটোৰ অৱস্থা এতিয়া এনে হৈ পৰিছে যে তাত কোনো ধৰণৰ যাতায়তৰ সুবিধা নাই। এজন ৰোগীকো সুকলমে লৈ যাব নোৱাৰি। আমাৰ

লক্ষ্মীপুৰৰ পৰা খলিছাভিটা যোৱা পথটোৰো একেই অৱস্থা। জলেশ্বৰৰ পৰা লক্ষ্মীপুৰলৈ যোৱা মূল ঘাইপথটোৰ অৱস্থাও ঠিক তেনেকুৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমষ্টিখন সম্পূৰ্ণৰূপে কৃষিপ্ৰধান। তাত প্ৰায় ৯০-৯৫ শতাংশ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। গতিকে এই মানুহখিনিৰ কাৰণে কৃষিৰ জৰিয়তে আমাৰ সমষ্টিখন উন্নয়ন কৰিব লাগে । কিন্তু সেই উন্নয়নৰ বাবে প্ৰয়োজনীয় পানী যোগান আঁচনি, জলসিঞ্চন ব্যৱস্থা আদিৰ কোনো ব্যৱস্থা নাই । জলসিঞ্চনৰ যি ব্যৱস্থা আছে, সেয়াও আধৰুৱা হৈ আছে। এই ক্ষেত্ৰত মই আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ আৰু শেষত মই আমাৰ সমষ্টিত যি মডেল হস্পিতাল আছ, সেই হস্পিতালখনৰ অৱস্থা অতি শোচনীয়, কাৰণ তাত পৰ্যাপ্ত সংখ্যক ডাক্তৰ, নাৰ্ছ আৰু অন্যান্য স্বাস্থ্যকৰ্মী নাই। আমাৰ যিকোনো ৰোগীক চিকিৎসাৰ বাবে যাওঁত আহোতে বহুতো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। এই কথাখিনি কৈ মই ধন্যবাদসূচক মন্তব্যৰ বিৰোধীতাৰে মোৰ বক্তব্য সামৰণি মাৰিছোঁ। ধন্যবাদ। জয় আই অসম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী তুলিৰাম ৰংহাং।

**শ্ৰী তুলিৰাম ৰংহাং, ৰংখং ঃ** Respected Hon'ble Speaker Sir, thank you for giving me this opportunity. I also extend my respect to all the Hon'ble members present in this August House. I rise to support the Motion of Thanks to the Address of the Hon'ble Governor.

First of all, I am grateful to the Hon'ble Governor that he chooses to begin the Address, the blessings the newly elected members and acknowledging the all-round achievements of our visionary and great leader, Dr. Himanta Biswa Sarma, The political victory of the BJP under

the leadership of Hon'ble Prime Minister Narendra Modi and the rise of Dr. Himanta Biswa Sarma to this cognitive position of Chief Minister have truly been a blessing for the hill's people of Karbi Anglong and West Karbi Anglong.

অধ্যক্ষ মহোদয়, ওপৰোক্ত বক্তা সকলে আমাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত তেখেত সকলে নিজৰ নিজৰ মনৰ কথা গোটেইখিনি বিতংভাৱে বহলাই কৈছে । অধ্যক্ষ মহোদয়, মোৰ কাৰ্বিআংলং হিলছ হৈ ৰিপ্ৰেজেণ্ট কৰিছোঁ 6 schedule area হৈ , মইও মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত অন্তৰৰ পৰা মই সমৰ্থন কৰিছোঁ। অধ্যক্ষ মহোদয়, মই বিশেষ নকওঁ, এই পৱিত্ৰ সদনত আমাৰ কাৰ্বি আংলঙৰ বহুত দিনৰ সমস্যা আছে, প্ৰায় চল্লিছ বছৰৰ ৰাজনৈতিক সমস্যা আছে। সেই সমস্যা সমাধান কৰা স্বাৰ্থত অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে সেই সমস্যাবিলাক সমাধান কৰিব পাৰিম। আৰু সেই প্ৰস্তাৱটো অধ্যক্ষ মহোদয়, যে আপুনি যেতিয়া ৰাজ্যিক সভাপতি আছিলে, তেতিয়া বৰ্তমান ৰাজ্যিক সভাপতি দিলীপ শইকীয়া সাধাৰণ সম্পাদক আছিল। সেই সময়ত পিতাপুত্ৰি গেষ্ট হাউচত আমাক মাতি কাৰ্বি আংলং, ডিমাহাচাও, ৱেষ্ট কাৰ্বি আংলঙৰ জিলা আৰু গোট কাউন্সিলত আপুনি মাতি, সেইদিনা আমি আপোনাৰ নেতৃত্বত প্ৰস্তাৱ লৈছিলোঁ যে কাৰ্বি আংলঙৰ বহুত দিনৰ আন্দোলন কৰি আহিছে, সংগ্ৰাম কৰি আহিছে স্বায়ত্তশাসনৰ সমস্যাৰ বাবে, আৰ্টিকেল ২৪৪(এ) ইনপ্লিমেণ্টেশ্যনৰ সমস্যাৰ বাবে। সেই সমস্যাৰ সমাধানৰ স্বাৰ্থত আপুনি এটা প্ৰস্তাৱ লৈছিল যে কেন্দ্ৰ চৰকাৰলৈ পঠাব আৰু অসম ৰাজ্যিক তৰফৰ পৰা কোনো আপত্তি নাই বুলি সেই প্ৰস্তাৱটো গ্ৰহণ কৰা হৈছিল। অধ্যক্ষ মহোদয়, আজি আপুনি চাওক, কাৰ্বি আংলঙত যদি আপুনি চায়, যে স্বায়ত্তশাসনৰ আন্দোলনক আপোনালোকে ভুল ভাবিব নালাগে। এই স্বায়ত্তশাসন মানে পৃথক

ৰাজ্যৰ অৱস্থা নহয়। আমি অসমৰ বিভাজন নকৰোঁ। অসমৰ বৰ অসম কৰাৰ স্বাৰ্থত, কাৰ্বি আংলঙত, আপোনালোকে জানে যে চাৰিসীমা বহুত ডাঙৰ। Bigger than Goa, Sikkim and Tripura also. ইয়াৰ মুঠ মাটি প্ৰায় ১০,৪৩৪ sq.km অধিক ছাৰ l As per Constitution of India Article 244 A সেইটো আমি বিচাৰিছো । আৰু সেইটো সংগ্ৰাম কৰা সময় আমি কাৰ্বিআংলং আৰু ডিমাহাচাও ৰাইজে যে Militants group ৰ বহুতো যুৱক যুৱতীয়ে ওলাই আহিছে l In the name of the Autonomous State, in the banner of the Autonomous State. তেওঁলোকে বন্দুক ধৰিব লগীয়া হৈছে । প্ৰায় ৫০০ জনতকৈ অধিক যুৱক-যুৱতীয়ে এই পৃথিৱীৰ পৰা বিদায় লবলগীয়া হৈছিল । কিন্তু অধ্যক্ষ মহোদয়, সেইবিলাক পৰিয়ালক সেই কংগ্ৰেছৰ শাসনৰ আমোলত অধ্যক্ষ মহোদয়, এক পইচাও তেওঁলোকক দিয়া নাই। কিন্তু ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্ব লোৱাৰ পিছত প্ৰত্যেক জন শ্বহীদ পৰিয়ালক ৫ লাখ ৫ লাখ টকা দিছে  ৫০০ পৰিয়ালক । সেইটোৰ কাৰণে আমাৰ কাৰ্বিআংলং আৰু ডিমাহাচাওৰ ৰাইজক ধন্যবাদ দিছো। অধ্যক্ষ মহোদয়, সেই ১০ টা মিলিটেণ্ট গ্ৰুপৰ জন্ম হোৱাৰ একমাত্ৰ কাৰণটো হ'ল অটোনমাছ ষ্টেটৰ সমস্যাৰ সমাধান কৰাৰ স্বাৰ্থত । অধ্যক্ষ মহোদয়, কিন্তু এইবোৰ জন্ম হৈছিল কংগ্ৰেছৰ শাসনকালৰ আমোলত। কিন্তু কংগ্ৰেছ চৰকাৰৰ দিনত সেই সমস্যাবোৰ সমাধান কৰিবলৈ কোনো চৰকাৰে চিন্তা কৰা নাছিল। অধ্যক্ষ মহোদয়, কিন্তু সেই ১০ টা মিলিটেণ্ট গ্ৰুপচক অমিত শ্বাহ গৃহমন্ত্ৰীৰ সহায়ত ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া নেতৃত্ব লোৱাৰ পিছত ১০ টা সংগঠনৰ লগত আলাপ আলোচনা কৰি কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰৰ লগত আলাপ-আলোচনা তৈয়াৰ কৰি  শান্তি চুক্তি কৰা হৈছে। Memorandum settlement শান্তি চুক্তি কৰি এতিয়া কাৰ্বিআংলং আৰু ডিমাহাচাওৰ স্থায়ী শান্তি হৈছে । অধ্যক্ষ মহোদয়, আপোনাৰ নেতৃত্বতে ড০

হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰৰ দিনতে আমাৰ কাৰ্বিআংলং আৰু ডিমাহাচাওৰ সমস্যাটো সমধান কৰিব পাৰিব বুলি মই আশাবাদী। সন্মানীয় সদস্যসকল, আপোনালোকে সমৰ্থন কৰিব লাগিব। কাৰ্বি আংলঙৰ ইতিহাসত প্ৰথমবাৰৰ বাবে এই পৱিত্ৰ সদনত নিজৰ মাতৃভাষাক জীয়াই ৰখাৰ স্বাৰ্থত ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যি পদক্ষেপ লৈছে, যে ইয়াত বিধায়ক সকলে নিজৰ মাতৃভাষাত শপত লোৱাৰ সুবিধা দিছে, সেয়া আমাৰ জন জাতিসকলৰ বাবে এক গৌৰৱৰ বিষয় আৰু এই পবিত্ৰ সদনত এটা ইতিহাস। মই বেছি বহলাই নকওঁ, যে প্ৰবক্তা বক্তা ৰিহন দৈমাৰীয়ে যিটো তেখেতে যিটো 6th schedule area ৰ সমস্যা বোৰৰ কথা তেখেতে কৈছে সেই সমূহক মই সমৰ্থন কৰিছো আৰু সেই গোটেই খিনি সমস্যা সমধান কৰিব বুলি মই আশা ৰাখিছো, ধন্যবাদ অধ্যক্ষ মহোদয়।

**माननीय অধ্যক্ষ** :- ধন্যবাদ। এতিয়া মহেশ্বৰ ব্ৰহ্ম।

**শ্ৰীমনেশ্বৰ ব্ৰহ্ম (বাক্সা)** :- মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে এই বিধানসভাত দিয়া ভাষণৰ ওপৰত মই এই ভাষণটো সমৰ্থন জনাই দুইআষাৰ বক্তব্য ৰাখিবলৈ আগবাঢ়িছোঁ। আমাৰ যিটো ৰাজ্যপালৰ ভাষণ এই ভাষনত যোৱা দিনবোৰত ড০ হিমন্ত বিশ্ব শৰ্মা মহোদয়ে অসমৰ মুখ্যমন্ত্ৰী হিচাপে তেখেতৰ সবল নেতৃত্বত যিখিনি অসমৰ ৰাইজ তথা অসমৰ সৰ্বাংগীন উন্নয়নৰ বা বিকাশৰ ক্ষেত্ৰত সফলভাৱে যিখিনি কাম কাজ কৰি আহিলে সেইখিনি প্ৰতিফলিত হৈছে আৰু লগতে আগন্তুক দিনত বিজ্ঞান সন্মতভাৱে অসমৰ সৰ্বাংগীন উন্নয়নৰ ক্ষেত্ৰত তেনেকুৱা ধৰণৰ কাম কৰি যাবলৈ হাতত লৈছে। এইটো স্পষ্টকৈ প্ৰতিফলিত হৈছে। তাৰ বাবে মই মাননীয় গৱৰ্ণৰ মহোদয়ক আপোনাৰ জৰিয়তে মই ধন্যবাদ জনাইছোঁ আৰু সম্পূৰ্ণভাৱে এইটো মই সমৰ্থন

আগবঢ়াইছোঁ । মাননীয় অধ্যক্ষ মহোদয়, যোৱা দিনবোৰত যিখিনি আন্তঃগাঁঠনিৰ নিৰ্মাণ হৈছে আমাৰ ৰাস্তা পদূলিৰ ক্ষেত্ৰতে হওক, শিক্ষা অনুষ্ঠানৰ আন্তঃগাঁঠনিৰ ক্ষেত্ৰতে হওক তাৰ বাবে আমি ডক্টৰ হিমন্ত বিশ্ব শৰ্মা ছাৰক আমি ধন্যবাদ দিবই লাগিব। আমি দেখিছোঁ এই গুৱাহাটীখনৰ বহুতো যানজটৰ এটা সমস্যা আছিলে, আমি প্ৰায় গুৱাহাটীৰ পৰা ওলাবলৈকে জালুকবাৰি পাবলৈকে আমি দুই ঘণ্টা গাড়ীত বহিবলগীয়া হৈছিল। কিন্তু আজি গুৱাহাটীৰ চৌদিশে গুৱাহাটী চিটিৰ প্ৰায় ফ্লাই'ওভাৰবিলাক নিৰ্মাণ কৰিবলৈ সক্ষম হৈছে যাৰ কাৰণে আজি বহু যানজটৰ যিটো সমস্যা আছিল এইবিলাক আমাৰ কিছু হ'লেও দূৰ হৈছে। ব্ৰহ্মপুত্ৰৰ যিটো আমাৰ উত্তৰ গুৱাহাটীলৈকে যোৱা যিটো ফ্লাই'ওভাৰ অলপতেই যিটো মুকলি হ'ল ইয়াৰ পৰাও আমাৰ অসমৰ ৰাইজৰ যথেষ্ট উপকাৰ হৈছে আৰু আমি ধন্যবাদ দিছোঁ মুখ্যমন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে, যে তেখেতে অসমৰ সকলো জিলাতে তেনেকুৱা ধৰণৰ ডাঙৰ ডাঙৰ ৰাস্তা, ব্ৰীজ বনোৱাৰ লগতে আমাৰ বিটিচি অঞ্চলতো তেখেতে যথেষ্ট আমাক সহায় কৰিছে। আৰু সিদিনা আমাৰ বিটিচি চৰকাৰ গঠন হোৱাৰ পিছতে বিটিচি চৰকাৰৰ মূৰব্বী হাগ্ৰামা মহিলাৰী ডাঙৰীয়াৰ অনুৰোধৰ মৰ্মে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ গোৰেশ্বৰ যিটো ৰে'লৱে' ফ্লাইওভাৰ যিটো আমাৰ ওদালগুৰিৰ ৰে'লৱে' যিটো ক্ৰছিংৰ ওপৰত ফ্লাইওভাৰ, বেকি নদীৰ ওপৰত নতুন ব্ৰীজ আৰু কাৰিগাঁৱৰ পৰা কোকৰাঝাৰলৈকে যোৱা এটা ডাঙৰ ৰাস্তা ফ্লাইওভাৰ বহুতো ফ্লাইওভাৰ থকা এটা ৰাস্তা তেখেতে প্ৰদান কৰিছে, চেংচন দিছে। তাৰ বাবে আমি বিটিচি বাসীৰ হৈ আৰু মুখ্যমন্ত্ৰী মহোদয়ক আপোনাৰ যোগেদি ধন্যবাদ জ্ঞাপন কৰিছোঁ। আৰু আমি আশা ৰাখিছোঁ আগন্তুক দিনবোৰত তেখেতৰ নেতৃত্বত আমাৰ বিটিচিত উন্নয়ন হোৱাত সৰ্বাংগীন দিশত আগুৱাই যোৱাত তেখেতে আমাক

সহায় কৰিব বিটিচি চৰকাৰক সহায় কৰিব। আৰু তেখেতে বোৰডাৰ অঞ্চল বিলাককো যিটো উন্নয়নৰ কথা কৈছে আমাৰ বিটিচিৰ প্ৰায় বহুতো অঞ্চল ভূটান বোৰডাৰ ভূটান হিমালয় যিটো যিটো বোৰডাৰ ইয়াৰ লগত সংলগ্ন আৰু সেই অঞ্চল বিলাকটো যাতে ফেচিলিটিবিলাক বনাই পাব্লিকৰ ফেচিলিটি সা-সুবিধা জনসাধাৰণৰ চাব চেণ্টাৰ বা মেইন ৰোডত বোৰডাৰৰ পৰা আহিব পৰাকৈ ডাঙৰ ৰাস্তা Health sub-centre, drinking water facility বনোৱাৰ ক্ষেত্ৰত যাতে বিটিচি চৰকাৰক সহায় কৰে, তাৰ বাবে মই বিনম্ৰ অনুৰোধ জনাইছো। মই ধন্যবাদ জনাওঁ যে যোৱা দিনবোৰত ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত অসমৰ সৰু সৰু জাতি জনগোষ্ঠী সমূহৰ যি আবেগ অনুভূতি সেইখিনিক সন্মান দি তেখেতসকলে সৰ্ব্বাঙ্গীন দিশত যাতে আগুৱাই যাব পাৰে তাৰবাবে তেখেতে সহায় কৰিছে। ইয়াৰোপৰি বিহু, ঝুমুৰ নৃত্যৰ নিচিনাকৈ বাগুৰুম্বা নৃত্যকো তেখেতৰ নেতৃত্বত বিশ্ব দৰবাৰত চিনাকি হোৱাৰ এটা যি সুযোগ দিলে তাৰ বাবেও মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক আপোনাৰ যোগেৰে ধন্যবাদ জ্ঞাপন কৰিছো। ধন্যবাদ।

**माननीय अध्यक्षः** এতিয়া মাননীয় সদস্য শ্ৰী বিকাশ শইকীয়া ডাঙৰীয়া। আপোনাৰ সময় ৬ মিনিট।

**শ্ৰী বিকাশ শইকীয়া,টীয়কঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমবাৰৰ বাবে বিধান সভালৈ নিৰ্ব্বাচিত হৈ আহিছো। মোৰ

যথেষ্টখিনি কথা ইয়াত শিকিবলগীয়া আছে। এই ক্ষেত্ৰত যদি কিবা ভুল ভ্ৰান্তি হয় তেন্তে নিশ্চিতভাৱে আমাৰ অগ্ৰজসকলে শিকাব। মাননীয় অধ্যক্ষ মহোদয়, ষষ্ঠদশ অসম বিধান সভা অধিবেশনত মহামান্য ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত যিসমূহ কথা উল্লেখ কৰিলে তাৰ জৰিয়তে অসমৰ উন্নয়ণৰ এক বাস্তৱ ছবি প্ৰতিফলিত হৈছে। অসম এতিয়া উ্নয়নৰ জখলাত দোপদ-দোপে আগবাঢ়ি গৈ আছে। অধ্যক্ষ মহোদয়, ইয়াৰ বাবে আমি ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা

ডাঙৰী্য়াক নিশ্চিতভাৱে ধন্যবাদ জনাব লাগিব । অধ্যক্ষ মহোদয়, তেখেতসকলৰ সদিচ্ছাৰ বাবে অসমত আজি উন্নয়নৰ নতুন দিগন্তৰ সূচনা হৈছে । অসমৰ জন সাধাৰণৰ মাজত ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বৰ মিত্ৰজোঁটৰ চৰকাৰৰ প্ৰতি গভীৰ আস্থা আৰু বিশ্বাস বাঢ়ি গৈছে। এইবাৰৰ বিধানসভাৰ নিৰ্ব্বাচনেই তাৰ জলন্ত প্ৰমাণ। অসমৰ ৰাজনৈতিক ইতিহাসত ১০২ খন আসনত জয়েৰে NDA ই অসমত ইতিহাস সৃষ্টি কৰিলে।

অধ্যক্ষ মহদোয়, বিৰোধী পক্ষই আমাক সমালোচনা কৰিছে কিন্তু বিৰোধী পক্ষই শুনি বেয়া পাব নিৰ্ব্বাচনৰ ফলাফল ঘোষণাৰ পূৰ্বে তেখেতসকলে এখন কাল্পনিক চৰকাৰো গঠন কৰিলে, কিন্তু তেওঁলোকে বাস্তৱটো উপলব্ধি কৰিবলৈ নিশিকিলে। আমি বিশ্বাস কৰো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত উন্নয়নৰ এই ধাৰা অব্যাহত থাকিলে অচিৰেই দেশৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অসমো এখন হ'ব। মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ এক বাস্তৱ ছবি দাঙি ধৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আমি যদি চাওঁ ৰাস্তা ঘাটৰ উন্নয়নৰ দিশত অসম বহুদূৰ আগবাঢ়ি গৈ আছে। অসমমালা, RIDF,SOPD(G) আদি বিভিন্ন শিতানত অসমৰ পথসমূহৰ বহুখিনি কাম সম্পূৰ্ণ হৈছে আৰু বহুখিনিৰ নিৰ্মাণ কাৰ্য্য চলি আছে। খোৱাপানীৰ সমস্যা প্ৰায়েই সমাধান হৈছে।

অধ্যক্ষ মহোদয়, বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত জলসম্পদ বিভাগৰ অধীনত প্ৰায়সমূহ মথাউৰি, গৰাখহনীয়াৰ সমস্যা ইতিমধ্যে সমাধান হৈছে । অসমৰ বহু মথাউৰি road cum bandh হৈছে। এয়া নিশ্চিতভাৱে ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া চৰকাৰৰ এক বৃহৎ সাফল্য বুলি মই অনুভৱ কৰো।

অধ্যক্ষ মহোদয়, উদ্যোগীকৰণৰ ক্ষেত্ৰতো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ চৰকাৰখনে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে । এই ক্ষেত্ৰত আমি

জাগীৰোডত স্থাপন কৰা চেমি কণ্ডাক্টৰ কথা বিশেষভাৱে উল্লেখ কৰিব পাৰো। এই উদ্যোগৰ জৰিয়তে বহু অসমীয়া যুৱক-যুৱতী সংস্থাপিত হোৱাই নহয় অন্যান্য বিভিন্ন ধৰণেও পৰোক্ষভাৱে অসমীয়া যুৱক-যুৱতী সংস্থাপিত হ'ব।

অধ্যক্ষ মহোদয়, কৃষি খণ্ডতো ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰখনে আমূল পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে। দুখীয়া কৃষকসকল উপকৃত হ'ব পৰাকৈ ৰেহাই মূল্যত পাৱাৰ টিলাৰ, ট্ৰেক্টৰকে ধৰি কৃষিজাত সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত ব্যৱহৃত অন্যান্য যিসমূহ সামগ্ৰীৰ প্ৰয়োজন আছে, সেই সামগ্ৰীসমূহ ৰেহাই মূল্যত, সুলভ মূল্যত যোগান ধৰাৰ প্ৰয়াস কৰিছে আৰু আশা কৰো অনাগত দিনতো কৰি গৈ থাকিব।

অধ্যক্ষ মহোদয়, নিযুক্তিৰ ক্ষেত্ৰত ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া চৰকাৰে আজি অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হৈছে৷ মেধাৰ ভিত্তিত আৰু স্বচ্ছতাৰ ভিত্তিত হোৱা নিযুক্তিয়ে অসমৰ জনসাধাৰণৰ মাজত বৰ্তমানৰ চৰকাৰখনৰ ভাৱমূৰ্ত্তী বহু ওপৰত লৈ গৈছে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰী মহোদয় নিশ্চিতভাৱে ধন্যবাদৰ পাত্ৰ। যাৰফলত শিক্ষাৰ্থী সকলৰ মাজত অধ্যয়ণৰ স্পৃহা বাঢ়ি গৈছে আৰু নিযুক্তি সম্পৰ্কীয় বিভিন্ন পৰীক্ষা সমূহ দিবলৈ যুৱচাম আগবাঢ়ি আহিছে। আমি সকলোৱে জানো যে এন ডি এ চৰকাৰ নেতৃত্বত অহাৰ পূৰ্বে আগৰ চৰকাৰৰ সময়ত নিযুক্তিৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সমূহে প্ৰতিযোগিতামূলক পৰীক্ষা সমূহত অৱতীৰ্ণ হোৱাত বৃহৎ পৰিমাণৰ ধনৰ লেনদেন কৰি নিযুক্তি ল'বলগা হৈছিল। কিন্তু ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত যেতিয়া এন ডি এ চৰকাৰ অসমত আহিল তাৰ পিছৰ পৰাই নিযুক্তি সম্পৰ্কীয় কেলেঙ্কাৰী সমূহ নাইকীয়া হৈ গৈ আছে।

অধ্যক্ষ মহোদয়, সকলোৱে জানি ভাল পাব যে আমাৰ কণ-কণ শিশু সকলক প্ৰাক প্ৰাথমিক শিক্ষা দিয়াৰ বাবে প্ৰাথমিক পৰ্য্যায়তে তেওঁলোকৰ

মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে আদৰ্শ অঙ্গনবাড়ী চেন্টাৰ স্থাপন কৰা হৈছে। যাৰ জৰিয়তে আমাৰ ছাত্ৰ-ছাত্ৰী সকলক প্ৰাৰম্ভিক পৰ্য্যায়তে শক্তি প্ৰদান কৰা হৈছে আৰু অভিভাৱকসকলেও নিজৰ সন্তান সমূহক শিক্ষিত কৰি তুলিবলৈ বিশেষকৈ দুখীয়া ছাত্ৰ-ছাত্ৰী সকলো যথেষ্ট উপকৃত হৈছে। ধন্যবাদ।

**माननीय অধ্যক্ষঃ** এতিয়া শ্ৰী আবুল কালাম ৰচিদ আলম। আপোনাৰ সময় তিনি মিনিট।

**শ্ৰী আবুল কালাম ৰচিদ আলম, পুব গোৱালপাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ সমৰ্থনৰ বিৰোধীতা কৰি অসমৰ কিছু জলন্ত সমস্যাৰ বিষয়ে মই উণ্থাপন কৰিবলৈ চেষ্টা কৰিম। তাৰ আগতে আমাৰ সদস্য পীযুস হাজৰিকা ডাঙৰীয়াই এষাৰ কথা কৈছে যে ইয়াত বিৰোধী দলৰ সংখ্যা কমি গৈছে। কিন্তু উপায়তো নাই। এয়া EVM ৰ সিদ্ধান্ত,যিটো আমি মানিবই লাগিব। নিৰ্ব্বাচনী আয়োগৰ এটা প্ৰক্ৰিয়া সেইটো আমি মানিবই লাগিব ---interruption----শুনা পাইছেনে কি কৈছো ? বুজি পাইছেনে কি কৈছো ? ------interruption----EVM ৰ সিদ্ধান্ত, নিৰ্ব্বাচনী আয়োগৰ প্ৰক্ৰিয়া ---interruption—

**শ্ৰী মানব ডেকা, লক্ষীমপুৰঃ** আপুনি কেনেকৈ জিকিলে ? ---interruption .......

**শ্ৰী তুলিৰাম ৰংহাং,ৰংখাং-** আপুনি মিঞা ভোটত জিকিলে। মিঞা EVM নহয় নেকি ? ------interruption----

**শ্ৰী আবুল কালাম ৰচিদ আলম, পুব গোৱালপাৰাঃ** অসমত ২ লাখ কোটি টকাৰ লোনৰ কথা কৈছে ---interruption....

**মাননীয় অধ্যক্ষঃ** EVM ৰ সিদ্ধান্ত মানে জনাদেশ---interruption .....

**শ্ৰীমানৱ ডেকা, লক্ষীমপুৰঃ** EVM আৰু মিঞা একেটাই বস্তু ---interruption ....

**শ্ৰী আবুল কালাম ৰচিদ আলম, পুৱ গোৱালপাৰাঃ** পাঞ্জাৱত ৪ লাখ কোটি টকাৰ কথা, তামিলনাডুত ৮ লাখ কোটি টকাৰ কথা কোৱা হৈছে। বিভিন্ন ৰাজ্যৰ ---interruption—

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** অধ্যক্ষ মহোদয়,মানৱ ডেকাৰ গাত কিয় লাগিছে ? ---interruption—

**শ্ৰী আবুল কালাম ৰচিদ আলম, পুৱ গোৱালপাৰাঃ** অধ্যক্ষ মহোদয়, এইটো অসমৰ ৰাইজৰ সিদ্ধান্ত।---interruption—মোৰ সময় গৈ আছে, গতিকে মোক এই সময়খিনি কিন্তু বেছিকৈ দিব লাগিব । ---interruption—সন্মানীয় বিধায়কসকলে মোৰ ভাষা বুজি পোৱা নাই। নিৰ্ব্বাচনী প্ৰক্ৰিয়া আৰু সিদ্ধান্তৰ ফলত মই নিৰ্ব্বাচিত হৈ আহিছো ---interruption--

**মাননীয় অধ্যক্ষঃ** Please আপোনালোক বহক। তেওঁৰ intention টো হ'ল যে EVM ৰ সিদ্ধান্ত মানে জনাদেশৰ সিদ্ধান্ত, ৰাইজৰ সিদ্ধান্ত, সেইটোৱে।

**শ্ৰী আবুল কালাম ৰচিদ আলম (পূৱ গোৱাল পাৰা** )ঃ মাননীয় অধ্যক্ষ মহোদয়,লোণৰ কথা কৈছে আমাৰ অসমত ২ লাখ কোটি টকা। বিভিন্ন ৰাজ্যত আমাৰ অসমতকৈ কম। ২০১৬ চনত মাত্ৰ ১০ হাজাৰ কোটি টকা লোণ হোৱাৰ কাৰণে এই সদনত কেনেকুৱা পৰিৱেশ কৰিছিল? সেইখিনি কথা কিন্তু আমাৰ পিযুষ হাজৰিকা ডাঙৰীয়াই নকলে । লোণ লৈছে ঠিকে আছে, এই লোণটো কেনেকৈ মাৰিব , আমাৰ ৰেভিনিউ কেনেকৈ বঢ়াব, সেই লোণটো কেনেকৈ মাৰিব সেই কথাটো আমাৰ ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। আমি ৰেভিনিউ বঢ়াব লগিব, লোণ মাৰিব লাগিব। স্পষ্ট ভাষাত কৈছো যদি অসমত চিণ্ডিকেট নকমে কেতিয়াও ৰাজহুৱা আয় অসমত বৃদ্ধি নহয়। ছিণ্ডিকেট কমাব লাগিব, যেতিয়া ছিণ্ডিকেট কমিব তেতিয়াই আমাৰ ৰেভিনিউ বাঢ়িব আৰু আমি লোণ

মাৰিব পাৰিম। অধ্যক্ষ মহোদয়, অসমত গড়াখহনীয়াৰ সমস্যাটো এটা বৃহৎ সমস্যা। আমাৰ গোৱালপাৰা টাউন গড়াখহনীয়াৰ ভাবুকিত আছে। কিছু কাম কৰিছে আৰু কিছু কাম বাকী আছে। বলদমাৰী চৰৰ চাৰে চাৰি কিঃ মিঃ ৰ কাম আৰম্ভ হ'ব আৰু প্ৰায় ডেৰ কিঃ মিঃ ৰ কাম বাকী আছে। গোটেই কাম শেষ হ'ব, ১০০ কোটি টকাৰ কাম। কিন্তু এই ডেৰ কিঃ মিঃ ৰ কাম নকৰে তেতিয়া এই ১০০ কোটি টকাৰ কাম ব্ৰহ্মপুত্ৰ ৰ মাজত গুছি যাব। গতিকে এই ডেৰ কিঃ মিঃ ৰ ব্যৱস্থা কৰিব। গোৱালপাৰা টাউনৰ আৰু এটা কাম হলৌগণ্ডা পাহাৰৰ পৰা পঞ্চদন্ত পাহাৰ, ইয়াত কিছু temporary protection ৰ কাম কৰা হৈছে। গতিকে মই অৱগত কৰিম যাতে permanent protection ব্যৱস্থা কৰা হয়। গোৱালপাৰাত ফৰেষ্ট ক্লিয়াৰ কৰিব কোৱা হৈছে। চৰকাৰে সদিচ্ছা প্ৰকাশ কৰি আছে, আমি তাক বিৰোধ কৰা নাই , হাইকোৰ্টৰ অৰ্ডাৰ ফ'ল কৰি আছে, আমি তাৰ বিৰোধ কৰা নাই। মুখ্যমন্ত্ৰী ডাঙৰীয়াইয়ো মোক সেইদিনা কৈছে, এই ক্ষেত্ৰত সহায় কৰিব লাগে মই কথা দিছো মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই সহায় কৰিম। তাৰ কিছু ব্যৱস্থা মোক কৰি দিব লাগিব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে হয় ব্যৱস্থা কৰি দিম। আমাৰ চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়া ইয়াতে উপস্থিত আছে, ধুনীয়াকৈ গৈ সকলো ৰেঞ্জাৰ, চাৰ্কোল অফিচাৰ, ডি এফ অ, ডি চি, এডিচি, ৰেভিনিউৰ লগত ৪ ঘন্টা মিটিং কৰিছে। তাৰ এটা সু-ব্যৱস্থাৰ চেষ্টা কৰিছে। গতিকে মই অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিছো যিটো চিষ্টেম, যিটো চলি আছিল সেইটো যেন চলি থাকে, নিশ্চয় আমাৰ যিখিনি হাতী মানুহৰ সংঘাট, যিখিনি ফ'ৰেষ্ট নিশ্চয় ক্লিয়াৰ হৈ আহিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, এতিয়া ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, (সোনাৰী )** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় ৰাজ্যপাল শ্ৰী লক্ষ্মণ প্ৰসাদ আচাৰ্য ডাঙৰীয়াই ষষ্ঠদশ অসম বিধান সভাৰ প্ৰথম অধিবেশনত আগবঢ়োৱা ভাষণৰ ওপৰত মই ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থনত মই দুআষাৰ ক'ব বিচাৰিছো। সৰ্বপ্ৰথমে ৰাজ্যপাল মহোদয়লৈ আন্তৰিক

কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । তেখেতৰ চৰকাৰৰ উন্নয়নমূলক দৃষ্টিভংগী, জনকল্যাণমূলক আঁচনি আৰু আন্তঃগাঠনি, কৰ্মপন্থা সুস্পষ্টভাৱে সদনৰ আগত দাঙি ধৰিছে। এই ভাষণে অসমৰ সামগ্ৰিক বিকাশ আৰু বাস্তৱমুখী ছবি ডাঙি ধৰিছে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সুদক্ষ নেতৃত্বত অসম আজি উন্নয়নৰ অনুৰুদ্ধ গতি, সুশাসন আৰু আত্মনিৰ্ভৰশীলতাৰ এক নতুন স্তৰত উপনীত হৈছে। ৰাজ্যপাল মহোদয়ৰ ভাষণত সেই কথা স্পষ্ট প্ৰতিফলন দেখা গৈছে। চৰকাৰে ডিজিটেল শাসন ব্যৱস্থা অধিক শক্তিশালী কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ, স্বচ্ছ প্ৰশাসনিক ব্যৱস্থা আৰু প্ৰযুক্তিনিৰ্ভৰ জনসেৱাই আজিৰ অসমক আধুনিক শাসনৰ এক আদৰ্শ ৰাজ্য হিচাপে গঢ়ি তুলিছে। চৰকাৰৰ এই প্ৰচেষ্টাই নাগৰিকৰ সময় ৰাহি কৰাৰ লগতে দায়বদ্ধতা আৰু স্বচ্ছতা বৃদ্ধি কৰিছে। লগতে অসম চুক্তিৰ দফাসমূহ ৰূপায়ণ, খিলঞ্জীয়া জনগোষ্ঠীৰ অধিকাৰ সংৰক্ষণ, ভাষা-সংস্কৃতিৰ বিকাশ আৰু ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰতো চৰকাৰে আন্তৰিকতাৰে কাম কৰি আছে। অসমৰ ঐতিহ্য, সাহিত্য, সংগীত, ক্ৰীড়া আৰু পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহে ৰাজ্যখনৰ গৌৰৱ বৃদ্ধি কৰিছে। অধ্যক্ষ মহোদয়, হস্ততাঁত, ৰেচম শিল্প, চাহ উদ্যোগ, কৃষি, ক্ষুদ্ৰ উদ্যোগ আৰু আত্মনিৰ্ভৰ গাঁৱৰ বিকাশৰ ক্ষেত্ৰতো চৰকাৰে সুদূৰপ্ৰসাৰী পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ফলত বহু যুৱক-যুৱতীয়ে আত্মনিয়োগৰ সুযোগ লাভ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, চাহ জনগোষ্ঠীৰ সামগ্ৰীক কল্যাণ, পাহাৰীয়া অঞ্চল, বৰাক, ব্ৰহ্মপুত্ৰ উপত্যকা সামৰি সমাজৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে যি সমন্বিত দৃষ্টিভংগী লৈ কাম কৰিছে, সেয়া বিশেষভাৱে উল্লেখযোগ্য। সমাজৰ প্ৰতিটো শ্ৰেণীৰ কল্যাণ নিশ্চিত কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে সদায় দায়বদ্ধতাৰে কাম কৰিছে তাক সুন্দৰ কৈ প্ৰকাশ পাইছে আমাৰ ৰাজ্যপাল মহোদয়ৰ ভাষণত । স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰতো অসমে অভূতপূৰ্ব অগ্ৰগতি লাভ কৰিছে। নতুন চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয় স্থাপন, উন্নত স্বাস্থ্যসেৱা, বিদ্যালয় আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত

বিস্তৃত আন্তঃগাঁথনি গঢ়ি তোলাৰ জৰিয়তে চৰকাৰে আগন্তুক প্ৰজন্মৰ ভৱিষ্যৎ অধিক শক্তিশালী কৰি তুলিছে। আইন-শৃংখলা ৰক্ষা আৰু শান্তিপূৰ্ণ পৰিবেশ নিশ্চিত কৰাৰ ক্ষেত্ৰতো চৰকাৰ সফল হৈছে। আজি অসম এখন শান্ত, স্থিতিশীল আৰু বিনিয়োগৰ অনুকূল ৰাজ্য হিচাপে দেশজুৰি স্বীকৃতি লাভ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণত "সকলোৰে উন্নতি, সকলোৰে কল্যাণৰ যি দৰ্শন প্ৰতিফলিত হৈছে, সেয়াই এই চৰকাৰৰ মূল শক্তি। গতিকে আজি অধ্যক্ষ মহোদয়ক মই বিশেষ ভাৱে ধন্যবাদ দিছো আজি এইখিনি কথা ক'বলৈ সুযোগ দিয়াৰ বাবে আৰু মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ সমৰ্থনত দুআষাৰ ক'বলৈ দিয়াৰ বাবে । ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া জয়প্ৰকাশ দাস।

**ড০ জয় প্ৰকাশ দাস, ( নাওঁবৈচা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, শংকৰদেৱ মাধৱদেৱৰ কথায়ে কোৱা হৈছে, ভাষণত উল্লেখ কৰা হৈছে উদাৰতা, মানৱতাৰ কথা । মাননীয় অধ্যক্ষ মহোদয়, শংকৰগুৰুৰ বানীৰ দ্বাৰা শেষ কৰিছে । ৰাজ্যপাল ডাঙৰীয়াই ক'ব বিচাৰিছে সকলোৰে মংগল সকলোৰে উন্নতি। কিন্তু অধ্যক্ষ মহোদয়, আজি অসমত কি চলিছে ? আজি সকলোৰে উন্নতি হৈছে নে ? আজি অসমৰ সকলোৰে মংগল হৈছে নে ? আজি সকলোকে যি শঙ্কৰগুৰুৰ আৰ্দশ , জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে একতাৰ দোলেৰে বন্ধাৰ কথা কোৱা হৈছে, সেই কথাটো হৈছে নে ? আজি আমি বিধান সভাতে প্ৰত্যক্ষ কৰিবলৈ পালো আজিও আমাৰ মাননীয় সদস্য সকলে জাতিগত কথা কৈছে। আজিও ভাগ ভাগ কৰাৰ কথা কৈছে ৰাজ্যপাল ডাঙৰীয়াই আমাক যি কথা কৈ গ'ল সেই কথাটো আজি আচলতে অসমত প্ৰতিষ্ঠা হৈছে নে ? সেই কাৰণে অধ্যক্ষ মহোদয়, মই ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ বিৰোধিতা কৰিয়েই আৰম্ভ কৰিব খুজিছো । অধ্যক্ষ মহোদয়, আজি যদি ড০ বি আৰ আম্বেদকাৰ আৰু ড০ ভূপেন হাজৰিকা জীয়াই থাকিলে হয়, তেতিয়া হ'লে নিশ্চিত ভাৱে আজি তেখেত

সকলে হুকহুকাই কান্দিলেহেতেন। অধ্যক্ষ মহোদয়, মই কিয় এইষাৰ কথা কৈছো ? মই এই কাৰণেই কৈছো যি জন বি আৰ আম্বেদকাৰ, যি জন ড০ ভূপেন হাজৰিকাই যিটো জাতিক প্ৰতিনিধিত্ত কৰিছিল, যিটো জাতিক প্ৰতিনিধিত্ত কৰিছিল schedule caste জাতি। যিটো জাতিক পিযুষ হাজৰিকাই প্ৰতিনিধিত্ত কৰে ,. যিটো জাতিৰ অসমৰ ৯ জন বিধায়কে প্ৰতিনিধিত্ত কৰে , যিটো জাতি অসমৰ ২২ লাখ মানুহে প্ৰতিনিধিত্ত কৰিছে, সেই জাতি বিশেষে কি এটা শব্দও মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ নাথাকিল। এইটো খুব দুখৰ কথা অধ্যক্ষ মহোদয়। এটা জাতিক এনেদৰে প্ৰতাড়না কৰাটো আমি কেতিয়াও মানি ল'ব নোৱাৰো। কাৰণ মই যিমান দুৰ জানো মহামহিম ৰাজ্যপাল ডাঙৰীয়াইও সেই জাতিটোকে প্ৰতিনিধিত্ত কৰিছে। যেতিয়া গম পালো যোৱা ৫ বছৰে কোনো ধৰণৰ বাজেটতে এই জাতিটোৰ বিষয়ে উল্লেখ কৰা হোৱা নাই, সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, ক'ত সকলোৰে কাৰণে কাম, ক'ত সকলোৰে কাৰণে উন্নতি ? অধ্যক্ষ মহোদয়, অৰ্থনীতিৰ কথা কোৱা হৈছে, আমাৰ পিযুষ হাজৰিকা ডাঙৰীয়াই খুব ভালধৰণে কৈছে যে তেওঁলোকে ২ লাখ কোটি টকা লোণ লৈছে। খুব গৰ্বেৰে কথাটো কৈছে। কিন্তু মোৰ মনত পৰে ২০১৬ চনলৈ যেতিয়া হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়া বিত্ত মন্ত্ৰী হিচাবে এই সদনতে বকতৃতা ৰাখিছিল তেতিয়া তৰুণ গগৈ ডাঙৰীয়াক তেখেতে সমালোচনা কৰিছিল আৰু কৈছিল যে তৰুণ গগৈ ডাঙৰীয়াই ১০ হাজাৰ কোটি টকা লোণ লৈ অসমৰ জাতিটোক পিছুৱাই থৈ গৈছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, পিযুষ হাজৰিকা ডাঙৰীয়াৰ ভাষণত আমি শুনিলো । তেওঁ বানপানী গৰাখহনীয়াৰ কথা কৈছে, তেওঁলোকৰ ভিজন ডকুমেন্টত কোৱা হৈছিল বানমুক্ত অসমৰ কথা। মাননীয় অধ্যক্ষ মহোদয়, বানমুক্তৰ কথাটো বাদেই দিয়ক, গৰাখহনীয়া যিটো সমষ্টিত ড° ভূপেন হাজৰিকাই প্ৰতিনিধিত্ব কৰিছিল এতিয়াও আপোনালোকে যাওঁক পূৱ টেৰাই

গুণাসূতি, পশ্চিম টেৰাই  আদি ৰাইজে এতিয়াও শ শ হাজাৰ হাজাৰ মাটি বানপানী গৰাখহনীয়াই লৈ গৈছে । কোনো ধৰণৰ পদক্ষেপ নাই । যেতিয়া মথাউৰি ভাঙিলে পিযুষ হাজৰিকা ডাঙৰীয়া গ'ল, মানৱ ডেকা ডাঙৰীয়া গ'ল, মথাউৰি বনাই দিম বুলি ক'লে, ক্ষতিপূৰণ দিম বুলি ক'লে কোনো ধৰণৰ কিন্তু ক্ষতিপূৰণৰ ব্যৱস্থা নকৰিলে। মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তা-পথ উন্নয়নৰ কথা কোৱা হৈছে..................... হুলস্থুল................

**মাননীয় অধ্যক্ষঃ** মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ৰিপ্লাইত তেখেতে যাৰ যাৰ কথাত ভুল তথ্য থাকে মুখ্যমন্ত্ৰীয়ে ৰিপ্লাইত ক'ব।

**ড° জয় প্ৰকাশ দাস, নাওবৈচাঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাস্তা-পথৰ উন্নয়নৰ কথা কোৱা হৈছে । ঐতিহ্যমণ্ডিত নাওঁবৈচা সমষ্টি, যিটো সমষ্টিত ড° ভূপেন হাজৰিকা দেৱে প্ৰতিনিধিত্ব কৰিছিল, সেই সমষ্টিলৈ যাওঁক, পূৱ টেৰাই গুণাসূতি, সোণাপুৰ , বি এম পি পশ্চিম টেৰাই পাৱ পানীঘাট কি ধৰণৰ ৰাস্তা-পথত মাছ পুহিব পৰা অৱস্থা। ঐতিহ্যমণ্ডিত কে বি ৰোড মানে কমলাবাৰী ৰোড, যিটো ৰোড বৃটিছে আৰম্ভ কৰিছিল, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ২০ বাৰ সেই ৰাস্তাৰে গ'ল যিটো পথৰ যোগেদি কমলাবাৰী সত্ৰ সংযোগ কৰিব পৰা যায় । ঐতিহ্যমণ্ডিত মাজুলী সংযোগ কৰা হয়। সেই পথটোৰ কিন্তু অৱস্থা নাইকীয়া হৈ আছে। অধ্যক্ষ মহোদয়, উন্নয়নৰ কথা কোৱা হৈছে আন্তঃগাঁঠনিৰ কথা কোৱা হৈছে কিন্তু আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গ ডাঙৰীয়াৰ যিখন জুবিন ক্ষেত্ৰ সেই ক্ষেত্ৰখন কিন্তু আজিও চৰকাৰে আটকধুনীয়া কৰিব পৰা নাই। য'ত ৩ মাহত ফ্লাই অভাৰ বনাব পাৰে, কিয় ৮ মাহ লাগিছে আটকধুনীয়া মানদণ্ডৰ কৰিবৰ কাৰণে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া শ্ৰী মহেশ্বৰ বড়ো।

**শ্ৰী মহেশ্বৰ বড়ো, ভেৰগাওঁ, ওদালগুৰিঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ যি ধন্যবাদসূচক প্ৰস্তাৱ সেইটো মই পূৰ্ণ সমৰ্থন জনাইছো। সদনত যথেষ্টখিনি আলোচনা হ'ল। ভাৰতত পৰিৱেশ আমি দেখিবলৈ পাইছো যোৱা ১০ টা বছৰ NDA ৰ নেতৃত্বতে চৰকাৰ হৈছিল তাৰে ৫টা বছৰ মই নিজেও পাইছিলো এইখন সদনৰ মজিয়াত। যোৱা ৫ টা বছৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত যি চৰকাৰ চলি গ'ল, এই চৰকাৰৰ আমোলত আমি যদি বিভিন্ন দিশৰ খতিয়ান বিচাৰ কৰি চাওঁ, যথেষ্ট এটা ভাল দিন দেখিবলৈ পাইছিলো  আৰু তাকেই প্ৰতিফলিত কৰিছে আমাৰ মহামান্য ৰাজ্যপালৰ ভাষণত। আহি থকা ৫ টা বছৰৰ যি মিশ্যন চৰকাৰৰ, সেইটো মহামান্য ৰাজ্যপালৰ ভাষণত যথেষ্টখিনি গুৰুত্ব পাইছে। তাৰ বাবে আমি এটা যথেষ্ট আশা কৰিব পৰা অৱস্থা দেখা পাইছো। আহি থকা দিনটো যথেষ্ট ভাল এটা পৰিৱেশত আমাৰ ৰাজ্যখন দপদ-দপদকৈ আগবাঢ়ি যোৱাটো নিশ্চিত, কোনো সন্দেহ নাই। যথেষ্ট ৰাইজৰ যোৱা ১০ টা বছৰৰ যি কাৰ্য্য বা কাম-কাজ তাৰ প্ৰতিফলিত হোৱাৰ কাৰণে এইবাৰ যথেষ্ট অসমবাসী ৰাইজে পুনৰ ড° হিমন্ত বিশ্ব  শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত NDA ৰ প্ৰতি আস্থা প্ৰকাশ কৰি আজি পুনৰ বিপুল সংখ্যক বিধায়ক জিকাই শাসনত বহুৱাইছে। নিশ্চয় অসমবাসী ৰাইজে । যথেষ্টখিনি ৰাইজে আশা আকাংক্ষা যোৱা নিৰ্বাচনতো আস্থা প্ৰকাশ কৰিছে । বিশেষভাৱে আমি বি টি চি অঞ্চলটোৰ নেতৃত্ব বহন কৰি আহিছো, প্ৰতিনিধিত্ব কৰিছো ৰাজনৈতিকভাৱে, শিকিছো সমস্যাৰ বিষয়ে। এইখন সদনত আপোনাৰ যোগেদি মই সদনৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। আশা ৰাখিছো নিশ্চয় এইবোৰ সমস্যা আহি থকা দিন বিলাকত চৰকাৰে  যথেষ্ট অগ্ৰণী ভূমিকা ল'ব। আমাৰ জিলা ৫ টা হ'ল তাৰ ভিতৰত sub-division হৈছে ১০ টা। এই sub-division বিলাক পূৰ্ণাংগৰূপ পোৱা নাই। বিশেষভাৱে কেইটামান বিভাগ অত্যন্ত প্ৰয়োজন। যিবিলাক বেলেগ sub-division ত আমি দেখিবলৈ পাওঁ, বিশেষকৈ বৰ্তমান sub-

division বিলাকত judicial বিভাগটো নাই । Sub-register বিভাগো আজিলৈকে হোৱা নাই আৰু কিছুমান sub-division বিলাকত ট্ৰেজাৰী বিভাগটো হোৱা নাই। গতিকে আহি থকা এই ৫ বছৰীয়া কাৰ্য্যকালত এইবোৰ পূৰ্ণাংগৰূপ পাব, তেতিয়া নিশ্চয় এই sub-division এলেকাধীন জনসাধাৰণে এই sub-division খিনিত যথেষ্ট সেৱা পাব। এইটো মই আপোনাৰ যোগেদি চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। বিশেষভাৱে আৰু আমাৰ সমস্যাটো হৈছে বিভিন্ন আঁচনি এতিয়া কৰিব লাগিব । আঁচনি ৰূপায়ণ কৰিব আমাৰ বিষয়াসকল আৰু কৰ্মচাৰীসকলে । গতিকে এই ক্ষেত্ৰত ষ্টাফখিনি আমাৰ অঞ্চলবিলাকত কম হৈ আছে। সকলো বিভাগতে ষ্টাফৰ নাটনি হৈ আছে। আজি প্ৰশাসন বিভাগ, পুলিচ বিভাগটো যথেষ্ট ষ্টাফৰ নাটনি হৈ আছে। এই নাটনিখিনি নিশ্চয় আহি থকা দিনত যি আমাৰ মিশ্যন- ২ লাখ চাকৰি দিয়াৰ ব্যৱস্থা, এই ব্যৱস্থাৰ মাধ্যমেৰে এইখিন ষ্টাফ পূৰণ কৰিব পাৰিব। এইটো মই আশা ৰাখিছো। বিশেষকৈ বিতং এটা সমস্যা আমাৰ দেখা দিয়ে এইটো মই ক'ব বিচাৰিছো । আমাৰ বড়ো মিডিয়ামৰ text book ৰ সমস্যাটো জটিল । অসমত অসমীয়া মিডিয়াম বা বেলেগ মিডিয়ামত সোনকালে text book ওলাই যায় । আমাৰ text book খন অসমীয়া মিডিয়াম text book ওলোৱাৰ পিচতহে translate কৰিবৰ কাৰণে দিয়া হয়। এই text book ৩-৪ মাহৰ পিছতহে বিতৰণ কৰিব পৰা অৱস্থা হয় গৈ। গতিকে সময়ৰ আগতে ১ বছৰ আগৰ পৰাই যদি সেইটো ঠিক-ঠাক কৰি translator ৰ ব্যৱস্থা কৰি text book দিয়াৰ ব্যৱস্থাটো সময়মতে দিব পৰা যায় এইটো আপোনাৰ যোগেদি মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো। ধন্যবাদ।

**माननीय অধ্যক্ষঃ** ধন্যবাদ। এই text book ৰ বিষয়টো যেতিয়া শিক্ষামন্ত্ৰী থাকিব পৰৱৰ্ত্তী সময়ত তেতিয়া পুনৰ আপুনি উত্থাপন কৰিবা ধন্যবাদ। এতিয়া শ্ৰী ভিক্টৰ কুমাৰ দাস – অনুপস্থিত। এতিয়া শ্ৰী আব্দুৰ ৰহিম আহমেদ।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** অধ্যক্ষ ডাঙৰীয়া ৰাজ্যপাল ডাঙৰীয়া ভাষণত আৰম্ভ কৰিছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ডাঙৰীয়াৰ এষাৰ উক্তিৰে আমি স্বাগতম জনাইছো কাৰণ আমি সকলোৱে জানো যে ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ তথা গণতান্ত্ৰিক ৰাষ্ট্ৰ। ইয়াতে সকলো জাতি, জনগোষ্ঠী ভাষা ভাষীৰ ধৰ্মাৱলম্বী মানুহ আমি আছো। বৈচত্ৰ্যৰ মাজত আমি একোটাৰে চলি আছো। এখন উন্নয়নৰ দেশ আমি সকলোৱে আশা কৰো, তাৰে অংশ হিচাপে অসমক লৈ আমি গৰ্ব কৰো, আৰু সেই কাৰণে এটা কথা আৰম্ভণিতে কৈ থব বিচাৰিছো , অসমৰ এক তৃতীয়াংশ মানুহক বাদ দি সামগ্ৰিক ভাবে অসমৰ উন্নয়ন কেতিয়াও সম্ভৱ নহয়।

এই এক –তৃতীয়াংশ মানুহক বাদ দি সামগ্ৰিক ভাৱে অসমৰ উন্নয়ন কেতিয়াও সম্ভৱ নহয় আৰু এই এক- তৃতীয়াংশ মানুহৰ যি সামগ্ৰিক বিকাশ আৰু উন্নয়ন কৰিব লাগে তেনেহ'লে শিক্ষাৰ প্ৰতি আমি সু-দৃষ্টি দিব লাগিব। অৰ্থনৈতিকভাৱে অত্যন্ত পিছপৰা সংখ্যালঘূ মানুহখিনিৰ কথা মই ক'ব বিচাৰছো কাৰণ ছাত্ৰ-ছাত্ৰীৰ অনুপাতে  শিক্ষক নাই, চিকিৎসালয় সমূহত ডাক্তৰ, নাৰ্ছ নাই, ৰাস্তা-ঘাটৰ অনুন্নত অৱস্থা, গতিকে এনেকুৱা ধৰণৰ এশ এবুৰি সমস্যাবোৰ সমাধান কৰিলে আমি যদি প্ৰত্যেকটো জাতি-জনগোষ্ঠীৰ লগতে দৰিদ্ৰ সংখ্যালঘূসকলক সমানে আগবঢ়াই আনিব পাৰো তেতিয়াহে এখন শান্তিৰ তথা প্ৰগতিৰ অসম কামনা কৰিব পাৰি। অধ্যক্ষ মহোদয়, গৰাখহনীয়াৰ আটাইতকৈ ভয়াবহ ৰূপ কেৱল সংখ্যালঘূ এলেকাতে নহয় গোটেই অসমতেই। গতিকে এই গৰাখহনীয়া প্ৰতিৰোধৰ কথা ৰাজ্যপালৰ ভাষণত যিদৰে থাকিব লাগিছিল, যদিও কিছু কাম কৰিছে কিন্তু গৰাখহনীয়াৰ বহুত ভয়াবহ সমস্যা এতিয়াও আছে। মই প্ৰতিনিধিত্ব কৰা চেঙা সমষ্টিত কেইবাখনো পঞ্চায়তৰ বেছি অংশই গৰাখহনীয়াত জাহ যোৱাৰ এটা অৱস্থা। মোৰ সমষ্টিৰ কদমতলা, ভাতনাপাইটী, উজীৰৰ চৰ, কাছুমাৰা, মহাচৰা, বাঘবৰ সত্ৰৰপৰা বহৰী সত্ৰলৈ –এই গোটেই অঞ্চলসমূহলৈ ভাবুকিৰ সৃষ্টি কৰিছে। আমি খোজাৰ কাৰণে কিছুদিন আগতে ৬০০০ পাৰ্কুপাইন বিভাগে দিছে আৰু প্ৰায় ১০,০০০ ৰ ওপৰত temporary measurement ৰ বাবে লগা আছে। নেগাজুৰুবিয়া এলেকাত ৩০,০০০ লগা আছিল, মই বিধায়ক হোৱাৰ পিছত ১০,০০০ দিছে। তাত আৰু ২০,০০০ ৰ দৰকাৰ আছে। নহ'লে বহু ঠাইত মথাউৰিৰ ওপৰত সাংঘাটিক ভাবুকি আহিব। গতিক এই ছেগতে মই মোৰ সমষ্টিৰ কথা কৈছো। মই জলজলী নদীৰ ওপৰত দীৰ্ঘদিনীয়া এটা দাবী, ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দীৰ্ঘদিনীয়া এটা দাবী,

দুখন ব্ৰীজৰ কথা কৈ আহিছো। গতিকে আৰম্ভণিতে মই মোৰ সমষ্টিৰ বিষয়ে দু-আষাৰ কৈ লৈছো। আজি চৰকাৰে বিভিন্ন ধৰণৰ উন্নয়নৰ দাবী কৰিছে, ৪০ লাখ অৰুণোদয় হিতাধিকাৰীৰ সৃষ্টি কৰিছে। কিন্তু হিতাধিকাৰীৰ সৃষ্টিৰে আমি কেতিয়াও দেশ এখনৰ উন্নয়ন হৈছে বুলি ক'ব নোৱাৰো। কাৰণ মূল্যবৃদ্ধি যদি আমি ৰোধ কৰিব নোৱাৰো, মিঠাতেল, চাউল, দাইল আদিৰ মূল্য যদি আমি কমাব নোৱাৰো, হিতাধিকাৰীৰ সৃষ্টি কৰি অলপমান টকা দিলেই আমি উন্নয়ন হোৱা বুলি ক'ব নোৱাৰো। হিতাধিকাৰী বন্ধ কৰি আমি স্বাৱলম্বী কৰিব লাগিব। ধন্যবাদ।

**माननीय অধ্যক্ষ :** এতিয়া শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ (মন্দিয়া) :** মাননীয় অধ্যক্ষ মহোদয়, মই থোৰতে দুটামান পইন্ট ক'ব বিচাৰিছো। প্ৰথমতে আপোনাৰ আৰু মোৰ মৰমৰ জিলা বৰপেটা সম্পৰ্কে মই সেইদিনাও কৈছো। মাননীয় অধ্যক্ষ মহোদয়, ব্ৰিটিছৰ সময়ত অসমত মাত্ৰ তিনিখন টাউন, তিনিখন নগৰ সমিতি আছিল। এখন গুৱাহাটী, এখন শিলচৰ আৰু এখন বৰপেটা আৰু আমি সেই বৰপেটাৰে বাসিন্দা। আজি অসমত বহুত টাউন হ'ল আৰু বহুত টাউন হ'বৰ কাৰণে ধাৰিত হৈছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰো চাগে অনুভৱ হয় বেলেগ ঠাইৰ পৰা বৰপেটাত নমাৰ লগে লগে অন্তৰখন অলপ বিষায়। গতিকে আপুনি এই চকীখনত থকাৰ কাৰণে আপোনালৈ আন্তৰিক অনুৰোধ থাকিব যে আপুনি অধ্যক্ষ হৈ থাকোতে বৰপেটা জিলাখনক অলপ জাকত জিলিকা হৈ উঠক। তাৰবাবে বৰপেটা নগৰিক ৰেলেৰে সংযোগ কৰাটো অতি জৰুৰী, বৰপেটাত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়, এখন engineering college with latest technology i.e., AI, machine learning, robotics etc. বামুণ নগৰৰপৰা নগৰপাৰালৈ এখন আৰ চি চি ব্ৰীজ, অভয়াপুৰীৰ পৰা বৰপেটালৈ ৪ লেনযুক্ত হাইৱে নিৰ্মাণ আৰু তাৰ লগতে বৰপেটা চহৰৰ ৰাস্তাবোৰৰ বহলিকৰণ কৰাতো অতি জৰুৰী। যদি ৰাস্তা বহলিকৰণত অসুবিধা হয় তেন্তে অন্তত: দুখনমান ফ্লাই অ'ভাৰৰ অতি প্ৰয়োজন। দ্বিতীয়তে, মই বৰপেটাৰ ডি.চি. ৰ আখ্যান আৰম্ভ কৰিব বিচাৰিছো। আমাৰ বিধায়ক পুঁজিৰ যোৱা বছৰৰ ফাণ্ড, গাইডলাইন মতে

আমি ৰেকমাণ্ড কৰাৰ ৩০ দিনৰ ভিতৰত স্কীম sanction হ'ব লাগে নাইবা যদি স্কীমখন ineligible হয় আমাক ডি. চি. য়ে জনাব লাগে যে আপুনি এখন alternative scheme দিয়ক। মাননীয় অধ্যক্ষ মহোদয়, অতি দুখেৰে জনাব বিচাৰিছো যে মোৰ আজিলৈকে ১ কোটি টকাৰ এক টকাও ৰিলিজ হোৱা নাই আৰু তাত এনেকুৱা গুৰুত্বপূৰ্ণ স্কীম দিয়া হৈছে – Up Mandia Health Sub-Centre, low line  হোৱাৰ কাৰণে টেণ্ডাৰ কেন্‌চেল হৈ গ'ল। মই তাত ৩ লাখ টকা দিছো, কিন্তু তাৰ এক টকাও ৰিলিজ কৰি দিয়া নাই। পশ্চিম বাঘমাৰা হেল্‌থ চাব-চেন্টাৰ, low line  হোৱাৰ কাৰণে ঠিকাদাৰে চাৰেণ্ডাৰ কৰিলে। মই ২ লাখ টকা দিছো, আজিলৈকে এক টকাও ৰিলিজ কৰা নাই। মৰিগাঁও হেল্‌থ চাব-চেন্টাৰ low line  হোৱাৰ কাৰণে ১০ লাখ টকা দিছে যদিও এক টকাও ৰিলিজ হোৱা নাই।  মাননীয় অধ্যক্ষ মহোদয়, Kg BB Type 4, ৩ কোটি টকা sanction হৈ গৈছে। আজি ১০ বছৰ হৈ গ'ল, টেণ্ডাৰো হৈ গ'ল কিন্তু low line হোৱাৰ কাৰণে  কাম আৰম্ভ হোৱা নাই। বাৰে বাৰে MD, SSA ই ডি.চি.ক লিখিছে যে earth filling কৰি দিয়ক, তেওঁ কৰা নাই। মই ১০ লাখ টকা দিছো যদিও এক টকাও আজিলৈকে ৰিলিজ কৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, এয়াই হৈছে আমাৰ ডি.চি.ৰ গুণানুকীৰ্তন যাৰ শেষ নাই। মোৰ লগতে বৰপেটা জিলাৰ সদস্য মহোদয়েও শুনা বুলি শুনিছো যে তেওঁক বোলে ৫ % কমিশ্যন লাগে।  কমিশ্যন নহ'লে তেওঁ কোনো স্কীম ৰিলিজ নকৰে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে বেকী নদীৰ যি বালি খনন, ব্ৰহ্মপুত্ৰৰ যি বালি খনন আৰু গৰাখহনীয়াৰ যি ভয়াবহ পৰিস্থিতি, বাৰে বাৰে ডি.চি. ক কোৱাৰ পিছতো যে বালি খনন বন্ধ কৰক, জলসম্পদ বিভাগে কোটি কোটি টকা দিছে কিন্তু বালিৰ খনন চলিয়েই আছে। শুনা মতে, ডি.চি. য়ে ডাঙৰ এটা কমিশ্যন পাই বালিৰ খনন বন্ধ কৰা নাই.........

**মাননীয় অধ্যক্ষ :** এতিয়া আমিনুল হক লস্কৰ।

**শ্ৰী আমিনুল হক লস্কৰ(সোনাই সমষ্টি)--**মাননীয় অধ্যক্ষ মহোদয়, আমি মহামান্য রাজ্যপালের ভাষণের বিরোধীতা করে আসামের একটি অত্যন্ত জলন্ত

এবং মানবিক সংকট  এই সদনের সামনে উপস্থাপন করছি। আসামের হাজার হাজার যুবক যুবতী নিজের রাজ্যে পর্যাপ্ত কর্মস্থান না পেয়ে তামিলনাড়ু, কেরল, কর্নাটক, দিল্লী, মহারাষ্ট্র বিভিন্ন রাজ্যে কাজের সন্ধানে যেতে বাধ্য হচ্ছে। কিন্তু বাইরের রাজ্যে তাদের নিরাপত্তা স্বাস্থ্য বীমা, কর্মস্থান, employer, accountability, এবং emmergency rescue  রাজ্যপালের ভাষনে কোন স্থান পায়নি । অধ্যক্ষ মহোদয়, গত সরকারের লাস্ট অধিবেশনে বিরোধী দলের একজন বিধায়কের প্রশ্নের জবাবে মুখ্যমন্ত্রী বলেছিলেন যে ২০২৫ সালের সেপ্টম্বর থেকে ২০২৬ সালের ২ ফেব্রুয়ারি পর্যন্ত ভারতবর্ষের বিভিন্ন রাজ্যে আসাম রাজ্যের প্রায় ১৬২  জন যুবক যুবতীর মৃত্যু হয়েছে। আজ অধ্যক্ষ মহোদয়, আসামে অ্যাডভান্টেজ আসাম--১,অ্যাডভান্টেজ আসাম-২ হয়েছে কিন্তু আমাদের কর্মস্থান কতটুকু বেড়েছে ? ২০১৬ এর আগে আমাদের আসামের কতজন বেকার এবং বেকাররা আর এখন এই সরকারর ১০ বছরের সরকারের  সময় কতটা কম হয়েছে না কতটা বেশি হয়েছে। যদি অ্যাডভান্টেজ আসাম - ১,অ্যাডভান্টেজ আসাম-২ তে কর্মসংস্থান বেড়ে থাকে তবে বাইরের রাজ্যে আমাদের বেকার শিক্ষিতরা যাওয়ার সংখ্যা কমতে হয়। আজ এইখানে তাদের কোনো ব্যবস্থা নেই। আমার সমষ্টি থেকে গত কয়েকদিন আগে একজন ছেলে বাইরে বেসরকারী প্রতিষ্ঠানে চাকুরিরত ছিল ওইখানে এক্সিডেন্ট হয়ে মারা গিয়েছে।  তাদের পরিবারের এই ক্ষমতা নেই যে ডেডবডি বাড়িতে আনবে তখন সাহায্য চেয়ে ডেডবডি আনতে হয়েছে।

**শ্রী কমলাক্ষ দে পুরকায়স্থঃ-** শ্রদ্ধাঞ্জলি স্কিম  আছে স্যার।

**শ্রী আমিনুল হক লস্করঃ** আছে। কিন্তু সবাই এভেইল করতে পারে না। মন্ত্রী রিপ্লাই দেবে দাদা। অধ্যক্ষ মহোদয়, আমাদের বরাক উপত্যকাতে তিনটি জেলা আছে। তিনটি জেলার মানুষের মনের একটি দাবি, যে শিলচরর রেল ষ্টেশনের নামটি ভাষা শহীদ ষ্টেশন নামে হতে হবে। আজ এখানে বিরোধী দলের ৯ জন বিধায়ক আছেন যে বিধায়কে একটু আগে আমার বক্তব্যে অবজেক্সন করেছিলেন। কিন্তু তিনি যখন বিরোধী দলের বিধায়ক ছিলেন তখন তিনি ভাষা শহীদ ষ্টেশন নামে দাবী করেছিলেন। আমাদের বরাক উপত্যকার গণদাবী শিলচর রেল ষ্টশনকে ভাষা শহীদ রেল ষ্টেশন নামাকরণ করা হোক। ধন্যবাদ৷

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ৰমাকান্ত দেউৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰমাকান্ত দেউৰী, ( মিৰিগাওঁ) :** माननीয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত মই ক'বলৈ বিচাৰিছো । ভাষণত উল্লেখ থকা প্ৰতিটো বিষয় মই অধ্যয়ণ কৰি উপলব্ধি কৰিছো যে এই ভাষণৰ ওপৰত সকলো কোৱা সম্ভৱ নহয়। মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত লিপিবদ্ধ হৈ থকা কথাবিলাক সকলোৱে কৈছে। ইয়াত ক'বলৈ প্ৰয়োজন নাই বুলি মই ভাৱিছো । কিন্তু মই এটা বিশেষ কথা ক'বলৈ বিচাৰিছো । ভাৰতৰ প্ৰথম সংবিধান প্ৰনয়ণৰ সময়ত লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱৰ  উপ-কমিটীৰ পৰামৰ্শৰ ভিত্তিত অনুসূচী অন্তৰ্ভূক্ত হৈছিল । জনজাতি সকলৰ ভৱিষ্যৎ সুৰক্ষিত কৰিবৰ বাবে অনুসূচী  অন্তৰ্ভূক্ত হৈছিল। অসমীয়াৰ সংস্কৃতিৰ অধিকাৰ সুৰক্ষিত কৰিবৰ বাবে এই বৰদলৈ উপ-কমিটীয়ে এইখিনি ব্যৱস্থা গ্ৰহণ কিৰিছিল। জনজাতি সকলৰ যদি ভূমি ৰক্ষা কৰা নাযায় তেন্তে এটা সময়ত জনজাতি সকলৰ অস্তিত্ব হেৰাই যাব । এই কথাটোৱেই এতিয়া প্ৰমাণিত হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৭ নং অনুচ্ছেদৰ ২ নং ( iv) ত অসমৰ খিলঞ্জীয়া আৰু জনজাতি লোকসকলৰ অধিকাৰ আৰু পৰম্পৰাৰ ঐতিহ্য সুৰক্ষা প্ৰদানৰ বিষয়ে যি উল্লেখ কৰিছে তাৰ বাবে মই অন্তৰৰ পৰা ধন্যবাদ জনাইছো। এইখিনিতে মই এটা কথা উল্লেখ কৰিব বিচাৰিছো যে যদি জনজাতি লোকসকলক ষষ্ঠ অনুসূচী প্ৰদান কৰা নহয়, তেন্তে জনজাতি লোকসকলৰ সংস্কৃতি, ভূমি আৰু পৰম্পৰা কেতিয়াওঁ ৰক্ষা কৰিব পৰা নাযায়। সেই কাৰণে সংবিধান প্ৰনয়ণত গোপীনাথ বৰদলৈদেৱৰ উপ-কমিটীয়ে স্পষ্টভাৱে উল্লেখ কৰিছিল । মই মোৰ জাতিটোৰ বিষয়ে অলপ মান ক'বলৈ বিচাৰিছো। যি সময়ত জাগীৰোডত পেপাৰ মিল প্ৰতিষ্ঠা কৰিছিল সেই স্থানসমূহ জনজাতীয় লোকসকলৰ বসতি আছিল। তেতিয়া তাত চুক্তি হৈছিল যে যদি সেই উদ্যোগটো সফল হ'ব নোৱাৰে তেন্তে তিৰা সকলক পুনৰ মাটি ঘূৰাই দিয়া হ'ব। কিন্তু সেই মাটি পুনৰ ঘূৰাই দিয়া নহ'ল । তেতিয়া মানুহখিনি অঘৰীৰ দৰে জীৱন-যাপন কৰিবলগীয়া হৈছিল । মাননীয় অধ্যক্ষ মহোদয়, তাতেই শান্ত

নাথাকি এইবাৰ পুনৰ গোপনভাৱে জৰীপ আৰম্ভ কৰি সিন্ধি গড় নং দহিতা কুমাৰী থানত উদ্যোগ স্থাপনৰ নামত জৰীপ হ'ল। সেই ঠাইৰ তিৱা সকল ক'লৈ যাব ? আতংকিত হ'ল যে নহ'ব, বাৰে বাৰে আমি আমাৰ ভূমি কেতিয়াও উচ্ছেদ কৰিবলৈ নিদিওঁ। দৰকাৰ হ'লে আমি তেজ দিম, মৰিম। কিন্তু আমি কেতিয়াও ভূমি নিদিও। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো যে এই জাতি সকলৰ ভূমি সুৰক্ষিত কৰিবৰ বাবে তেখেতসকলৰ ভূমি যাতে উচ্ছেদ কৰা নহয়। এই ক্ষেত্ৰত যাতে পদক্ষেপ গ্ৰহণ কৰে। যেতিয়ালৈকে জনজাতি সকলৰ উন্নয়ণ নহয় তেতিয়ালৈকে অসমৰ কেতিয়াও উন্নয়ণ হ'ব নোৱাৰে। মই এই জাতিটোৰ বিষয়ে অলপ বিৱৰি ক'বলৈ বিচাৰিছো। স্বাধীনতা আন্দোলনৰ সময়ত ফুলগুৰি ধেৱাত, ধেৱা মানে ৰণ। তাত প্ৰথম  বিদ্ৰোহ হৈছিল। তাত যেতিয়া ইংৰাজ আগবাঢ়ি আহিছিল, সেই ইংৰাজক গুৱাপাৰা গছামাৰিত তিনিটুকুৰাকৈ কাটিছিল। তেতিয়া তাত হাজাৰ হাজাৰ তিৱাক বলি দিছিল আৰু কাৰাবন্দী কৰিছিল। কিন্তু আজি সেই সকলৰ নাম নাইকিয়া হ'ল। তেওঁলোক শ্বহীদ হ'ল আৰু শ্বহীদৰ নামত বেলেগ জাতি উপকৃত হ'ল। কিন্তু তিৱাসকল উপকৃত নহ'ল। এই জ্বলন্ত প্ৰমাণ সমূহ মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰক জনবলৈ বিচাৰিছো। চৰকাৰে ভৱিষ্যতে প্ৰায় ৮ লাখ কোটি টকা  জনজাতীয় লোকসকলৰ নামত খৰচ কৰাৰ কথা কৈছো যদি ১০ শতাংশ টকা জনজাতীয় সকলৰ নামত খৰচ কৰে, তেন্তে সকলো জনজাতিৰে উন্নয়ণ হ'ব। এইখিনিকে কৈ মহামান্য ৰাজ্যপাল মহোদয়ৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থন জনাই মই মোৰ বক্তব্য সামৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। এতিয়া মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া। আপোনাক ৫ মিনিট সময় দিয়া হৈছে।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আগৰ বক্তাজনে এজনৰ হৈ ৬ মিনিট ২০ ছেকেণ্ড কৈছিল। গতিকে মই ১২ মিনিট সময় পাম।

**মাননীয় অধ্যক্ষ :** মাননীয় অখিল গগৈ ডাঙৰীয়া, সকলো দলে নতুন বিধায়কক কথা ক'বলৈ সুবিধা দিছে। আপুনি নতুন বিধায়কজনক কথা ক'বলৈ সুবিধা দিয়ক। মই ৩ মানিট সময় বঢ়াই দিম আৰু মুঠতে ৮ মিনিট সময় দিম।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, মই তেখেতক ক'বলৈ কৈছিলো। কিন্তু তেখেতে কৈছে যে তেখেতৰ কালি বক্তব্য প্ৰস্তুত কৰাৰ সময় নহ'ল।

**মাননীয় অধ্যক্ষ :** আপুনি কিয় তেখেতৰ সময়খিনি লৈছে ? আপুনি ৫ মিনিট সময় কওঁক।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণক এটা শব্দত Eco-ponzia নাম দিছো। Eco-ponzia মানে হ'ল Eco মানে Economics আৰু Ponziaমানে হ'ল Ponzi Scheme. Ponzi Scheme ৰ অৰ্থ হৈছে- অৰ্থ নাইকিয়া ফোপোলা সপোনৰ আঁচনি। Charles Ponzi নামৰ আমেৰিকাৰ এজন মানুহে ১৯২০ চনত মানুহৰ পৰা পইচা তুলিবলৈ এনেকুৱা কিছুমান Ponzi Scheme যেনে-আমাৰ সাৰদা স্কীম, ৰ'জভেলী স্কীমৰ নিচিনা ২ নম্বৰী স্কীম বনাই মানুহৰ পৰা পইচা তুলিছিল। মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত যিখিনি কথা আছে, সেইখিনি চাই দেখিলো যে ৰাজ্যপাল মহোদয়ৰ ভাষণটো হ'ল Eco-ponzia বা চলাহী কথাৰ তালিবাজি আঁচনি। মই ইয়াৰ নাম দিছো চলাহী কথাৰ তালিবাজি আঁচনি। আটাইতকৈ ডাঙৰ কথাটো হ'ল যে গোটেই ভাৰতবৰ্ষ তথা অসম এই মূহুৰ্তত মূল্যবৃদ্ধিৰ কাৰণে জৰ্জৰিত হৈ আছে। কিন্তু এই গোটেই ভাষণটো অসমীয়াত

মূল্যবৃদ্ধি আৰু ইংৰাজীত Price rise, price high or inflation এটা শব্দও ইয়াত উল্লেখ নাই। গতিকে যি সময়ত অসমৰ জনতা আটাইতকৈ বেছি অৰ্থনৈতিক সংকটত ডুবি আছে, গেছৰ ছিলিণ্ডাৰ এটা কিনিব পৰা নাই, মূল্যবৃদ্ধিৰ কাৰণে জনসাধাৰণৰ অৱস্থা বেয়া হৈ গৈছে, তাত মূল্যবৃদ্ধি ৰোধ কৰিম বুলি উল্লেখ কৰাতো বাদেই, ৩০ পৃষ্ঠাৰ ভাষণত মূল্যবৃদ্ধি শব্দটো ব্যৱহাৰ নকৰাৰ বাবে মই কৈছো যে এই ভাষণটো হ'ল আচলতে চলাহী কথাৰ তালিবাজি মৰা এখন আঁচনি। এতিয়া এই ভাষণত আৰু কি নাই। অধ্যক্ষ মহোদয়, ছয় জনগোষ্ঠীৰ জনজাতীয়কৰণ অসমৰ আটাইতকৈ গুৰুত্বপূৰ্ণ এটা বিষয়। লগতে কলিতাসকলৰ, নাথ-যোগীসকলৰ জনজাতীয়কৰণো এটা গুৰুত্বপূৰ্ণ বিষয়। গোটেই ৩০ পৃষ্ঠাৰ ভাষণ আপুনি চাওক, তাত এটা শব্দ নাই ছয় জনগোষ্ঠীৰ জনজাতীয়কৰণৰ। আজি অসমৰ যিসকল Tribal লোক আছে, ৰাভা, তিৱা, দেউৰী, মিচিং, তেওঁলোকৰ যি স্বায়ত্বশাসন ব্যৱস্থা, সেই স্বায়ত্বশাসন ব্যৱস্থাক সংবিধানসন্মত কৰিব লাগে বুলি প্ৰত্যেকটো জাতিয়ে কৈ আছে। ইয়াত এটা শব্দ নাই মিচিংৰ বিষয়ে, তিৱাৰ বিষয়ে, ৰাভাৰ বিষয়ে যে তেওঁলোকৰ স্বায়ত্বশাসন ব্যৱস্থাক সম্পূৰ্ণৰূপে সংবিধানসন্মত কৰা হ'ব বুলি এটা শব্দ নাই, অধ্যক্ষ ডাঙৰীয়া। অধ্যক্ষ ডাঙৰীয়া, এই যি ভাষণ দিছে তাত কৈছে, এটা সপোন দেখুৱাইছে ২০২৮ চনত বোলে আমি ১০ লাখ কোটি টকাৰ এখন আমাৰ ৰাজ্য হৈ যাম। ১০ লাখ আমাৰ Economy ১০ লাখ কোটি টকাৰ হ'ব। আমাৰ বাৰ্ষিক বৃদ্ধি বোলে ১৬ শতাংশকৈ বাঢ়ি গৈ আছে। কিন্তু যি সময়ত ১৬ শতাংশ বাৰ্ষিক

বৃদ্ধিৰ কথা কৈ আছে, যি সময়ত ১০ লাখ কোটিৰ সপোন আমাক দেখুৱাইছে, অধ্যক্ষ ডাঙৰীয়া, সেই সময়ত অসমৰ ৬৩ লাখ টা পৰিয়াল আছে অসমত। ৬৩ লাখ। তাৰ ভিতৰত ৪০ লাখ পৰিয়াল চলে এতিয়া ১২৫০ টকাৰ অৰুণোদয় আঁচনিৰ পৰা। ১২৫০ টকাৰ অৰুণোদয় আঁচনি। অসমৰ গ্ৰাম্য মহিলা, অসমৰ টাউনৰ দুখীয়া মহিলাৰ আটাইতকৈ ডাঙৰ সপোনটো হ'ল অৰুণোদয়ত তেওঁলোকৰ নামটো সোমাবনে নাই। এই গোটেই বাজেট ভাষণত, এই গোটেই ৰাজ্যপালৰ ভাষণত ক'ত আছে যে এই যিসকলে ১২৫০ টকাৰে চলিবলগীয়া পৰিস্থিতি হৈছে, তেওঁলোকক ভৱিষ্যতে উৎপাদনৰ ব্যৱস্থা কৰি দিব, তেওঁলোকৰ কাৰণে বজাৰৰ ব্যৱস্থা কৰি দিব? তেনেকুৱা কোনো আঁচনি নাই আৰু সেই কাৰণে মই কৈছোঁ যে এইটো হ'ল তালি-বাজি মৰা এটা অৰ্থনৈতিক বক্তব্যৰ বাহিৰে আন একো নহয়। ইয়াত কৈছে যে ২০৪৭ চনৰ ভিতৰত বোলে অসমখন বিশ্বস্তৰীয় প্ৰতিযোগিতামূলক অসম হ'ব। যি সময়ত ৪৭ চনত বিশ্বৰ ভিতৰত এক নম্বৰ, দুই নম্বৰ হ'ব, আগতে ভাৰতৰ ভিতৰত এক নম্বৰ, দুই নম্বৰ বুলি কৈ আছিলে, তাত কিন্তু গুৱাহাটীৰ মানুহে প্ৰত্যেকদিনাই কৃত্ৰিম বানপানীত ডুবি থাকিবলগীয়া হৈছে। মোৰ শিৱসাগৰ, মোৰ যোৰহাট, মোৰ ডিব্ৰুগড়, প্ৰত্যেকখন জিলা সদৰত, প্ৰত্যেক টাউনত প্ৰত্যেক মিনিটতে বানপানী হয়, কৃত্ৰিম বানপানী হয়। তাৰ বিষয়ে ইয়াত এটাও শব্দ কোৱা হোৱা নাই, শ্ৰদ্ধেয় অধ্যক্ষ ডাঙৰীয়া। শ্ৰদ্ধেয় অধ্যক্ষ ডাঙৰীয়া, ইয়াত কোৱা হৈছে পৃষ্ঠা নম্বৰ ৬ত যে অসমত বিদ্যুৎ

ৰাহি ৰাজ্য কৰি দিব। বিদ্যুৎ ৰাহি ৰাজ্য কৰি দিব। কিন্তু এতিয়া ১০-১২ ঘণ্টা অসমৰ মানুহৰ বিদ্যুৎ নাই। কৈছে যে আমি Smart Meter দিছোঁ। অসমত আমাৰ Smart Meter ইমান Smart যে চাৰ, আমাৰ কাৰেণ্ট যোৱাৰ আগতে, ঘৰৰ কাৰেণ্ট যোৱাৰ আগতে আমাৰ Smart Meter-এ আমাৰ পকেটৰ পৰা Smartly পইচা লুটি লৈ গুচি যায়। শ্ৰদ্ধেয় অধ্যক্ষ ডাঙৰীয়া, মুখ্যমন্ত্ৰীয়ে এই বাজেট ভাষণত কৈছে যে ১ লাখ ৬৪ হাজাৰ ল'ৰাক চাকৰি দিলোঁ। কৈছে যে আৰু পাঁচ বছৰত ২ লাখ মানুহক চাকৰি দিম। কিন্তু আজিৰ দিনটোত অসমৰ নিবনুৱাৰ সংখ্যা ৩৬ লাখ। আজি অসমৰ প্ৰত্যেকজন ল'ৰা আজি বিফল।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** এতিয়া মাননীয় সদস্য শ্ৰী দীপক কুমাৰ দাস।

**শ্ৰী দীপক কুমাৰ দাস, বৰপেটাঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ভাষণ আজি বিধানসভাৰ সুন্দৰ এখন অভিভাষণ দিছে আৰু এই ভাষণত আজি অসমৰ প্ৰকৃত ৰূপটো প্ৰতিফলিত হৈছে। আজি মাননীয় দক্ষ মুখ্যমন্ত্ৰী মাননীয় ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমে হাঁহিছে আৰু ইয়াৰ হাঁহিৰ ৰেঙণি আজি এইখনত প্ৰতিফলিত হৈছে। মাননীয় হিমন্ত বিশ্ব শৰ্মাৰ যি প্ৰজ্ঞাৰ প্ৰাচুৰ্য্যতা, সেই প্ৰাচুৰ্য্যতাই আজি অসমৰ প্ৰতিটো জাতি-জনজাতি, প্ৰতিটো সমষ্টিয়ে আজি গংগা আজি আপোনাৰ উন্নয়নৰ গংগা স্পৰ্শ কৰিছে। আজি আয়তীয়েই হওক, আজি আমাৰ আই-ভনীসকলেই হওক, আনফালে উদ্যোগীকৰণৰ ক্ষেত্ৰতেই হওক আৰু আৰ্থ-সামাজিক দিশতেই হওক চাৰিওফালৰ পৰা উন্নয়নৰ গংগা আৰু সেই কথাই মাননীয় আমাৰ ৰাজ্যপাল ডাঙৰীয়াৰ এই অভিভাষণত সুন্দৰভাৱে প্ৰতিফলিত হৈছে। মাননীয় বিধায়ক ডাঙৰীয়া, বিধায়ক ডাঙৰীয়া

ইতিমধ্যে আপুনি যিধৰণৰ আস্ফালন কৰিছে, এই আস্ফালনে আচলতে আজি মেণ্ডেটে দেখুৱাই দিছে যে আপোনাৰ আস্ফালনৰ কোনো মূল্য নাই। গুৰুজনাই কৈছিল– "কিৰাত কছাৰী খাচি গাৰো মিৰি যৱন কঙ্ক গোৱাল অসম মুলুক ধোবা যে তুৰুক কোৱাচ ম্লেছ চাণ্ডাল আনো পাপী নৰ কৃষ্ণ সেৱকৰ সঙ্গত পবিত্ৰ হয় ভকতি লভিয়া সংসাৰ তৰয় বৈকুণ্ঠ সুখে চলায়।" ইমান সুন্দৰ ভক্তিৰ কথা আজি ইয়াত প্ৰতিফলিত হৈছে গুৰুজনাৰ কথা। মোৰ সমষ্টি হ'ল এই গুৰুজনাৰ কৰ্মভূমি। আজি এই কৰ্মভূমি শংকৰ-মাধৱ-দামোদৰ-দেৱ-হৰিদেৱৰ মিলন ক্ষেত্ৰত আজি মই ভাবোঁ যে মাননীয় আমাৰ অধ্যক্ষ ডাঙৰীয়াই সুন্দৰভাৱে জানে যে তেখেতে আজি পৰ্যটন নগৰীৰে ইয়াক কিদৰে আগুৱাই নিব লাগে। বিশ্ব প্ৰসিদ্ধ বিজ্ঞানী জন্ম হৈছিল বৰপেটাত যিয়ে ৰেলৰ brake সংযোগ কৰিছিল। দুখৰ কথাটো যে ৰেলৰ brake আজিলৈকে হোৱা নাই। মাননীয় আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক কৈছে এইটো হৈ যাব সুন্দৰ। এইধৰণৰ এক প্ৰজ্ঞাশীল কথাই জনজীৱনক আশ্বস্ত কৰিব পাৰে। এনেই যি-তি বকিলেতো নহ'ব কথাবোৰ। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনি জানে যে আজি ভাৰতবৰ্ষ স্বাধীনতা হোৱাৰ পিছত আজি কিমান দিন আজি Congress এই শাসনত আছিল, তেওঁলোকে কি কৰিলে? আৰু এই ১০ বছৰত এই NDA চৰকাৰে কি কৰিলে, ইয়াৰ যদিহে তুলনামূলক অধ্যয়ন কৰা হয়, তেতিয়া হলে এইখিনিয়েই এই অধ্যয়নটো সুন্দৰভাৱে প্ৰকট হৈছে আমাৰ মাননীয় আজি আমাৰ লক্ষণ প্ৰসাদ আচাৰ্য দেৱৰ ভাষণত। যিগৰাকী এগৰাকী আমাৰ ৰাজ্যপাল। এই ৰাজ্যপাল গৰাকীয়ে অসমৰ সৰ্বস্তৰৰ উন্নতিৰ কথা, যি উন্নতি ইতিমধ্যে মাননীয় হিমন্ত বিশ্ব শৰ্মাৰ প্ৰজ্ঞাৰ আলোকত, প্ৰজ্ঞালোক আৰু প্ৰজ্ঞাৰ পাছৱৰ্ডত অসমত সম্ভৱ হৈছে। আজি প্ৰতিটো জাতি-জনগোষ্ঠী আজি বিশেষকৈ চাওক আপোনালোকে ভাবিব, আজি ইয়াত বোমা-বাৰুদৰ গোন্ধ নাই। আজি সকলোৱে

সমভাৱে উন্নয়নৰ ক্ষেত্ৰত আগবাঢ়ি গৈছে। আজি ইয়াত শ্ৰীমন্ত শংকৰ-মাধৱ গুৰুজনাৰ আদৰ্শ লৈ পৃথিৱী আগবাঢ়ি গৈছে। আজি এইখন চৰকাৰে সুন্দৰভাৱে কি কৰিছে? অসমীয়া ভাষাক ধ্ৰুপদী মৰ্যাদা দিছে, বিহুক বিশ্বায়ন কৰিছে, ঝুমুৰক বিশ্বায়ন কৰিছে, বাগৰুম্বাক বিশ্বায়ন কৰিছে। এনেকুৱা এখন চৰকাৰ যি চৰকাৰৰ প্ৰগতিৰ কথা এইখন আমাৰ প্ৰতিবেদনত প্ৰতিফলিত হৈছে। তেওঁৰ ভাষাত তেওঁৰ সুন্দৰ অভিভাষণত প্ৰতিফলিত হৈছে। তাক সমালোচনা কৰা ধৃষ্টতাটোত দুখ পাইছোঁ। তাক সমালোচনা কৰিব নালাগিছিল আপোনালোকে। এই সমালোচনাতো আচলতে আজি যি দেখি আছে অসমৰ জনতাই, সেই জনতাই আপোনালোকৰ প্ৰতি বৰ ভাল ভাব দেখুওৱা নাই। কাৰণ আপোনালোক সদায় positive হওক। Be positive, do positive, and think positive—এইখিনি কৈয়ে মই সামৰিলোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** এতিয়া মাননীয় সদস্য শ্ৰী মুজিবৰ ৰহমান আপোনাৰ ৫ মিনিট।

**শ্ৰী মজিবৰ ৰহমান, ( মানকাচাৰ )ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত কিছুমান জ্বলন্ত সমস্যাৰ কথা উল্লেখ কৰা পৰিলক্ষিত নহল। তাৰ ভিতৰত ক'ব লাগিব যে অসমৰ জনসংখ্যাৰ প্ৰায় ৩৫-৩৬ শতাংশ জনসংখ্যা সংখ্যালঘু জনসংখ্যা। এই সংখ্যালঘু জনসাধাৰণৰ কাৰণে ৰাজ্যপালৰ ইমান দীঘলীয়া অভিভাষণত কতো এটা শব্দও উল্লেখ কৰা দেখা পোৱা নগল। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই চৰকাৰক এটা বিনম্ৰ অনুৰোধ কৰিব খুজিছোঁ যে বসুন্ধৰা ১, ২, ৩ ইতিমধ্যে পাৰ হৈ গ'ল। অসমৰ বিভিন্ন জিলাৰ বিভিন্ন সম্প্ৰদায়ৰ ব্যক্তিৰ মাটিৰ সমস্যা সমাধান হ'ল, মাটি পালে আৰু সেই আইন অনুসৰি বসুন্ধৰাৰ যি rules and regulations

frame কৰিছিল, SOP আছিল, তাতে উল্লেখ কৰা আছিল যে তিনি পুৰুষ–three generations—যদি অসমত বসবাস কৰিছে আৰু যদি খিলঞ্জীয়া ব্যক্তি হয় আৰু ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিধানসভাৰ মজিয়াত কৈছিল আৰু বাহিৰতো কোৱা আমি শুনিবলৈ পাইছিলোঁ যে ১৯৫১ চনৰ পিছত আগত অহা ব্যক্তিসকল খিলঞ্জীয়াত ৰূপান্তৰিত হ'ব আৰু তেওঁলোক খিলঞ্জীয়া। সেই অভিমতত আমি লক্ষ্য কৰিছোঁ বসুন্ধৰা ১, ২ আৰু ৩ ত বৰপেটা, ধুবুৰী, গোৱালপাৰা, নগাঁও, মৰিগাঁও–সেই অঞ্চলত বসবাস কৰা আমাৰ এই লোকসকলৰ আমাৰ খিলঞ্জীয়া বুলি নকৈ কিছুমানে ক' ব খোজে 'পমুৱা' , কিছুমানে 'মৈমনসিংঙীয়া বুলি কয়, কিছুমানে 'অচিনাকী' বুলি কয়। কিন্তু মই ক'ব খুজিছোঁ আপোনালোকে যদি মাননীয় মুখ্যমন্ত্ৰীক মানে, তেতিয়া হলে আজিৰ পৰা এই কথা আপোনালোকে withdraw কৰিব লাগে 'অচিনাকী' বুলি নক'ব এইবিলাক ব্যক্তিক। যিসকলে ১৯৫১ চনৰ আগত আহিছে, সেইসকলক আপোনাৰ জৰিয়তে মই চৰকাৰক এটা বিনম্ৰ অনুৰোধ কৰিব খুজিছো যে, বসুন্ধৰা ১, ২, ৩ ইতিমধ্যে পাৰ হৈ গ'ল। অসমৰ বিভিন্ন জিলাৰ, বিভিন্ন সম্প্ৰদায়ৰ ব্যক্তিৰ মাটিৰ সমস্যা সমাধান হ'ল আৰু মাটি পালে। সেই আইন অনুসৰি বসুন্ধৰাত যি Rules and Regulations frame কৰিছিলে, SOP আছিলে, তাতে উল্লেখ কৰা আছিলে যে, তিনি পিৰি, three generation যদি অসমত বসবাস কৰিছে আৰু যদি খিলঞ্জীয়া ব্যক্তি হয় আৰু ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিধানসভাৰ মজিয়াত কৈছিলে আৰু বাহিৰতো কৈছিলে আমি শুনা পাইছিলোঁ যে, ১৯৫১ ৰ পিছত, আগত অহা ব্যক্তিসকল খিলঞ্জীয়াত ৰূপান্তৰিত হ'ব। আৰু তেখেতসকল খিলঞ্জীয়া। সেই পৰিপ্ৰেক্ষিতত আমি লক্ষ্য কৰিছোঁ বসুন্ধৰা ১, ২ আৰু ৩ ত বৰপেটা, ধুবুৰী, গোৱালপাৰা, নগাঁও, মৰিগাঁও, সেই অঞ্চলত বসবাস কৰা আমাৰ একমাত্ৰ এই খিলঞ্জীয়া বুলি ক'বলৈ কিছুমানে ক'ব

খোজে পমুৱা, কিছুমানে মৈমনসিঙীয়া বুলি কয়, কিছুমানে অচিনাকী বুলি কয়। কিন্তু মই ক'ব খুজিছোঁ আপোনালোকে যদি মাননীয় মুখ্যমন্ত্ৰীক মানে, তেতিয়াহ'লে আজিৰ পৰা এটা কথা আপোনালোকে withdraw কৰিব লাগে, সেই অচিনাকী বুলি নক'ব এইবিলাক ব্যক্তিক। যিসকলে ১৯৫১ ৰ আগত আহিছে, সেইসকলক আপোনালোকে খিলঞ্জীয়া বুলি অভিহিত কৰক। আৰু সেইসকলক বসুন্ধৰা ২, ৩ ত যিহেতু মাটি দিয়া নাই, মই চৰকাৰক অনুৰোধ কৰিম আপোনালোকে জৰীপ কৰি সেই ব্যক্তিসকলক, যিসকল landless, চৰ-চাপৰিত বসবাস কৰি আছে, সেইসকলক মাটি দিয়াৰ বিধি-ব্যৱস্থা কৰিব লাগে, এইটো মই টানি অনুৰোধ কৰিছোঁ। মাননীয় অধ্যক্ষ মহোদয়, এটা কথা দুখেৰে ক'ব লাগিব। মই ইয়াতে দেখা পাইছোঁ কংগ্ৰেছ আৰু BJP এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি। আপুনি জানে ২০১১ চনত The Assam Land Grabbing Act was passed at the tenure of Ex-Chief Minister স্বৰ্গীয় তৰুণ গগৈ চাহাব। তেখেতে Assam Land Grabbing Act টো পাছ কৰি থৈ গৈছিলে আৰু সেই আধাৰত BJP এ সেই সূত্ৰটো, সেই ফৰ্মূলাটো আপোনালোকে গ্ৰহণ কৰিলে। আৰু বাছি বাছি চবকা সাথ চবকা বিকাশৰ যি শ্লোগান, সেই শ্লোগান আওৰাই একমাত্ৰ এটা জাতিক target কৰি, সেই জাতিখিনিক আপোনাৰ গুৱাহাটীৰ পৰা আৰম্ভ কৰি একেবাৰে ধুবুৰীলৈ উচ্ছেদ কৰা আৰম্ভ কৰিলে। এনেকুৱাও পৰিৱেশ হৈছিলে যে, আপোনাৰ District Magistrate, আপোনাৰ ADM, তেখেতসকলে গৈ সুধিছে- "আপোনাৰ নাম কি?" যে "আপোনাৰ মোৰ নাম অমুক ৰহমান, অমুক আলী।" Notice টো serve কৰিছে। যদি কোৱা হৈছে যে "মোৰ নাম দাস বা শইকীয়া" তেতিয়া তেখেতক দিয়া হোৱা নাছিলে। কিন্তু বহু দাস আহিলে অসমলৈ, CAA দিলে। CAA ৰ পাছত কিমান দাস আহিল আপোনালোকে জানে। কিন্তু দেখা গৈছে যে মাননীয় প্ৰধানমন্ত্ৰীৰ চবকা সাথ চবকা বিকাশ ফৰ্মূলা কিন্তু আমাৰ

অসমত প্ৰযোজ্য হোৱা নাই। সেই একে সুৰে যেনেকে আপোনাৰ Land Grabbing Act টো ২০১১ চনত স্বৰ্গীয় তৰুণ গগৈয়ে কংগ্ৰেছ চৰকাৰৰ দিনত আনিছিলে, সেই Land Grabbing Act টোক আপোনাৰ আধাৰ কৰি লৈ সেই আমাৰ দুখীয়া মানুহখিনিক, landless মানুহখিনিক, ভূমিহীন মানুহখিনিক উচ্ছেদ কৰিলে য'ত নেকি বসবাস কৰিছিলে। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব খুজিছোঁ। মই এইকাৰণে কথাটো ক'ব খুজিছোঁ যে, কংগ্ৰেছ আৰু BJP যে, এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। কংগ্ৰেছে ৭০ বছৰ মুছলমান মানুহৰ মাটিৰ সমস্যা সমাধান নকৰিলে। আৰু সেই সুযোগতো BJP এ লৈ এতিয়া BJP এ same আৰম্ভ কৰিলে। আচলতে এইটো হোৱাৰ কাৰণটো হৈছে যে, যেতিয়া কংগ্ৰেছ চৰকাৰ আছিলে, তেতিয়া আজিৰ যিসকল মন্ত্ৰী আছিলে, তেতিয়া তেখেতসকল তেতিয়া তাতে আছিলে। আৰু এতিয়া তেখেতসকল BJP লৈ আহিলে, গোটেইখিনি আহি মন্ত্ৰী হ'ল, মুখ্যমন্ত্ৰী হ'ল আৰু same formula use কৰিলে। আচলতে কথাটো হৈছে কি, চব এটায়ে বস্তু। কোনটো বস্তু ? যে কেনেকৈ মিঞা মুছলমান মানুহখিনিক অসমৰ পৰা উচ্ছেদ কৰিব পাৰি, সেই মানুহখিনিক কেনেকৈ ঠগিব পাৰি, সেই মানুহখিনিক কেনেকৈ বঞ্চনা কৰিব পাৰি, সেই মানুহখিনিক কেনেকৈ অন্যায় কৰিব পাৰি। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক টানি অনুৰোধ কৰিম, আপোনালোকে এই নীতি পাহৰি যাওক। মাননীয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া যেতিয়া মুখ্যমন্ত্ৰী আছিলে, তেতিয়া এখন আইন পাছ কৰিছিলে। এটা Land Policy amendment আনিছিলে ২০১৯ চনত। এটা Land Policy আনিছিলে, তাতে আপোনাৰ Clause 1.3 ত it is clearly mentioned that those persons who have been living in চৰ areas or Khas land they should get a land allotment, at least 3 bighas for cultivation and half bighas for rehabilitation বা আপোনাৰ ঘৰ বনোৱাৰ

কাৰণে। কিন্তু সেই নীতি, সেই আইন, সেই সংশোধনী Land Policy ক'লৈ গ'ল ? মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে আজিৰ এই সভাত থকা সকলো আমাৰ চৰকাৰৰ বিষয়ববীয়াসকলক অনুৰোধ কৰিছো, চৰকাৰৰ মন্ত্ৰীসকলক অনুৰোধ কৰিছোঁ আপোনালোকে এই অসমখন, যিহেতু মাননীয় মুখ্যমন্ত্ৰীৰ এটা সপোন আছে যে, অসমখন ভাৰতৰ ভিতৰত, পাঁচখন ৰাজ্যৰ ভিতৰত এখন ৰাজ্য কৰিব খুজিছে। এটা জনগোষ্ঠীক এনেকে অন্যায় কৰি, এনেকে বাদ দি এখন ৰাজ্য আপুনি প্ৰতিষ্ঠিত কৰিব নোৱাৰে, এখন উন্নয়নশীল, এখন গতিশীল ৰাজ্য বনাব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, মই এটা অনুৰোধ কৰিম সদৌ শেষত যে, আপোনালোকে এই পলিচি, eviction drive টো বন্ধ ৰাখক। আৰু Land Policy 2019 টো implementation কৰাৰ কাৰণে মই আহ্বান ৰাখিছোঁ, ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া আমিনূৰ ৰসিদ চৌধুৰী, তিনি মিনিট।

**মহম্মদ আমিনূৰ ৰসিদ চৌধুৰী, দক্ষিণ কৰিমগঞ্জঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ আলোচনাত থিয় হৈছোঁ। মই প্ৰথমে এই পবিত্ৰ সদনত আপুনি দুবাৰ অধ্যক্ষ নিৰ্বাচিত হোৱাৰ কাৰণে আপোনাক অভিনন্দন আৰু কৃতজ্ঞতা জনাইছোঁ। মুখ্যমন্ত্ৰী ডাঙৰীয়া দুবাৰ consecutively মুখ্যমন্ত্ৰী নিৰ্বাচিত হোৱাৰ কাৰণে তেখেতকো ধন্যবাদ জনাইছো, কৃতজ্ঞতা জনাইছোঁ, অভিনন্দন জনাইছোঁ। এই House ৰ প্ৰত্যেকগৰাকী ১২৬ জন বিধায়ক-বিধায়িকাক অভিনন্দন জনাইছোঁ, কৃতজ্ঞতা জনাইছোঁ। মাননীয় অধ্যক্ষ মহোদয়, মই দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ পৰা নিৰ্বাচিত হৈ প্ৰথমবাৰ এই পবিত্ৰ সদনত আহিছোঁ। মই মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণটো পঢ়িছোঁ। তেখেতে আমাৰ শিলচৰ High Speed Corridor ৰ কথা কৈছে, ভাল কথা, আমি

ভাল পাইছোঁ। কিন্তু লগতে তেখেতে এষাৰ কথাও কোৱা নাই যে, আমাৰ বৰাক ভেলীৰ দুটা লাইফলাইন নেচনেল হাইৱে আছে মেঘালয় আৰু হাফলং ৰোড। অলপ বৰষুণ হ'লে অধ্যক্ষ মহোদয়, আমাৰ ৰাস্তাটো বন্ধ হৈ যায়। আজি দুটা decade ৰ পৰা আমি দেখা পাই আছো, হাফলঙৰ ৰাস্তাটো আজিলৈ হোৱা নাই। মেঘালয়ৰ পৰা যিটো অসমৰ আৰম্ভণি ৰাস্তা যৰ পৰা আৰম্ভ হৈছে, ৰাস্তাৰ অৱস্থা খুবেই বেয়া। মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিছো যে, বৰাক ভেলীৰ ৰাস্তাটো, এই দুটা লাইফলাইন ৰাস্তাৰ কামটো কৰি দিব লাগে। দ্বিতীয়তে, মোৰ নিজৰ জিলা শ্ৰীভূমি জিলা। শ্ৰীভূমি জিলাত এদিন বৰষুণ হ'লে গোটেই টাউনখন, District টাউনখন পানীৰ তলত গুচি যায়। ৰাস্তাৰ অৱস্থা খুবেই বেয়া অধ্যক্ষ মহোদয়, আজিও আমাৰ তাত আন্দোলন চলি আছে। মই আপোনাৰ জৰিয়তে ক'ব খুজিছো যে, আমাৰ শ্ৰীভূমি জিলাৰ ৰাস্তা আৰু বানপানীৰ সমস্যাটো সমাধান কৰিব লাগে। আৰু মোৰ নিজা সমষ্টি দক্ষিণ কৰিমগঞ্জ সমষ্টিত স্কুলৰ শিক্ষক নাই, স্কুল বিল্ডিং আছে। নতুন নতুনকৈ হস্পিটেল বনাইছে চৰকাৰে, মই ধন্যবাদ দিছোঁ। কিন্তু লগতে তাত ডাক্তৰ নাই, টেকনিচিয়ান নাই, সেই বস্তুখিনি মাননীয় অধ্যক্ষ মহোদয়, আপুনি চাব লাগে। বৰাক ভেলীত তিনিটা District আছে, কৰিমগঞ্জ, কাছাৰ আৰু হাইলাকান্দি। এই তিনিটা District ত এখন পোৰ্ট আছে সুতাৰকান্দি পোৰ্ট, আপুনি জানে। আপুনিও বিগত দিনত যেতিয়া কৰিমগঞ্জ গৈছিলে আমাৰ পোৰ্টলৈ গৈছিলে। সেই সুতাৰকান্দি পোৰ্টটো মোৰ সমষ্টিত আহে।

**মাননীয় অধ্যক্ষঃ** এতিয়া কৰিমগঞ্জটো শ্ৰীভূমি হৈছে নেকি ?

**মহম্মদ আমিনূৰ ৰসিদ চৌধুৰী, দক্ষিণ কৰিমগঞ্জঃ** হয়। শ্ৰীভূমি সমষ্টিৰ পোৰ্টটো মোৰ সমষ্টিত পৰে। যোৱা 17$^{th}$ মে' এটা Government of India ৰ এটা

notification ত বাংলাদেশৰ পৰা Import কৰা FMCG ৰ Product আমাৰ পোৰ্টত বন্ধ হৈ গ'ল। মই আপোনাৰ জৰিয়তে চৰকাৰক ক'ব খুজিছোঁ, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক যে, কলকাতাৰ পোৰ্টত চব বস্তু আহি আছে। কিন্তু আমাৰ পোৰ্টত এই বস্তুটো বন্ধ হৈ আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইটো চাব লাগে। দ্বিতীয়তে, মোৰ শ্ৰীভূমি জিলাত ড্ৰাগছৰ যেনেকুৱা ৰমৰমীয়া বিজনেছ আৰম্ভ হৈছে, মই আপোনাৰ জৰিয়তে অনুৰোধ ৰাখিছোঁ যে, এই ড্ৰাগছৰ বিজনেছটো যেন বন্ধ হয়, আমাৰ যুৱ প্ৰজন্ম যেন  বাচিব পাৰে, তাৰ কাৰণে চৰকাৰে ব্যৱস্থা ল'ব লাগে। আৰু মোৰ নিজা সমষ্টিত ৰাস্তাৰ অৱস্থা দক্ষিণ কৰিমগঞ্জৰ খুবেই বেয়া । আপোনাৰ জৰিয়তে মই চৰকাৰক অনুৰোধ জনাইছো যে, মোৰ সমষ্টিৰ কামখিনি অহা দিন কেইটাত ৰাস্তাৰ কামখিনি কৰি দিব লাগে। আৰু মোৰ সুতাৰকান্দি পোৰ্টৰ যিটো বন্ধ হৈ আছে 17$^{th}$ মে' ৰ last year ৰ notification. সকলোতে খুলি গ'ল কিন্তু এই এটা important পোৰ্ট শ্ৰীভূমি জিলাৰ বৰাক উপত্যকাৰ, এইটো আজিলৈ খোলা হোৱা নাই, এইটো চাব লাগে ছাৰ। আৰু মই আপুনি মোক আজি ইয়াত এই পবিত্ৰ সদনত ক'বলৈ দিয়াৰ কাৰণে, সুযোগ দিয়াৰ কাৰণে মই নতুন সদস্য হিচাপে আপোনাক আকৌ ধন্যবাদ জনাই, প্ৰত্যেক সদস্যক মোৰ আন্তৰিক শুভেচ্ছা, ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছোঁ, ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া জীৱেশ ৰয়, ২ মিনিট।

**শ্ৰী জীৱেশ ৰয়, বিলাসীপাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই গুৰুত্বপূৰ্ণ সভাত আলোচনাত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰি মই নিজকে গৌৰৱান্বিত অনুভৱ কৰিছোঁ। আৰু মোক পোনপ্ৰথমবাৰৰ বাবে ইয়ালৈ অহাৰ সুযোগ প্ৰদান কৰাৰ বাবে মই আমাৰ ১০ নং বিলাসীপাৰা সমষ্টিবাসী ৰাইজক

বহুত বহুত ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আৰু NDA ৰ নেতৃত্ববৰ্গকো মই বহুত বহুত ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মাননীয় ৰাজ্যপাল মহোদয়ৰ যি অভিভাষণ আছিল, যি বক্তব্য আছিল, এই ভাষণত মই অতিকেই গৌৰৱান্বিত হৈছোঁ। আৰু তেখেতক মোৰ ফালৰ পৰা মই বহুত বহুত ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মাননীয় ৰাজ্যপাল মহোদয়ে এইবাৰ বিশেষকৈ আমাৰ এই ১০ নং বিলাসীপাৰা সমষ্টিৰ অন্তৰ্গত চাপৰত যি আমাৰ তাপ বিদ্যুৎ প্ৰকল্প, এই তাপ বিদ্যুৎ প্ৰকল্প ৩২০০ মেগাৱাটৰ প্ৰকল্পটো তাত ইতিমধ্যে কাম চলি আছে, এটা বৃহৎ প্ৰকল্প আৰু এই প্ৰকল্পত তেখেতে তেখেতৰ নিজৰ অভিভাষণত ইয়াক ৰাখিছিল। আৰু যাৰ কাৰণে এই বৃহৎ পৰিমাণৰ যি তাপ বিদ্যুৎ প্ৰকল্প ১০ নং বিলাসীপাৰা সমিষ্টৰ চাপৰত বিশেষকৈ কাম চলি আছে আৰু তাৰ কাৰণে মই চৰকাৰখনক আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক বহুত বহুত ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিলাসীপাৰাৰ পৰা গুৱাহাটীলৈ আহোতে প্ৰায় ৪ ঘন্টা সময় লাগে কিন্তু আজি তাত নতুনকৈ যি ৰাষ্ট্ৰীয় ঘাইপথৰ কাম তাত দ্ৰুত গতিত কাম চলি আছে আৰু যাৰ ফলত দুৰত্ব প্ৰায় ১ ঘন্টা গুৱাহাটীলৈ  কমি আহিব তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই নৱনিৰ্বাচিত বিধায়ক হিচাপে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো । এইবাৰ বিধান সভাত কোচ-ৰাজবংশীকে ধৰি বিভিন্ন ভাষা-ভাষিক এইবাৰ সুযোগ প্ৰদান কৰিলে মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো । মাননীয় অধ্যক্ষ মহোদয় ১০ নং বিলাসীপাৰা সমষ্টিৰ বিভিন্ন সমস্যা আছে পৰৱৰ্তী সময়ত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰখনে উন্নয়ন সমূহ তৰান্বিত কৰিব।  গতিকে এই সুযোগতে মই আমাৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শিলাদিত্য দেৱ।

**শ্ৰী শিলাদিত্য দেৱ, হোজাইঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামহিম ৰাজ্যপাল মহোদয়ৰ দুৰদৰ্শী ভাষণক অন্তৰৰ পৰা সমৰ্থন জনাই মই মোৰ বক্তব্য আৰম্ভ কৰিছোঁ। মহামহিম ৰাজ্যপালৰ ভাষণ কেৱল এক ভাষণ নহয় এয়া অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰো এক ঐতিহাসিক দলিল। আমি এতিয়া নিজক এবাৰ ছিকুটি চোৱাৰ প্ৰয়োজন। টোপনিৰ পৰা সাৰ পোৱাৰ সময় এয়া। জনগাঁথনিৰ বৃহৎ সংকটে যি কালধুমুহা আনিছে সেয়া বুজাৰ সময় এয়া। পলমেই হৈছে যদিও ড০ হিমন্ত বিশ্ব শৰ্মা চৰকাৰে আগন্তুক পাঁচবছৰত অসমৰ জাতি, মাটি, ভেটিলৈ অহা সংকট দূৰ কৰাৰ বাবে কি কৰিব তাৰ আভাস মহামহিম ৰাজ্যপালৰ ভাষণত আছে। অসমী আইৰ বুকুত বাস কৰা থলুৱা মানুহখিনি আজি নিজৰ মাটিতে সংখ্যালঘুত পৰিণত হৈছে। পৰিকল্পিত ৰূপত হোৱা অনুপ্ৰৱেশে অসমীয়াৰ পৰিচয়কে জানোঁ এতিয়া গ্ৰাস কৰা নাই? সত্ৰ, নামঘৰৰ ভূমিয়েই জানোঁ বেদখল হোৱা নাই? - যি মাটিত ৰণ জিকিছিল লাচিতে, যি মাটিত হৰিনামৰ ৰস বোৱাইছিল গুৰু দুজনাই, সেই মাটিত আজি কিয় কান্দিছে অসমীয়াই? কিয় আজি নিজৰ মাটিতে কান্দিব লগীয়া হৈছে অসমীয়াই? কিন্তু এই কান্দোনৰ পৰা মুক্ত হ'ব লাগিব এদিন অসম আৰু অসমীয়া। কিন্তু কেনেকৈ? অধ্যক্ষ মহোদয়, সুৰক্ষাৰ কৰচ আমাৰ হাতত আছিল। IMMIGRANTS EXPULSION FROM ASSAM ACT 1950 আমাৰ হাতত আছিল। নেহৰু লিয়াকট চুক্তিৰ সময়ৰ পৰা নিষ্ক্ৰীয় হৈ থকা এই আইন পুনৰ কাৰ্যকৰী কৰিবলৈ আৰম্ভ কৰিছে আমাৰ তেজস্বী মুখ্যমন্ত্ৰী ডাঙৰীয়াই। মোৰে দুৰ্ভাগ্য যোৱাটো কাৰ্যকালত মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সৈতে কাম কৰাৰ সুযোগ নাপালোঁ। এইবাৰ সেই সুযোগ দিয়াৰ বাবে মোৰ সমষ্টিৰ ভোটাৰক এই সুযোগতে ধন্যবাদ জনাইছোঁ। এইখিনিতে কওঁ অনুপ্ৰৱেশকাৰীক ৰঙা দলিচা পাৰি দিয়া

কংগ্ৰেছে অসমীয়াৰ বুকুত ইমানদিনে চুৰী মাৰি আহিছিল। কিন্তু তেখেতৰ অধ্যক্ষ মহোদয় আন্ধাৰ যিমানেই গভীৰ নহওক কিয় পোহৰৰ এটা জ্যোতিয়েই যথেষ্ট। সেই জ্যোতি, সেই ভাগ্য বিধাতা এতিয়া আমাৰ যশস্বী মুখ্যমন্ত্ৰী ড. হিমন্ত বিশ্ব শৰ্মা | আগৰ চৰকাৰখনেই দেখুৱাই দিছে সত্ৰৰ মাটি বেদখলমুক্ত কৰি, শত্ৰুৰ চকুত চকু থৈ এই চৰকাৰে যে অসম বাংলাদেশ সীমান্তৰ সমস্যা সমাধান কৰিব তাত সন্দেহ নাই। অধ্যক্ষ মহোদয় আমি আৰু পিছুৱাই নাযাওঁ। বিৰোধীয়ে যিমানেই চিঞৰি নাথাকক কিয়, আমি স্পষ্ট কৰি দিব খোজো মিঞা সংস্কৃতিৰে অসমীয়া সংস্কৃতিক গ্ৰাস কৰাৰ সপোন ড০ হিমন্ত বিশ্ব শৰ্মাৰ এই চৰকাৰে কেতিয়াও পূৰণ কৰিবলৈ নিদিয়ে। অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপাল মহোদয়ৰ ভাষণে আমাক এক নতুন, শক্তিশালী আৰু সুৰক্ষিত অসমৰ প্ৰতিশ্ৰুতি দিছে। ডেম'গ্ৰাফী ইনভেচনৰে অসমক নিশেষঃ কৰাৰ যি ব্লুপ্ৰিন্ট সেয়া সফল হ'বলৈ দিব নোৱাৰি। কাৰোবাৰ ঐতিহাসিক পাপৰ বোজাৰ পৰা অসমক মুক্ত কৰাৰ মন্ত্ৰ আছে ৰাজ্যপালৰ ভাষণত। অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণৰ প্ৰতিটো শব্দই আমাক সোঁৰৰাই দিছে যে আমি ক্ষান্ত হ'ব নোৱাৰোঁ। -আজি বাজিছে ৰণডংকা খিলঞ্জীয়াৰ বিজয়ত নাই শংকা অসমৰ মাটিত উৰিব কেৱল খিলঞ্জীয়াৰ পতাকা। মই এই ধন্যবাদসূচক বক্তব্যৰ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ। ধন্যবাদ জয় আই অসম, ড০ হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ, ভাৰত মাতা কী জয়৷

**মাননীয় অধ্যক্ষঃ** এতিয়া ড০ আছিফ মোঃ নজৰ।

**ড০ আছিফ মোঃ নাজাৰ, লাহৰীঘাট** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যপাল মহোদয়ৰ ভাষণৰ সন্দৰ্ভত কিছু মন্তব্য দাঙি ধৰিব বিচাৰিছোঁ। প্ৰায় ১.১০ ঘণ্টা ধৰি ৰাজ্যপাল মহোদয়ে কোৱা কথা খিনি শুনি এনে লাগিছে যে

অসমৰ অৱস্থা এতিয়া Tata skyৰ সেই বিশেষ বিজ্ঞাপনটোৰ দৰেই হৈছে যত কোৱা হৈছিল tata sky lga dala life jingalala। পিছে বাস্তৱত ৰাজ্যৰ পৰিস্থিতি বিজ্ঞাপনত চৰকাৰে দেখুৱাই থকাৰ দৰে jingalalal হয় নে ? ৰাজ্যৰ কৃষক, শ্ৰমিক, যুৱক যুৱতী, বান পীড়িতৰ জীৱন বিজ্ঞাপন দৰে jingalal হৈ থকা নাই। ৰাজ্যপাল মহোদয়ে দীঘলীয়া ভাষণত বহু কথা ক'লে কিন্তু দুখৰ বিষয় যে তেওঁ ভাষণ অসমৰ বাস্তৱ সমস্যাবোৰৰ তুলনাত চৰকাৰৰ আত্মপ্ৰশংসাই অধিক স্থান পালে, যিটো চিৰ স্বৰিত। মহামহিম ৰাজ্যপাল ডাঙৰীয়াই ভাষণত উন্নয়ন, শান্তি, বিনিয়োগ আৰু অগ্ৰগতিৰ বহু দাবী কৰা হৈছে, কিন্তু অসমৰ সাধাৰণ মানুহৰ দৈনন্দিন জীৱনৰ যন্ত্ৰণা, নিবনুৱা সমস্যা, মূল্যবৃদ্ধি, কৃষকৰ সংকট, বান-গৰাখহনীয়া আৰু সামাজিক অস্থিৰতাৰ বিষয়ত বাস্তৱমুখী সমাধানৰ উপায় সমূহৰ বিষয়ে নকলে। মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল ডাঙৰীয়াই ৮৫ শতাংশতকৈ অধিক ভোটদানৰ কথা উল্লেখ কৰি জনসমৰ্থনৰ দাবী কৰিছে। কিন্তু গণতন্ত্ৰ কেৱল সংখ্যাৰ ওপৰত নিৰ্ভৰ নকৰে। গণতন্ত্ৰৰ মূল শক্তি হৈছে মত প্ৰকাশৰ স্বাধীনতা আৰু সমালোচনাক গ্ৰহণ কৰাৰ মানসিকতা। আজি অসমৰ বহু লোক ভয় আৰু বিভাজনৰ ৰাজনীতিৰ মাজত থাকিবলগীয়া হৈছে। চৰকাৰৰ বিৰুদ্ধে কথা ক’ লেই দেশদ্ৰোহী, সমাজবিৰোধী বা “বিকাশবিৰোধী” বুলি আক্ৰমণৰ সন্মূখীন হব লগীয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয় এয়া গণতন্ত্ৰৰ বাবে শুভ লক্ষণ নহয়। অসমত এতিয়া শংকাৰ ৰাজনীতি চলি আছে অধ্যক্ষ মহোদয়, কাৰণ চৰকাৰৰ বিৰুদ্ধে কোৱাৰ লগে লগে আৰক্ষী বিচাৰি ফুৰে । চৰকাৰে আইন শৃংখলাৰ কথাও কৈছে , শান্তি আমি সকলোৱে বিচাৰো কিন্তু আজি গুৱাহাটীকে ধৰি অসমৰ সকলোতে চুৰি –ডকাইতি- ৰেপ- ঠগবাজি ইত্যাদি অপৰাধবোৰ আজি বৃদ্ধি হৈ গৈ আছে । গতিকে অধ্যক্ষ মহোদয়, ৰাজ্যপাল ডাঙৰীয়াই এই অপৰাধবোৰ কিধৰনে নিমূল কৰিব তাৰ ওপৰত একো

কোৱা নাই  যদিও আইন  শৃংখলা – উন্নয়ণ তেখেত ভাষণত  উল্লেখ কৰিছে। কিন্তু আজি কিছুদিন আগতে  নগাওঁত এগৰাকী মহিলা হত্যাৰ বলি হৈছিলে। আমি সকলোৱে দেখিছো সাধাৰণ ৰাইজতো দুৰৰ কথা এগৰাকী ন্যায়াধীশ ডকাইতৰ আক্ৰমণৰ বলি হ'ব লগা হৈছিল। মাননীয় অধ্যক্ষ মহোদয় আজি মই বিনিয়োগৰ কথাও অলপ ক'ব লাগিব।  আজি  জি এচ ডি পি বৃদ্ধি, , ১০ লাখ কোটি টকা বিনিয়োগ ইত্যাদিৰ কথা কৈছে  চৰকাৰে কিন্তু বাস্তৱত  হ'বলৈ এতিয়াও বহু দূৰ। আজি অসমত বহু সমস্যা আছে। মূল্যবৃদ্ধি হৈ আছে। দিনে দিনে পেট্ৰ'ল – ডিজেল- গেচৰ দাম বৃদ্ধি হৈ গৈ আছে। যোগান ক'মি  গৈ আছে । গতিকে চৰকাৰে এই মুল্যবৃদ্ধি সোনকালে  নিয়ন্ত্ৰণ কৰি ৰাইজক সকাহ দিব লাগে। এইখিনি কৈ মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, -- শিলাদিত্য দেৱ আৰু  ডাঃ আচিফ নাজাৰ ডাঙৰীয়াই  ইংৰাজী বা বেংগলীতো ক'ব পাৰিলেহেঁতেন কিন্তু তেওঁলোকে যে, অসমীয়াত কোৱাৰ বাবে প্ৰয়াস কৰিছে সেইটো আমি প্ৰসংসা কৰা উচিত । ধন্যবাদ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ ছাৰ, ৰুলৰ বিৰুদ্ধে যাব পাৰে নে নাই ? ২৭৮ ৰুলটো আপুনি এবাৰ চাওক ছাৰ। চাই চাই এনেকৈ গাব নোৱাৰে ছাৰ।  ৰুলৰ বিৰুদ্ধে যাব নোৱাৰে ছাৰ।

**মাননীয় অধ্যক্ষ** ঃ প্লিছ, অখিল গগৈ ডাঙৰীয়া আপুনি মাজত  ইন্টাৰপ্ৰেট নকৰিব---- হ'ব। এই বিষয়ে মই ৰুলিং দিম ,  Please seat down   এতিয়া সঞ্জয় কিষাণ ডাঙৰীয়া।

**শ্ৰীসঞ্জয় কিষাণ , মাকুম ঃ** মোক ক'বৈল সুবিধা দিয়া বাবে ধন্যবাদ অধ্যক্ষ ডাঙৰীয়া।  মই আপাৰ আচাম তিনিচুকীয়া জিলাৰ পৰা আহিছো। এটা  সময়ত তিনিচুকীয়া জিলাখনৰ এনেকুৱা এটা নাম আছিল য'ত ৰাতিপুৱা পেপাৰে পত্ৰই,

বাতৰি ইত্যাদিত বোমা বিস্ফোৰণ, গুলি বাৰুদ, ফায়াৰিং , ধনদাবী ইত্যাদিৰে জৰ্জৰিত অৱস্থা আছিল  আৰু এনেকৈয়ে তিনিচুকীয়াবাসীয়ে দিনবিলাক পাৰ কৰিছিল। কিন্তু আমাৰ চৰকাৰ অহাৰ পিচত এতিয়া শান্তি প্ৰতিষ্ঠা হৈছে সমগ্ৰ অসমৰ লগতে তিনিচুকীয়া জিলাতো । ইতিমধ্য আমাৰ জিলাৰ যুৱক-যুৱতীসকেল নিজৰ ভৰিত থিয় হ'ব পৰাকৈ  যিবিলাক পথ মাননীয় মুখ্যন্ত্ৰী ডাঙৰীয়াই খুলি দিছিলে সেই অনুশৰি আমাৰ জিলাৰ লৰা- ছোৱালীবিলাকে অগ্ৰসৰ হ'ব ধৰিছে।  ইতিমধ্যে  চি এম এল এল এলৰ জৰিয়তে বহু যুৱক-যুৱতী ইয়াৰ পৰা লাভান্বিত হৈ বিভিন্ন সৰু সুৰা উদ্যোগ প্ৰতিষ্ঠা  কৰি ইতিমধ্য তেওলোকে ব্যৱসায়ৰ দিশত আগবাঢ়ি গৈছে। আমাৰ মহিলা সকলো ব্যৱসায় প্ৰতিষ্ঠা কৰি বিভিন্ন দিশত আগবাঢ়ি  গৈছে। বিৰোধীসকলে আজি  বিভিন্নধৰণৰ কথা কয় , কিন্তু  সেই সময়ৰ কথাবিলাকো আমাৰ মনত ৰাখা উচিত যে আমাক কি ধৰণে এনেধৰণৰ পৰিস্থিতিত আমাক জীয়াই থাকিবৰ বাবে বাধ্য কৰাইছিলে যি কাৰণে আজি সমগ্ৰ অসমৰ লগতে আমাৰ তিনিচুকীয়া জিলাবাসী বা আপাৰ আসামত ৰাইজে তেওেলাকক সম্পূৰ্ণভাৱে বিদায় দিছে। অধ্যক্ষ ডাঙৰীয়া মই যিহেতু চাহ বাগিছাৰ পৰা ওলাই আহিছো গতিকে এইখন চৰকাৰে আমাৰ জনগোষ্ঠীটোৰ লগতে অন্যান্য জনগোষ্ঠীকো সমানভাৱে আগুৱাই লৈ  যোৱাৰ বাবে  যিখিনি পদক্ষেপ গ্ৰহণ কৰিলে তাৰ বাবে মই  আপোনাৰ জৰিয়তে মাননীয় ৰাজ্যপাল তথা  মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অন্তৰেৰে ধন্যবাদ জনাইছো । অধ্যক্ষ ডাঙৰীয়া ২০০ বছৰ আগতে আমাৰ পূৰ্ব্বৰ্পুৰুষসকলক অসমলৈ লৈ অনা হৈছিল  চাহ বাগিছাত কাম কৰাৰ বাবে  আৰু যিবিলাক ঘৰত তেওঁলোকে বাস কৰিছিলে , সেই ঘৰৰ অধিকাৰ তেওলোকক প্ৰদান কৰা নাছিল ,  বাগানৰ মালিক- মেনেজাৰে ভাবুকি দিছিল যে হয়তো ঘৰৰ পৰা উলিয়াই দিব। গতিকে এই খিনি কথা চিন্তা কৰি মুখ্যমন্ত্ৰী ডাঙৰীয়াই পদক্ষেপ গ্ৰহণ কৰিলে আৰু ইতিমধ্যে বহু শ্ৰমিকে তেওলোকৰ সপোনৰ  ঘৰ, সপোনৰ এই মাটি  পট্টা পাবলৈ তেওঁলোকে সক্ষম হ'ল। অধ্যক্ষ ডাঙৰীয়া এইয়া  কেৱল মাটিৰ পট্টা নহয় ,এইয়া চাহ জনগোষ্ঠী আৰু আদিবাসী সমাজখনৰ এক অধিকাৰ। আমাৰ

সমাজখনক পৰিৱৰ্ত্তন কৰিবলৈ আমাৰ চৰকাৰখনে এক শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত মই অশেষ ধন্যবাদ গ্ৰহণ কৰিছো। আগতে বৃটিছে বনাই থৈ যোৱা স্কুল বিলাক জৰাজীৰ্ণ অৱস্থা হৈছেগৈ কিন্তু কংগ্ৰেছ চৰকাৰৰ দিনতো জৰাজীৰ্ণ অৱস্থা আছিলে। আমাৰ চৰকাৰে সেই স্কুলবিলাক সুন্দৰভাৱে স্থাপন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিলে লগতে অংগনবাদী স্কুলবিলাক সুন্দৰভাৱে নিৰ্মাণ কৰা হ'ল যাতে অন্যান্য জাতি জনগোষ্ঠীৰ লগতে চাহ জনগোষ্ঠীৰ সমাজখনো শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাব পাৰে । অধ্যক্ষ ডাঙৰীয়া আপোনালোকে নিশ্চয় দেখিছে আমাৰ চৰকাৰে দুশতকৈ অধিক মডেল স্কুল নিমাৰ্ণ কৰিছে। এইবাৰ এই মডেল স্কুলৰ পৰা শিক্ষাৰ্থীয়ে মেট্ৰিক পাছ কৰাও দেখিবলৈ পোৱা গৈছে। এই ক্ষেত্ৰত হাই স্কুলবিলাকে যথেষ্ট প্ৰেৰণা যোগাইছে। এই ক্ষেত্ৰত স্কুল এৰা বহু লৰা ছোৱালী পুনৰ নাম লিখি শিক্ষাৰ ক্ষেত্ৰত অগ্ৰসৰ হৈছে । এইয়া হৈছে এই জনগোষ্ঠীৰ প্ৰতি আমাৰ চৰকাৰখনৰ আন্তৰিকতা । অধ্যক্ষ ডাঙৰীয়া হাইস্কুলবিলাকত হয়তো দুই এজন শিক্ষকৰ প্ৰয়োজন আছে গতিকে যিবিলাক সমস্যা আছে এই ৫ বছৰৰ ভিতৰত সমাধান হ'ব বুলি মই আশা ৰাখিলো । তেনেদৰে স্বাস্থ্য খণ্ডতো চাহবাগিছাৰ ক্ষেত্ৰত যথেষ্ঠ উন্নত হৈছে। য'ত এটা সময়ত গৰ্ভৱতী মহিলা আৰু শিশুৰ মৃত্যুৰ সংখ্যা আটাইতকৈ বেছি আছিল কিন্তু আমাৰ চৰকাৰ অহাৰ পিচত এই ব্যৱস্থাবিলাক আন্তৰিকতাৰে গ্ৰহণ কৰিলে। গৰ্ভৱতী মহিলাক ১৫ হাজাৰকৈ টকা প্ৰদান কৰা হৈছে যাৰ কাৰণে চাহ বাগিছাত গৰ্ভৱতী মহিলাৰ মৃত্যুৰ সংখ্যা কমি গৈছে। মই আশা কৰো স্বাস্থ্যৰ ক্ষেত্ৰত আৰু কিছু ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন আছে। বৰ্তমান চাহ বাগিছাত এম্বুলেন্স প্ৰদান কৰা হৈছে। চাহ বাগানত আগতে গ্ৰুপ হস্পিটেল আছিল আৰু তাত সুন্দৰ ব্যৱস্থা আছিল গতিকে অধ্যক্ষ ডাঙৰীয়া মই আশা কৰো যে, এই গ্ৰুপ হস্পিটেল বিলাক পুনৰ জীৱিত কৰি চিকিৎসাৰ ব্যৱস্থা কৰিলে গৰ্ভৱতী মহিলা আৰু শিশুৰ বাবে যথেষ্ঠ সুবিধা হ'ব ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ—শ্ৰীপ্ৰকাশ চন্দ্ৰ দাস।

**শ্ৰী প্ৰকাশ চন্দ্ৰ দাস, হাজো- শুৱালকুছি** ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰু আজিৰ সন্মানীয় সদন। বিৰোধীয়ে যিখিনি কথা উত্থাপন কৰিছে – মহামাণ্য ৰাজ্যপাল ডাঙৰীয়াৰ বক্তব্যৰ বিৰুদ্ধে- মই সেইখিনি পোটচাটেই নসাৎ কৰিছো। কাৰণ এইটো অকল ভাষণেই নহয় এইখন অসমৰ জনজীৱনৰ ভবিষৎ উন্নয়ণৰ পৰিকল্পনা। যিটো পৰিকল্পনাই জাতিটোক উন্নয়ণৰ দিশত আগুৱাই নিবলৈ সাহস দিছে। কিছু বছৰ আগলৈ অসম আৰু অসমীয়া মানুহৰ পৰিচয় আৰু অস্থিত্বৰ কাৰণে হতাশাত ভূগিছিল কিন্তু যেতিয়া ভাৰতীয়া জনতা পাৰ্টীৰ নেতৃত্বাধীন মিত্ৰ জোঁটৰ চৰকাৰ আহিছে সেই দিনাৰ পৰা অসমীয়া মানুহে সাহস পাইছে আৰু মানুহে আপোন চৰকাৰ অহা বুলি অনুভৱ কৰিছে তাৰ বাবে আজি ১০২ খন আসণ বিজেপি নেতৃত্বধীন মিত্ৰজোঁটে পাবলৈ সক্ষম হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ এইখন অসমত অসম আন্দোলন হৈছিল এটাই কাৰণ এইখন অসমত অসমীয়া মানুহৰ ভেটি মাটি, জাতি আৰু পৰিচয়ৰ অস্তিত্ব ৰক্ষাৰ কাৰণে আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয় কঠোৰ সিদ্ধান্ত, দৃঢ় স্থিতিৰ কাৰণে আজি অবৈধ বেদখল উচ্ছেদ কৰা হৈছে আৰু যাক লাখ বিঘা মাটি আজি ইয়াত সকলোৰে পৰা মুক্ত কৰা হৈছে অবৈধ বিদেশীৰ পৰা। এইটো এটা অতি সাহসী আৰু দৃঢ় পদক্ষেপ যিটো সদায় অসমীয়া মানুহে অসম আন্দোলন কৰা মানুহে সেই সপোনে দেখিছিল। বিষ্ণুৰাম মেধিয়ে সেই সময়ত জাতীয়তাবাদী চিন্তাৰে অসমৰ কাৰণে কিছু সিদ্ধান্ত লৈছিল যাৰ কাৰণে নেকি গো-ৰিজাৰ্ভ, গ্ৰেজিং ৰিজাৰ্ভ, বন ভূমি সংৰক্ষণ কৰিছিল, জলাশয় সংৰক্ষণ কৰিছিল তাৰ আজিয়ে সেই জলাশয় সেই বনভূমি বেদখল মুক্ত কৰিছে একমাত্ৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে। যিটো আমাৰ সকলোৰে প্ৰাপ্য নতুন প্ৰজন্মক ভবিষ্যৎ এখন সুন্দৰ অসম দিয়াৰ কাৰণে যিখিনি সিদ্ধান্ত লৈছে সেইখিনি সিদ্ধান্ত মই পুনৰ সমৰ্থন কৰিছো আৰু ৰাজ্যপালৰ যি ভাষণ এই ভাষণ সম্পূৰ্ণভাৱে অসমৰ স্বাৰ্থত ৰাখিছে এই কাৰণে ৰাজ্যপালৰ অভিভাষণক মই বহুত বহুত ধন্যবাদ জ্ঞাপন কৰিছো আৰু একে তাৰিখতে একে সময়েত যদি আমি চাও আজি উন্নয়ন প্ৰতিটো সমষ্টি যাতায়তৰ যি উন্নয়ন, শিক্ষাৰ যি উন্নয়ন, বানপানী গৰাখহনীয়াৰ যি ব্যৱস্থা সকলো নিখুতভাৱে কৰা হৈছে। ৰাইজৰ প্ৰতিটো সুখ দুখত প্ৰত্যেকজন জনপ্ৰতিনিধি আজি কাষত আছে মই অনুভৱ কৰো যে আগন্তুক এই পাঁচ বছৰত অসম আৰু অসমীয়াৰ স্বাৰ্থত সুৰক্ষিত হ'ব অসম বিকাশৰ ক্ষেত্ৰত সম্পূৰ্ণভাৱে ভাৰতবৰ্ষৰ পাঁচখন ৰাজ্যৰ ভিতৰত অন্যতম ৰাজ্য হ'ব পাৰিব সেই আশা মই ৰাখিছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী নুৰুল ইছলাম।

**শ্ৰী নুৰুল ইছলাম (সৃজনগ্ৰাম)**- মাননীয় অধ্যক্ষ মহোদয়, পৱিত্ৰ সদনত প্ৰথমবাৰ নিৰ্বাচিত হৈ আহিছো আৰু এই প্ৰথমবাৰ নিৰ্বাচিত হৈ অহাৰ পিছতো আপুনি দুই এষাৰ কবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। লগতে ধন্যবাদ জনাইছো মোৰ সৃজনগ্ৰাম সমষ্টিবাসীক। সৃজনগ্ৰাম সমষ্টিৰ সমষ্ট ভোটাৰ যি সকলে মোক ভোট দি এই পৱিত্ৰ সদনলৈ পঠিয়াইছে আৰু যি সকলে মোৰ বিৰুদ্ধে ভোট দি মোৰ সমালোচনা কৰি মোক শুধৰণি কৰিবলৈ কৈছে তেওঁলোক সকলোকে ধন্যবাদ জনাইছো। মহামান্য ৰাজ্যপালৰ ভাষণত আমি কেইটামান বিৰোধিতাৰ কাৰণে কেইটামান কথা পৱিত্ৰ সদনত ৰাখিম। এতিয়া বাৰিষাৰ সময়, প্ৰত্যেক বছৰৰ দৰে এইবাৰো নিশ্চয় বানপানী হ'ব। মোৰ সমষ্টিত মানাস, আই নদী, বোকালগী, ব্ৰহ্মপুত্ৰ আৰু চম্পা নদীয়ে প্ৰত্যেকবাৰ বানপানীৰ সৃষ্টি কৰে আৰু এই বানপানীত বহুতো মানুহ ঘৰ বাৰী এৰি আশ্ৰয় শিবিৰত আশ্ৰয় লব লগা হয় আৰু গোটেই অসমত বানপানীৰ ফলত হাজাৰ হাজাৰ লোকে আশ্ৰয় শিবিৰত যাব লগা হয় নিজৰ ঘৰ বাৰী এৰি। মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত এই বানপানী নিয়ন্ত্ৰণৰ কাৰণে অগ্ৰিম কোনো ব্যৱস্থাৰ কথা উল্লেখ কৰা দেখা নগ'ল। মোৰ সমষ্টিত বহুত যুৱক ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগতে বিশেষকে দক্ষিণ ভাৰতৰ বিভিন্ন চহৰত কৰ্মৰ কাৰণে যাবলগীয়া হয় আৰু গোটেই অসমত অসংখ্য নিবনুৱা যুৱকে বহিঃৰাজ্যত কাম কৰিবলৈ যাবলগীয়া হয়। কিন্তু মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত এই নিবনুৱা যুৱক সকল যাতে অসমতে কৰ্মসংস্থাপন পায় তাৰ কাৰণে কোনো ব্যৱস্থাৰ কথা উল্লেখ কৰা দেখা নগল। অসমৰ চাহ বাগিছা আমাৰ গৌৰৱ আৰু এই গৌৰৱৰ আঁৰত চাহ শ্ৰমিক সকলৰ যি জীৱন এই জীৱন অতি কষ্টকৰ। এই মূল্যবৃদ্ধিৰ সময়ত যি সময়ত চাউল, আটা, চেনি, দালি সকলো বস্তুৰে আকাশলংঘী মূল্য আৰু সেই সময়ত এজন চাহ শ্ৰমিকৰ দৈনিক মজুৰি মাত্ৰ ২৮০ টকা। মাননীয় অধ্যক্ষ মহোদয় , আপোনাৰ জৰিয়তে চৰকাৰলৈ মোৰ

প্ৰশ্ন এই ২৮০ টকাত এটা পৰিয়াল পোহপাল দিয়া সম্ভৱ হয় নেকি ? এই মূল্যবৃদ্ধিৰ সময়ত আপোনাৰ জৰিয়তে এই চৰকাৰলৈ মোৰ দাবী যে অতি শীঘ্ৰে এই চাহ শ্ৰমিকসকলৰ দৈনিক মজুৰি ৫০০ টকালৈ বৃদ্ধি কৰিব লাগে। ধন্যবাদ

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় বিধায়ক ডাঃ ৰাজদ্বীপ ৰয়, শিলচৰ৷

**ডাঃ রাজদীপ রায় (শিলচর সমষ্টি)-** অধ্যক্ষ মহোদয়, আপনাকে অত্যন্ত গভীর শ্রদ্ধা সহকারে আমি ধন্যবাদ জানাতে চাই যে আপনি আমাকে সময় করে দিয়েছেন। আমি আজ একটু আবেগিক, কারণ আমার স্বর্গীয় পিতৃদেব এই এসেম্বলিতে যখন ভারতীয় জনতা পার্টির অস্থিত্ব ঠিক সেরকম ভাবে আসামে ছিল না সেই সময় ১০ বছর ১৯৯৬ থেকে ২০০৬ অবধি স্বর্গীয় বিমলাংশু রায় এই সদনের সদস্য ছিলেন। আমি ওনার ছেলে হিসাবে আজ অত্যন্ত গর্বিত বোধ করছি যে ভারতীয় জনতা পার্টির কাজ আজ পুরো আসামে ছড়িয়ে ছিটিয়ে গেছে। আজ মহামহিম রাজ্যপাল যেভাবে বক্তব্য রেখেছেন আমি দাঁড়িয়ে ওনার সমর্থনে দু-চারটি কথা আপনার সম্মূখে তুলে ধরতে চাই। যেভাবে অটল বিহারী বাজপেয়ী জী উত্তর-পূর্ব ভারতের উন্নয়নের জন্য ডোনার মিনিস্ট্রি বানিয়েছিলেন ঠিক সেইভাবে ড° হিমন্ত বিশ্ব শর্মা মহাশেয়র দুরদর্শী নীতির জন্য আমরা দেখতে পেলাম কিছু দিন আগে যে বরাক ভ্যালী ডেভেলপমেন্ট একটি ডিপার্টমেন্ট বানিয়ে নতুন মন্ত্রী দিয়ে সেখানে ফান্ড সেংশন করেছেন। বরাক ভ্যালীতে অনুন্নয়নের যাত্রা আমরা ৭০ বছর থেকে দেখে আসছি কংগ্রেসের আমলে সেই অবস্থা থেকে আজ আমদের উত্তরণ হয়েছে। আসাম দুই উপত্যকায় বিভক্ত। ব্রহ্মপুত্র উপত্যকার সমস্যা ছিল যে এখানে সিভিল লাইফের আনরেস্ট , এখানে বম ব্লাস্ট আর বরাক উপত্যকার সমস্যা ছিল অনুন্নয়ন, আন্ডারডেভেলপমেন্ট একটি কলনি মেন্টেলিটি ছিল । আজকে ভারতীয় জনতা পার্টির বিশেষ করে ড° হিমন্ত বিশ্ব শর্মা সরকারের আমলে ২০২১ থেকে দুটো উপত্যকার পুরো চিত্র পরিবর্তন হতে শুরু হয়েছে। আজ আমরা দেখতে পারছি ব্রহ্মপুত্র উপত্যকাতে কোন বম ব্লাস্ট নেই , কোন বন্ধ নেই, কোন সিভিল আনরেস্ট সেইভাবে হয়নি। আর বরাক উপত্যকাতে আমি যেখান থেকে আসি সেই কেন্দ্রবিন্দু শিলচরে ছড়িয়ে পুরো ১৩টি কনস্টিটুয়েন্সিতে আজ উনয়ন্নের ছায়া লেগেছে। আমি দু-চারটি কথা যেটা আমাদের মহামহিম রাজ্যপাল বলেছেন, ওনার ভাষনকে ধরে আমি আপনাদের

সামনে তুলে ধরতে চাই। আজ বরাক উপত্যকায় মিনি সেক্রেটাৰিয়েট ২০১৬ র পরে আরম্ভ হয়েছিল এই মিনি সেক্রেটারিয়েটকে পূর্ণাঙ্গ রূপ দিয়ে পূর্ণাঙ্গ সেক্রেটারিয়েট বানিয়ে ইতিমধ্যে আমরা কয়েকদিন আগে সেটা Inauguration করা হয়েছে। আমাদের বরাক উপত্যকাতে একটি নতুন কনভেনসন সেন্টার হয়েছে এবং আধুনিক ডিস্ট্রিক্ট লাইব্রেরি অ্ডিটেরিয়াম হচ্ছে । প্রত্যেকটি জেলায় নতুন করে ডিসি অফিস হচ্ছে এবং আমরা দেখতে পাচ্ছি যে ঐতিহ্যবাহী ১৯৩৫ ইংরাজীর গুরুচরণ কলেজকে ইউনির্ভাসিটি বানিয়ে বরাক উপত্যকার অনেক দিনের আশা এবং আকাংখ্যাকে পূর্ণ করতে ড° হিমন্ত বিশ্ব শর্মার সরকার সক্ষম হয়েছে। অধ্যক্ষ মহোদয়, ডলুতে নতুন ইনটারনেশন্যাল এয়ারপোর্ট হওয়ার দিকে যাচ্ছে। আগামী দিনে সেই এয়ারপোর্টও পূর্ণাঙ্গ রূপ পাবে বলে আমরা আশা রাখি। আজকে নরেন্দ্র মোদীজী যেভাবে ব্রডগেজ লাইনের কনর্ভাসন যেটা ১৮ বছর কংগ্রেস সরকার সেংসন থাকা অবস্থাতেও করতে পারেনি ৬৪৮ কোটি টাকার প্রজেক্ট ব্রডগেজ কনর্ভাসন লামডিং থেকে বদরপুর যেটা ১৯৯৬ সালে করা হয়েছিল সেটা শেষ হতে ২০১৫ তে আমরা দেখতে পেলাম সেটা ৫হাজার কোটি টাকার প্রজেক্ট। আজ আমাদের মাননীয় ড° হিমন্ত বিশ্ব শর্মার সরকারের জন্য আজ অনেকগুলো প্রজেক্ট আসাম মালা এবং ভারত মালার প্রজেক্ট বরাক উপত্যকাতে হয়েছে। আজ নরেন্দ্র মোদী জী ভারতবর্ষের প্রধানমন্ত্রী এসে একটি হাই স্পিড কোরিডোরের Inauguration হয়েছে কিছু দিনের মধ্যে কাজ শুরু হবে । আজকে অটল জী-র স্বপ্ন মহাসড়কের কাজও ৯০-৯৫ শতাংশ কাজ হয়ে গেছে। আগে বরাক উপত্যকা এবং ব্রহ্মপুত্র উপত্যকার মধ্যে একটা ভৌগলিক দূৰত্ব ছিল এবং মানসিক দূরত্বও ছিল সেই মানসিক দূরত্ব অতিক্রম করে আজ ব্রহ্মপুত্র উপত্যকা এবং বরাক উপত্যকা একাকার হয়ে আসামকে এগিয়ে নিয়ে যাচ্ছে। আমি আজ দাড়িয়ে সংরক্ষণ প্রাপ্ত হয়ে আমি আমাদের মহামহিম রাজ্যপালের যে বক্তব্য উনি রেখেছেন যে দিক নির্দেশনকারী বক্তব্য সেটাতে আমি সহমত পোষণ করছি। ধন্যবাদ৷

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আশ্ৰাফুল ইছলাম শ্বেইখ।

**শ্ৰী আশ্ৰাফুল ইছলাম শ্বেইখ (পৰ্বতঝোৰা)**ঃ অধ্যক্ষ মহোদয় আজিৰ এইখন পবিত্ৰ সদনত নিজৰ বক্তব্য ৰাখিব পাই মই নথৈ আনন্দিত। ৫ নং পৰ্বতঝোৰাবাসী ৰাইজক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো এইখন পবিত্ৰ মঞ্চত

আহিবলৈ সুবিধা কৰি দিয়াৰ কাৰণে। ৰাজ্যপালৰ ভাষণৰ বিৰোধিতাৰে আমাৰ কিছুমান বক্তব্য ইয়াত ৰখাৰ প্ৰয়োজনবোধ কৰিছো। ৰাজ্যপাল অসমখনৰ এটা constitutional superior, গতিকে অসমৰ সৰ্বাংগীন দিশত প্ৰত্যেকটো ক্ষেত্ৰত তেখেতৰ ভাষণত ফুটি উঠিব লাগিছিল কিন্তু আমি দেখা পাইছো তেখেতৰ যি বক্তব্য সেই বক্তব্যত মূল্যবৃদ্ধিৰ কথা ভাঁহি উঠা নাই, Roads and connectivityৰ কথা ভাঁহি উঠা নাই, স্বাস্থ্যৰ কথা ভাঁহি উঠা নাই, শিক্ষাৰ কথা ভাঁহি উঠা নাই। বিশেষকৈ, মোক যিহেতু পৰ্বতঝোৰা সমষ্টিৰ পৰা, বিটিচি অঞ্চলৰ এক সীমামূৰীয়া অঞ্চলৰ ৰাইজে ভোট দি এইখন পবিত্ৰ সদনত পঠিয়াইছে। এই পৰ্বতঝোৰা বিধান সভা সমষ্টিখন delimitation ৰ পিছত, আজিৰ তাৰিখত ইয়াত যথেষ্টখিনি উন্নয়নমূলক কাম কৰাৰ প্ৰয়োজন বোধ কৰিছো। সাধাৰণতে আমাৰ সেই অঞ্চলসমূহ ৩ মাহ বানপানীৰ কৱলত থাকে। মানুহখিনিয়ে ৰাস্তাৰে যাব নোৱাৰে, নাঁৱেৰে অহা-যোৱা কৰিব লাগে। বৃহত্তৰ খুতাবগ্ৰা, বড়োভিঠা, শান্তিপুৰ, লালঘাট এই অঞ্চলসমূহত ৩ মাহতকৈ অধিক সময় বানপানী থকা দেখা যায়। তেনে ক্ষেত্ৰত আমাৰ পৰ্বতঝোৰা সমষ্টিৰ অন্তৰ্গত যিসমূহ ৰাস্তা-ঘাট আছে সেই সমূহ earth filling ৰ জৰিয়তে ঘাট level ৰাস্তা বনোৱাৰ কাৰণে মই অনুৰোধ জনাইছো আৰু বিশেষকৈ আমাৰ পৰ্বতঝোৰা সমষ্টিত এতিয়ালৈকে এখনো 100 bedded hospital নাই। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ অৰ্ডাৰ মতে প্ৰত্যেকখন subdivision ৰ অধীনত এখনকৈ 100 bedded hospital থাকিব লাগে। কিন্তু এতিয়ালৈকে সম্ভৱ হৈ উঠা নাই। আমাৰ দেখা গৈছে যে সেই অঞ্চলসমূহত এতিয়ালৈকে quality education কৰিব পৰা বিদ্যালয় এতিয়ালৈকে নাই। সেই সীমামূৰীয়া অঞ্চলত এনেকুৱা বিদ্যালয় আছে য'ত ৩০:১ অৰ্থাৎ ৩০ জন ছাত্ৰৰ বিপৰীতে ১ জন শিক্ষক নিযুক্তি থাকিব লাগে। কিন্তু দেখা গৈছে য'ত ৩০০ ছাত্ৰ আছে, তাত ২ জন বা ৩ জন শিক্ষকে পাঠদান কৰি আছে। আমি দেখা পাইছো যে এই ছাত্ৰ-ছাত্ৰী সকলৰ আমি যদি rural development, human resource ৰ ওপৰত গুৰুত্ব

নিদিওঁ, তেতিয়াহ'লে এই ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত অন্ধকাৰৰ পিনে ঠেলি দিয়া হ'ব। অধ্যক্ষ মহোদয়, আমাৰ এই দুদিনৰ ভিতৰত আমাৰ পৰ্বতঝোৰাত হাতী আৰু মানুহৰ মাজত যথেষ্ট সংঘাত দেখা গৈছে। নিশা ২ বজাত মোলৈ ফোন আহে যে হাতীয়ে মানুহৰ ঘৰত গৈ আক্ৰমণ কৰি আছে। এটা মাহতে ৫-৭ খন ঘৰত এনেকৈ হাতীয়ে আক্ৰমণ কৰিলে, গতিকে বিভাগীয় কৰ্তৃপক্ষৰ জৰিয়তে এটা elephant corridor হওঁক বা হাতীয়ে যাতে ঘৰ ভাঙিব নোৱাৰে তাৰ কাৰণে এটা প্ৰচেষ্টা হাতত লোৱাৰ বাবে অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ জনাইছো।

**माननीय অধ্যক্ষ** ঃ কিশোৰ নাথ। আপোনাৰ সময় ২ মিনিট।

**শ্ৰী কিশোৰ নাথ, ( বৰখলা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনত মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত সমৰ্থন জনাই বক্তব্য আগবঢ়াব পাই নিজকে মই অতিশয় গৌৰৱান্বিত আৰু সৌভাগ্যৱান অনুভৱ কৰিছো। প্ৰথমে মই মহামান্য ৰাজ্যপাল মহোদয়ক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেওঁৰ ভাষণত বৰ্তমান অসম চৰকাৰৰ উন্নয়ন অগ্ৰযাত্ৰা, জনকল্যাণমূলক কাৰ্য্যসূচী, শান্তি প্ৰতিষ্ঠা আৰু উন্নত অসম গঢ়াৰ সুস্পষ্ট ৰূপ-ৰেখা অত্যন্ত সুন্দৰ ভাৱে প্ৰতিফলিত হৈছে। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ দূৰদৰ্শী, শক্তিশালী আৰু গতিশীল নেতৃত্বত আজি অসম নতুন আত্মবিশ্বাসেৰে আগবাঢ়ি গৈছে। এসময়ৰ অশান্ত অসম আজি উন্নয়ন, বিনিয়োগ, শিক্ষা, স্বাস্থ্য আৰু আন্তঃগাঁথনিৰ উন্নয়নৰ এক নতুন অধ্যায় ৰচনা কৰিছে। মাননীয় অধ্যক্ষ মহাশয়, আজি অসমত এটাৰ পিছত এটা ঐতিহাসিক আৰু বৃহৎ প্ৰকল্প বাস্তৱায়িত হৈ আছে। ৰাইজৰ যোগাযোগ ব্যৱস্থা অধিক শক্তিশালী কৰিবলৈ গুৱাহাটী ৰিং ৰোড প্ৰকল্প, ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নতুন নতুন দলং, বৰাক নদীৰ ওপৰত নতুন নতুন দলং নিৰ্মাণ, ধুবুৰী-ফুলবাৰী দলং, ভূপেন হাজৰিকা সেতুৰ দৰে বৃহৎ আন্তঃগাঁথনিৰ উন্নয়নে অসমক দেশৰ

অন্যতম অগ্ৰণী ৰাজ্য হিচাপে গঢ়ি তুলিছে। ইয়াৰোপৰিও semi conductor উদ্যোগ স্থাপনৰ জৰিয়তে অসম আজি প্ৰযুক্তি আৰু শিল্পায়নৰ এক নতুন যুগত প্ৰৱেশ কৰিছে। TATA Group ৰ semi conductor প্ৰকল্প সমগ্ৰ উত্তৰ – পূৰ্বাঞ্চলৰ বাবে এক ঐতিহাসিক পদক্ষেপ। ইয়াৰ ফলত হাজাৰ হাজাৰ যুৱকৰ কৰ্ম সংস্থাপনৰ পথ সুগম হ'ব। শিক্ষা ক্ষেত্ৰত নতুন মেডিকেল কলেজ, বিশ্ববিদ্যালয় আৰু স্বাস্থ্য খণ্ডত আধুনিক চিকিৎসা ব্যৱস্থা আৰু কৃষক সকলৰ বাবে বিভিন্ন জনকল্যাণমূলক আঁচনিয়ে সাধাৰণ মানুহৰ জীৱনত ইতিবাচক পৰিৱৰ্তন আনিছে। বিশেষভাৱে মই বৰাক উপত্যকাৰ উন্নয়নৰ বিষয়টো উল্লেখ কৰিব বিচাৰিছো। বহু বছৰৰ অৱহেলাৰ পিছত বৰাক উপত্যকা আজি উন্নয়নৰ মূল সোঁতত সংযুক্ত হৈছে। শিলচৰ বিমান বন্দৰ সম্প্ৰসাৰণ, ৰাষ্ট্ৰীয় ঘাই-পথৰ উন্নয়ন, বদৰপুৰ লামডিং ৰে'লপথৰ আধুনিকীকৰণ, চিকিৎসা আৰু শিক্ষা ক্ষেত্ৰত নতুন সুবিধা লগতে বৰাক নদীৰ ওপৰত সংৰক্ষণ আৰু বান নিয়ন্ত্ৰণত চৰকাৰৰ পদক্ষেপ অত্যন্ত প্ৰশংসনীয়। বৰাক উপত্যকাৰ জনসাধাৰণৰ বহুদিনীয়া সপোন পূৰণ কৰি বিভিন্ন পথ আৰু দলং নিৰ্মাণৰ কাম দ্ৰুতগতিত আগবাঢ়িছে। চাহ-শ্ৰমিক, কৃষক, ক্ষুদ্ৰ ব্যৱসায়ী আৰু যুৱ সমাজৰ উন্নয়নৰ বাবে চৰকাৰে ধাৰাবাহিক ভাৱে কাম কৰি আছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী কিশোৰ নাথ ( বৰখলা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এক মিনিটত শেষ কৰিম। মই যদি বৰাক উপত্যকাৰ কথা কওঁ, মোৰে সমষ্টিত .....interruptions....

**মাননীয় অধ্যক্ষঃ** আপুনি বেলেগ এদিন ক'বা। আজি আপোনাক ২ মিনিট সময় দিয়া হৈছিল। আপুনি নিজে মোক ২ মিনিট সময়ৰ কথা লিখি দিছিল সেয়েহে মই আপোনাৰ অনুৰোধটো ৰাখিছো। গতিকে আপুনিও মোৰ

অনুৰোধটো ৰাখক। ধন্যবাদ।

**শ্ৰী কিশোৰ নাথ ( বৰখলা)ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ** এতিয়া সন্মানীয় সদস্য মেহবুব মোক্তাৰ। আপোনাৰ সময় ২ মিনিট। আপোনাৰ লীডাৰে ইতিমধ্যে কৈছে৷ সেয়েহে আপুনি ২ মিনিট ক'লেই হ'ব৷

**মোঃ মেহবুব মোক্তাৰ (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ধিং বিধান সভা সমষ্টিৰ পৰা নৱ-নিৰ্বাচিত বিধায়ক৷ মই প্ৰথমবাৰ বিধান সভাত আহিছো। মই নতুন মানুহ। জ্যেষ্ঠজনৰ পৰা বহুত শিকিবলগীয়া মোৰ আছে। মই মোৰ সমষ্টিৰ বিষয়ে যদি কওঁ অসমৰ ভিতৰত উন্নয়নৰ ফালেৰে আটাইতকৈ পিছ পৰা সমষ্টিটোৰ নামেই হৈছে ৫৫ নংধিং বিধান সভা সমষ্টি৷ যোৱা ২০ টা বছৰে এই সমষ্টিটোত কেৱল ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতি চলি আছিল । আমাৰ সমষ্টিবাসীয়ে উন্নয়নৰ মুখ দেখাই নাই। তেনে ক্ষেত্ৰত শিক্ষা স্বাস্থ্য, যাতায়ত সকলো ফালৰ পৰাই আমি পিছ পৰি আছো৷ আৰু আমাৰ অঞ্চলটো যিহেতু এটা গৰা-খহনীয়া অঞ্চল য'ত গৰাখহনীয়াৰ ফলত বহু অঞ্চল ইতিমধ্যে জাহ গৈছে। জাহ যোৱাৰ ফলত এটা সময়ত জমিদাৰ আছিল লোকসকল। ৫০ বিঘা ১০০ বিঘাৰ মাটিৰ মালিক আছিল। কিন্তু আজি সেইসকল ব্যক্তি পথৰ ভিক্ষাৰী হৈ গৈছে। যাৰ ফলত তেওঁলোকে মাথাউৰিৰ ওপৰত বাসবাস কৰিছে। এনেকুৱা চৰ অঞ্চলত গৈ বাস কৰিছে, এতিয়া আমাৰ আটাইতকৈ সমস্যাটো হৈছে যে আমাৰ ধৰম, শোণিতপুৰ, মৰিগাওঁ, নগাওঁ জিলাৰ আমাৰ সীমাটো নিৰ্ধাৰণ হোৱা নাই আৰু বনাঞ্চলত প্ৰায় সময় আহি আজি কিছুদিন ধৰি এটা আতংকৰ পৰিৱেশ সৃষ্টি হৈছে চৰ অঞ্চলত বনাঞ্চলে আহি আধাৰ কাৰ্ড বিচাৰি লৈ যায় আৰু ঘৰত ৰঙা চিন এটা মাৰি থৈ যায় বন বিভাগে। যাৰবাবে এটা আতংকৰ পৰিৱেশ সৃষ্টি হৈছে। মই আজি অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰক এটা অনুৰোধ কৰিম যাতে চৰকাৰে ধৰম, মৰিগাওঁ, নগাওঁ আৰু শোণিতপুৰৰ সীমাটো যাতে নিৰ্ধাৰণ কৰি দিলে মই ভাবো যে ৰাইজ আতংকৰ পৰা ৰক্ষা পৰিব আৰু আমাৰ যি গড়াখহনীয়াৰ সমস্যা আছিল, বিগত দিনত অলপ কাম হৈছে আমাৰ ধিং সমষ্টিত আৰু অলপ কাম আমাৰ বাকী আছে। মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰৰ অনুৰোধ জনাম যাতে যি অংশখিন বাকী আছে, গড়াখহনীয়া অঞ্চল প্ৰতিৰোধ কৰাৰ বাবে যাতে স্থায়ী সমাধান এটা কৰি দিয়ে তাৰবাবে মই অনুৰোধ জনাইছো আৰু মোৰ লক্ষ্য এটাই লৈ আহিছো সমষ্টিতো উন্নয়ণ কৰাৰ বাবে আগুৱাই আহিছো। গতিকে আমাৰ সমষ্টিটোৰ প্ৰতি যাতে

চৰকাৰে বিশেষ দৃষ্টি দিয়ে আৰু যাতে এটা special package বাটপথখিনি নিৰ্মাণ কৰাৰ বাবে ধিং সমষ্টিত দিয়ে যোৱা ২০ বছৰৰ অভাৱটো যাতে ৫বছৰত পুৰণ কৰিব পাৰো এইখিনিকে কৈ চৰকাৰক অনুৰোধ জনাই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী শশীকান্ত দাস। ৪ মিনিট সময়।

**শ্ৰী শশীকান্ত দাস, ৰহাঃ** জয় গুৰু শংকৰ, সৰ্ব গুণাকৰ,
যাক এৰি নাহিকে উপাম।
তোহাৰী চৰণে ৰেণু শত কৌটি
বাৰেক কৰোহো প্ৰণাম প্ৰভু
কৰোহো প্ৰণাম প্ৰভু॥

ষষ্ঠদশ অসম বিধান সভাৰ পৱিত্ৰ মঞ্চত আজি বক্তব্য ৰখাৰ প্ৰাকক্ষণত ৬১ নং ৰহা বিধান সভা সমষ্টিৰ সন্মানীয় ভোটাৰ ৰাইজক, ভোটদাতা ৰাইজক মই শ্ৰশ্ৰদ্ধ প্ৰণিপাত আৰু ভক্তিভৰা সেৱা যাচিছো। দ্বিতীয় বাৰৰ বাবে অসম বিধান সভাৰ পৱিত্ৰ মঞ্চত সমষ্টিটোক প্ৰতিনিধিত্ব কৰিবৰ বাবে আগবঢ়াই দিয়াৰ বাবে মই সমষ্টিবাসীক সমূহ সন্মানীয় ভোটাৰ ৰাইজক মই শ্ৰশ্ৰদ্ধ প্ৰণিপাত আৰু ভক্তিভৰা সেৱা যাচিছো। অসমৰ মাননীয় ৰাজ্যপাল ডাঙৰীয়াই আমাৰ ষষ্ঠদশ বিধান সভাৰ অধিবেশনৰ ভাষণত যি তেখেতৰ বক্তব্য আগবঢ়ালে মই ভাবো এই বক্তব্য ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বাধীন অসমৰ সৰ্বকালৰ দুৰদৰ্শী মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বত যোৱা সময়খিনিত অসমৰ সামগ্ৰীক উন্নয়ণ আৰু বিকাশৰ বাবে অবিৰতভাৱে তেখেতে যি কৰ্মযজ্ঞত ব্ৰতী হৈছিল আৰু ৰাজ্যখনত ভাৰতবৰ্ষৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত প্ৰতিষ্ঠা কৰা প্ৰয়াস আৰু প্ৰচেষ্টা মুখ্যমন্ত্ৰী গৰাকীয়ে সন্মুখৰ পৰা যি বলিষ্ঠ নেতৃত্ব দিছিল, তাৰ ফলস্বৰূপে বিগত সময়খিনিত আজি অসমে এক উন্নয়ণৰ শিখৰত বা উন্নয়ণৰ দিশত আগুৱাই যোৱা প্ৰয়াস আৰু প্ৰচেষ্টাৰে আমি সফলভাৱে আগুৱাই যাবলৈ সক্ষম হৈছো আৰু তাৰ বাস্তৱিকতা আমি যোৱা অসম বিধান সভা নিৰ্বাচনৰ ফলাফলত আমি দেখিবলৈ পাইছিলো যে কল্পনা কৰাতকৈয়ো অসমৰ ৰাইজে ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বাধীন ভাৰতীয় জনতা পাৰ্টী আৰু NDA চৰকাৰে একক সংখ্যা গৰিষ্ঠতাৰে যি আশীষ প্ৰদান কৰি ৰাজ্যখনৰ শাসন ভাৰ পুনৰবাৰ দায়িত্ব দিছে, ইয়ে প্ৰমাণ কৰে যে যোৱা বিগত সময়খিনত ৰাজ্যখনৰ সামগ্ৰীক উন্নয়ণ আৰু বিকাশৰ বাবে ভাৰতীয়া জনতা পাৰ্টীৰ নেতৃত্বধীন অসমৰ সৰ্বকালৰ দুৰদৰ্শী জনপ্ৰিয় মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই জাতিটোক সুৰক্ষিতভাৱে আৰু অসমৰ আৰ্থ-সামাজিক উন্নয়ণ আৰু বিকাশক তৰান্বিতভাৱে আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত সফলভাৱে তেখেতে আগুৱাই গৈছে আৰু এই গোটেই আজি

মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ বক্তব্যত সম্পূৰ্ণকৈ খুব এখন জীয়া প্ৰতিছবি আমি দেখিবলৈ পাইছো। মোৰ সৌভাগ্য হৈছিল পঞ্চদশ লোকসভা বিধান সভা, সেই পবিত্ৰ মজিয়াত উপস্থিত থকা যোৱাবাৰ । সেইখিনি সময়ত অসমৰ সৰ্বকালৰ দুৰদৰ্শী জনপ্ৰিয় মাননীয় মুখ্যমন্ত্ৰী গৰাকীয়ে ৰাজ্যখনৰ যি আমাৰ নিবনুৱা সমস্যা, এই নিবনুৱা সমস্যাক সমাধান কৰাৰ ক্ষেত্ৰত বলিষ্ঠভাবে সন্মুখৰ পৰা নেতৃত্ব দিছিল। মোৰ সৌভাগ্য হৈছিল তেখেতৰ সেই বহুমুলীয়া বক্তব্য বিধান সভাৰ মজিয়াত তেখেতে যেতিয়া প্ৰদান কৰিছিল, তেখেতে কৈছিল যে ৰাজ্যখনৰ আমাৰ নিবনুৱা শিক্ষিত যুৱক-যুৱতী সকলক স্বচ্ছ আৰু মেধাৰ ভিত্তিত এটকাও নোহোৱাকৈ ১ লাখ যুৱক-যুৱতীক শিক্ষিত মেধাৰ ভিত্তিত আমি নিযুক্তি প্ৰদান কৰিম। এই কথাখিনি তেখেতে বিধান সভাৰ মজিয়াত উল্লেখ কৰিছিল। সেই সময়ত বিৰোধী দলৰ সেই সকল বিধায়কে আশ্বৰ্য্য প্ৰকাশ কৰিছে । কাৰণ কেতিয়াও কল্পনা নকৰা কাৰণ কংগ্ৰেছৰ দীৰ্ঘদিনীয়া শাসনকালত চাকৰি নিযুক্তি সেই ধৰণে হৈছিল, যাৰ হাতত ধনৰ টোপোলাৰে অবাধ এনে ধৰণৰ বেকা ৰাষ্টাৰে হৈছিল , য'ত স্বচ্ছতা বা এনেকুৱা এটা ব্যৱস্থা তাত নাছিল। তেওঁলোকে সন্দেহ কৰিছিল যে ইমান স্বচ্ছ আৰু নিকাভাৱে এটকাও নোলোৱাকৈ। আমাৰ দিনততো আমি উৎকোচ লৈহে কামটো কৰো। এইগৰাকী মুখ্যমন্ত্ৰীয়েটো আজি এটকাও নোহোৱাকৈ স্বচ্ছ আৰু নিকাভাৱে দিয়াৰ কথা কৈছে। তাকো ১লাখ। এয়া কেনেকৈ সম্ভৱ ? সেইখিনি সময়ত মুখ্যমন্ত্ৰী গৰাকীক যেতিয়া বিৰোধী পক্ষই ব্যতিভ্ৰস্ত কৰিছিল, মুখ্যমন্ত্ৰী ডাঙৰীয়াই পবিত্ৰ বিধান সভাৰ মজিয়াত স্পষ্টভাৱে কৈছিল যে অসমত মই এটাও চাকৰি শিক্ষিত নিবনুৱা যুৱক-যুৱতীক চাকিৰ দিম এটকাও নোহোৱাকৈ স্বচ্ছ আৰু নিকাভাবে মই একলাখ নিযুক্তি দিম । আপোনালোকে গণি গণি হিচাপ কৰি যাওঁক। যোৱা পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰী গৰাকী বলিষ্ঠ নেতৃত্বত ১ লাখ নহয়, ১৬৫ হাজাৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতী এই অসমত মেধাৰ ভিত্তিত নিযুক্তিৰে আগুৱাই নিবলৈ সক্ষম হ'ল সেইসকল লোকে কল্পনা কৰা নাছিল। এটা সময়ত চাকিৰ পাবলৈ শিক্ষিত নিবনুৱা যুৱক-যুৱতী সকলে পঢ়াশুনা বাদ দিছিল যে আমি ভালদৰে পঢ়াশুনা কৰি কি কৰিম ? আমাৰ পৰিয়ালৰ মা-দেউতাহতেতো ধনৰ টোপোলাৰে চাকৰি কিনিব নোৱাৰে আৰু সেই সকল যুৱক-যুৱতী মেধাৰ ভিত্তিত ডা০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত অসমত ১ লাখ ৬৫ হাজাৰ চাকৰি যোৱা সময়খিনিত হৈছে আৰু পৰৱৰ্তী সময়ত আজি এই গৰাকী মুখ্যমন্ত্ৰীৰ বলিষ্ঠ নেতৃত্বত পুনৰ ২ লাখ শিক্ষিত নিবনুৱা যুৱক-যুৱতীক এক কৰ্ম সংস্থাপনৰ দিশত আগুৱাই নিয়াৰ ঘোষণাই অসমৰ আমাৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতী সকলক উৎসাহিত কৰিছে আৰু সাহসী কৰিছে, আশাৰ বতৰা কঢ়িয়াই আনিছে। এইক্ষেত্ৰত অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী গৰাকীয়ে অসমৰ সামগ্ৰীক উন্নয়ণৰ বিকাশৰ লগতে

ৰাজ্যখনক আগুৱাই নিয়াৰ যি প্ৰয়াস আৰু প্ৰচেষ্টা এই গোটেই কথাখিন মাননীয় ৰাজ্যপাল ডাঙৰয়ীয়াৰ বক্তব্যত পৰিস্ফুট হৈছে । মই ৰাজ্যপাল ডাঙৰীয়াৰ বক্তব্যত পুৰ্ণ সমৰ্থন আগবঢ়াই এষাৰ কথা ক'ব খুজিছো , বাজক ডবা, বাজক শংখ, বাজক মৃদংগ খোল, অসম আকৌ উন্নতি পছত জয় আই অসম বোল। ভাৰত মাতা কি জয়।

**মাননীয় অধ্যক্ষঃ** শ্ৰীভিক্টৰ দাস। ২ মিনিটত শেষ কৰিব৷

**শ্ৰী ভিক্টৰ দাস, গোৰেশ্বৰঃ** ধন্যবাদ অধ্যক্ষ মহোদয়। ৰাজ্যপাল মহোদয়ৰ অভিভাষণৰ ওপৰত যি মন্তব্য আগবঢ়োৱাৰ সুযোগ মোক দিলে তাৰবাবে মই আন্তৰিকতাৰে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো আৰু সৌ সিদিনা আমাৰ ৰাজ্যপাল মহোদয়ে তেখেতৰ অভিভাষণত যিখিনি কথা কৈছে খুৱ আন্তৰিকতাৰে সেই কথাখিন আমি সমৰ্থন জনাইছো৷ যিখিনি কথা তেখেতৰ অভিভাষণত প্ৰকাশ পাইছে খুৱ এখন জীয়া ছবি তেখেতৰ ভাষণত তেখেতে দাঙি ধৰিছে আৰু BTC অঞ্চলৰ প্ৰতিনিধিত্ব কৰিছো আৰু তাৰ বহুখিনি কথা আমাৰ অন্তৰ চুই গৈছে। আমি প্ৰায় ২০০১ চনলৈকে বি টি চি ত শান্তি কি বস্তু আমি অনুভৱ কৰাই নাছিলো আৰু যেতিয়া ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আমাৰ বি টি চি খনক এক সুকীয়া পৰিকল্পনা কৰিলে, শান্তি প্ৰতিষ্ঠা কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰখনে যেতিয়া শান্তি চুক্তি কৰিলে তাৰ পাছত আমাৰ অঞ্চললৈ স্থায়ী শান্তি বিৰাজ কৰিলে আৰু আজি সেই দিন নাই। আজি প্ৰগতি নতুন ৰূপ আমাৰ বি টি চি অঞ্চলত আৰম্ভ হৈছে। গতিকে আগন্তুক দিনত আমি আশা ৰাখিম । যোৱা সৌ সিদিনা ৰাজ্যপাল মহোদয়ে তেখেতৰ অভিভাষণত যিখিনি কথা কৈছে, আগন্তুক দিনত ইমান দিনে আমি বি টি চি অঞ্চল পিছপৰি আছিলো৷ আগন্তুক দিনত নিশ্চিতভাৱে আমি আগুৱাই যাবলৈ সক্ষম হ'ম আৰু এটা কথা মই উল্লেখ কৰিব বিচাৰো যে এতিয়া আমি ফৰেন ৰিজাৰ্ভৰ কথা কৈ আছো । আমাৰ বি টি চি অঞ্চলৰ গাওঁ সমূহত এতিয়াও Traditioally এড়ি-মুগা এইবিলাকৰ যিটো নেকি আমি উৎপাদন কৰাৰ যিটো আমাৰ পৰম্পৰাগত প্ৰক্ৰিয়া, খুব সুন্দৰ ভাৱে আমাৰ গাঁৱৰ আই-মাতৃ সকলে

নিজৰ ব্যস্ততাপূৰ্ণ জীৱনৰ মাজত এই সংস্কৃতিটো জীয়াই ৰাখিছে । আমাৰ অঞ্চলত আমি যদি সামগ্রিক ভাৱে আমাৰ ভাৰতবৰ্ষৰ প্রেক্ষাপটত চাওঁ, ভাৰতবৰ্ষই এই এৰী বা আমাৰ যিটো sericulture, এই sericulture ৰ ক্ষেত্ৰখনত ২ য় স্থানত আছো আৰু আমি বিশেষকৈ যিখিনি 6th schedule area বা যিখিনি আমাৰ স্বায়ত্ব পৰিষদীয় অঞ্চল, এই অঞ্চলৰ মহিলা সকল এই ক্ষেত্ৰত বেছি আগ্ৰহী আৰু আগৰণুৱা । গতিকে আমাৰ মহামান্য ৰাজ্যপাল মহোদয়ে তেখেতৰ অভিভাষণত আমাৰ যিটো traditional practice ৰ কথা উল্লেখ কৰিছে, আগন্তুক দিনত এই কথাখিনিয়ে আমাৰ মহিলা সকলক যথেষ্ট উপকৃত কৰিব আৰু নিজৰ ভৰিত থিয় হ'বলৈ প্ৰেৰণা দিব বুলি আশাবাদী।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ভূপেন কুমাৰ বৰা।

**শ্ৰী ভূপেন কুমাৰ বৰা, বিধায়ক, বিহপুৰীয়া সমষ্টিঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সময়ৰ প্ৰতি আপোনাৰ যিটো আহ্বান দেখি এটা কবিতা মনত পৰিছে। কবিয়ে লিখিছিল হয়তো আপোনাক উল্লেখ কৰি – পল পল দন্দ কৰি সময় গৈছে উৰি

পাখী লগা কাড়ৰ নিচিনা অবিৰাম
বহু দূৰ আছে গতি, সময় তাকৰ অতি
কৰিব লগীয়া আছে বহু কাম।

মাননীয় অধ্যক্ষ মহোদয়, দহ বছৰ বিধান সভাত থকাৰ সুযোগ পাইছিলো । এটা বিৰতিৰ পিছত আকৌ আহি ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ থকা কেইটামান কথাত কেইজন মান সদস্যৰ কথা বিশ্বাস কৰিবলৈ টান পালো। এই কথা মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ শপত গ্ৰহণ অনুষ্ঠানৰ পিছৰ ৰাজ্যপাল মহোদয়ৰ ভাষণত যি প্ৰতিবিম্বিত হৈছে যে অসমৰ ১৯৫২ চনৰ ২৭ মাৰ্চৰ পাছৰ পৰা হোৱা ১৬ টা নিৰ্বাচনৰ এই গৰাকী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ শপত গ্ৰহণত কেৱল মাননীয় প্ৰধান মন্ত্ৰী বা গুৰুত্বপূৰ্ণ মন্ত্ৰী সকল উপস্থিত থকাই নহয়, দেশৰ আগশাৰীৰ পুঁজিপতি সকল, উদ্যোগপতি সকল আহি মুখ্যমন্ত্ৰী গৰাকীৰ শপত গ্ৰহণত উপস্থিত থকা কথাটোৰ পটভূমিত ৰাজ্যপালৰ

ভাষণত যিটো কেইটামান শিহৰণকাৰী প্ৰস্তাৱ আহিছে, যে অহা ২৭-২৮ বিত্তীয় বৰ্ষত ১০ লাখ কোটি টকা ইয়াত বিনিয়োগৰ ক্ষেত্ৰ ক্ৰয়ৰ যি পৰিকল্পনা, ৫ লাখ হাজাৰ কোটি টকাৰ বিনিয়োগৰ যিটো পৰিকল্পনা এইটো বিশ্বাস কৰিব পাৰি আৰু বিশ্বাস যোগ্য হয়। কাৰণ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সোঁৱে-বাৱে সেই পুঁজিপতি সকলে সেই মঞ্চখনত অসমৰ মাটিত ভৰি দিছিল। কিন্তু ইয়াৰ মাজতে মই আপোনাৰ জৰিয়তে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক দুটা কথা মনত পেলাই দিম  আৰু এটা আহ্বানো জনাম। ১৯৯৩ চনত যেতিয়া মই ডিব্ৰুগড় বিশ্ব বিদ্যালয়ৰ সাধাৰণ সম্পাদক আছিলো, তেতিয়া ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া কটন মহা বিদ্যালয়ত সাধাৰণ সম্পাদক আছিল। সেই সময়ৰ পৰিস্থিতি সম্পৰ্কে বাখ্যা কৰাৰ প্ৰয়োজনীয়তা নাই। বিভিন্ন মঞ্চত আমি দুজনে এটা কথা বাৰে বাৰে কৈছিলো যে অসমৰ প্ৰগতিৰ স্বাৰ্থত আমি শান্তি প্ৰতিষ্ঠা কৰিব লাগিব আৰু ১০০ শতাংশ শান্তি অবিহনে আমি ১০০ শতাংশ প্ৰগতিৰ সপোন দেখিব নোৱাৰো। সেই কথাটোত বিতুষ্ট হৈ সেই সময়ত আলফাই ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু মোক ৰাজহুৱা আদালতত বিচাৰ কৰা হ'ব বুলি ৰাজহুৱা কৈ গোহাৰি পত্ৰ বিতৰণ কৰিছিল। যেনেকৈ আমি এখন বোৱতী নদীত গা ধুবলৈ গৈ একেখিনি পানীত দুবাৰ ডুব মাৰিব নোৱাৰো, এতিয়া ব্ৰহ্মপুত্ৰত বহুত পানী বৈ গ'ল পৰিস্থিতি পৰিৱৰ্তন হ'ল। সেই গৰাকী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আজি এক অভূতপূৰ্ব নিৰংকুশ জন সমৰ্থনৰ মাধ্যমেৰে আহি দ্বিতীয় বাৰৰ কাৰণে অসমৰ মুখ্যমন্ত্ৰী হৈছে আৰু তেখেতৰ নেতৃত্বত গঠন হোৱা চৰকাৰৰ প্ৰথমখন বিধান সভাত প্ৰথমটো ৰাজ্যপালৰ ভাষণত দ্বিতীয় পৃষ্ঠাৰ শেষৰ ফালে ধুনীয়াকৈ উল্লেখ কৰিছে যে ''একে সময়তে এতিয়াও এই শান্তি প্ৰক্ৰিয়াৰ বাহিৰত থকা একমাত্ৰ প্ৰধান সংগঠন সংযুক্ত মুক্তি বাহিনী অসমৰ প্ৰতি মই আহ্বান জনাইছো যে তেওঁলোকেও মূল সূতিলৈ ঘূৰি আহি অসমৰ বিকাশ আৰু উন্নয়নত অৰিহনা যোগাব''। মাননীয় অধ্যক্ষ মহোদয়, মই এই কথাটো কিয় বাচি ললো ক'বৰ কাৰণে, কাৰণ আপুনি সময় বেছি দিব নোৱাৰে। যে আলফাৰ জন্ম লগ্ন যিটো পটভূমি, ১২১৫ খ্ৰীষ্টাব্দৰ চাওলুং চুকাফাৰ অসমত

প্ৰৱেশ কৰাৰ পিছত ১৮২৬ চনত বৃটিছ আৰু বাৰ্মীজৰ মাজত হোৱা ইয়ান্দাবু সন্ধি লৈকে অসমত যিটো ব্যৱস্থা আছিল, সেই সময়ত অসম ভাৰতৰ প্ৰশাসনিক ভাৱে অংগ ৰাজ্য নাছিল। কিন্তু ইয়াত বাৰে বাৰে মহাপুৰুষ শঙ্কৰ দেৱৰ কথা কৈছে। আমাৰ বিহপুৰীয়াখনত জন্মা মাধৱ দেৱে শঙ্কৰ দেৱক লৈ লিখিছিল যে –

‘‘ জয় গুৰু শঙ্কৰ, সৰ্ব গুণাকৰ’’। এই গুৰু জনাই কিন্তু ১২ বাৰ পদব্ৰজে ভাৰতবৰ্ষ ভ্ৰমণ কৰি আহি যি কীৰ্তন লিখিছিল, সেই কীৰ্তনত কিন্তু গুৰুজনাই লিখি থৈছিল যে –

ধন্য ধন্য কলি কাল, ধন্য নৰ তনু ভাল

ধন্য ধন্য ভাৰত বৰিষে।

ধন্য ধন্য ৰাম নাম।

অৰ্থাৎ, এফালে ইয়ান্দাবু সন্ধি সম্পৰ্কত পৰেশ বৰুৱা ডাঙৰীয়াৰ এটা যুক্তি থাকিব পাৰে যে যেতিয়া আমাৰ বৃটিছ আৰু বাৰ্মাৰ মাজত ইয়ান্দাবু সন্ধি হৈছিল, তেতিয়া সেই সময়ত আহোম ৰজা পুৰন্দৰ সিংহই চহী কৰা নাছিল। অৰ্থাৎ অসমৰ তাত সন্মতি নাছিল। কিন্তু মহাপুৰুষ শঙ্কৰ দেৱে কৈছিল যে আমি ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰাতো আৰু ভাৰতত একেলগে থকাটোৱে পূণ্য। সেই কাৰণে মই ভাবো যে অসমৰ সূদূৰ প্ৰসাৰী প্ৰগতি ত্বৰান্বিত কৰাৰ স্বাৰ্থত পৰেশ বৰুৱা ডাঙৰীয়াৰ ও অসমৰ এজন সন্তান হিচাপে দায়িত্ব আছে আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে বিগত সময়চোৱাত বিভিন্ন বক্তব্যত এই শান্তি প্ৰক্ৰিয়াটোক আগুৱাই অনাত তেখেতৰ যি আন্তৰিকতা আছে সেইটো মই দেখা পাইছো। আজি মই সেই কাৰণে বিধান সভাৰ পৰা মাননীয় পৰেশ বৰুৱা ডাঙৰীয়াক এই বিষয়ে আহ্বান জনাব বিচাৰিছো।

আমাৰ চৰকাৰখনৰ নেতা মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ ৰূপত কেইবাটাও যুগৰ পিছত অসমে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰা ৰাষ্ট্ৰীয় ৰাজনীতিত প্ৰভাৱ বিস্তাৰ কৰিব পৰা এজন নেতা লাভ কৰিছে। যিজনৰ মধ্যস্থতাত বা যিজনৰ নেতৃত্বত যদি শান্তি আলোচনা সন্মূখৰ ফালে আগবাঢ়ে

আৰু আমাৰ যিখিনি প্ৰাপ্য আছে বা আমাৰ যিখিনি অসন্তোষ আছে বা আমাৰ যিখিনি এতিয়ালৈকে অভিযোগ আছে, সেই অভিযোগখিনিয়ে যোগ্য স্থানত যোগ্য সন্মান পাব। সেইকাৰণে মই মাননীয় অধ্যক্ষ মহোদয়ক আহ্বান জনাম যে- সদনৰ এজন custodian হিচাপে এইটো আপোনাৰ নিশ্চিত ভাৱে এটা ডাঙৰ দায়িত্ব হ'ব যে পৰেশ বৰুৱা ডাঙৰীয়াক ৰাজ্যপাল মহোদয়ে যিটো আহ্বান জনাইছে সেই আহ্বানটোক সমগ্ৰ সদনে এটা সন্মানজনক আলোচনাৰ কাৰণে তেওঁক নিমন্ত্ৰণ জনাই অসমৰ আটাইতকৈ জনপ্ৰিয়তাৰ শীৰ্ষত অধিষ্ঠিত হোৱা মুখ্যমন্ত্ৰী গৰাকীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰক বুজাই-বঢ়াই সমস্যাটো সমাধান কৰিলে মই ভাবো যে আমাৰ যিবোৰ অন্য কথা আছে, যিবোৰ কথা আলোচনা কৰিবলৈ সুযোগ পোৱা নাই, ছয় জনগোষ্ঠীৰ কথাই হওঁক, ছয় নং দফাৰ কথাই হওঁক নিশ্চিত ভাৱে সেই আলোচনাটোক সুস্থ পৰিৱেশত সন্মানজনক ঠাইত দিয়া হ'ব। তেতিয়াহ'লে এই কথাবোৰৰো মীমাংসা ওলাব আৰু এই ধৰণৰ পদক্ষেপে অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে আহি থকা সময়ক লৈ তেখেতে বহু কেইটা ইতিহাস ৰচনা কৰিব। এইটো এটা সুন্দৰ সোণালী সুযোগ বুলি মই ভাবো। তেখেতৰ দ্বিতীয়টো কাৰ্য্যকালত এই সুযোগ তেখেতে ল'ব বুলি আশাবাদী। আমাৰ বিহপুৰীয়াত বাৰ বৈষ্ণৱৰ জন্মস্থান। তাত এটা কথা নিৰ্বাচনৰ সময়ত ওলাইছিল আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ও তেখেতৰ বক্তব্যত কৈছিল যে বিহপুৰীয়াক সমজিলাৰ মৰ্য্যদা দিয়া হ'ব। আমাৰ যেনেকৈ পীযুষ হাজৰিকা ডাঙৰীয়াৰ সমষ্টিত এটা semi conductor প্ৰকল্প হৈছে আৰু সেইটোক লৈ অসমৰ সকলোৱে গৌৰৱ কৰে। কোনোবাই কোনোবাই বেয়াও পাইছিল আৰু কৈছিল এইটো কৰ্ণাটকত হ'ব লাগে। কিন্তু আমি বিচাৰিছো যে ৫ লাখ কোটি টকাৰ যিটো বিনিয়োগৰ পৰিকল্পনা বৰ্তমানৰ আমাৰ চৰকাৰখনে দিছে আৰু তাৰ পৰা অন্ততঃ দহ হাজাৰ কোটি টকা মহাপুৰুষ মাধৱ দেৱৰ জন্ম স্থানটো বিনিয়োগ কৰিবৰ কাৰণে মই এই সুযোগতে অনুৰোধ জনাইছো আৰু তাৰ কাৰণে নিৰ্দ্ধাৰিত ভূমি সুবিধাজনক ঠাইত দিবৰ কাৰণে আমি সৰ্ব্বোতোপ্ৰকাৰে চেষ্টা কৰিম বুলি কৈ আৰু আলফাৰ শান্তি প্ৰক্ৰিয়া আৰু

আলোচনাতো ত্বৰান্বিত কৰাৰ স্বাৰ্থত অধ্যক্ষ মহোদয়ো নিশ্চিত ভাৱে এই সদনৰ হৈ এটা বাৰ্তা দিব বুলি আহ্বান জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** আমাৰ এটা চৰকাৰী সংকল্প প্ৰস্তাৱ আছে সেইবাবে আমাক কিছু সময় লাগিব। হয়টো ১০/১৫ মিনিট সময় লাগিব। গতিকে সদনৰ সন্মতি সাপেক্ষে আমি সময়টো অকনমান বৃদ্ধি কৰি লৈছো। দ্বিতীয় বিষয়টো হৈছে যে আমাৰ কেইবাজনো নতুন বিধায়ক-বিধায়িকা আহিছে তাৰ বাবে আমি Rules of Procedure and Conduct of Business কিতাপখন নতুন সদস্য সকলক দিবলৈ মই আহ্বান জনাইছো । আৰু তেখেত সকলে যতে সেই কিতাপখন বিশেষকৈ Point of Order টো ভালকৈ পঢ়িব নহলে Point of Order উত্থাপন কৰাৰ সময়ত বিভিন্ন বিভ্ৰান্তি মূলক কথা আহে, সেইখিনিলৈ মই যাব খোজা নাই। আমাৰ অখিল গগৈ ডাঙৰীয়াই কৈছিল যে চাই চাই কব নোৱাৰি তেখেতে কৈছিলে যে Rules ত লিখা আছে। মই এটা কথা আপোনালোকক গুৰুত্ব দিবলৈ কৈছো যে কোনো ভাল কাম কৰাৰ কাৰণে আমাৰ সংবিধানত কোনো বাধা নাই। বেয়া কাম ৰোধ কৰাৰ কাৰণেহে সংবিধানৰ প্ৰয়োজন। এই কথাটো মই নিজেও উপলব্ধি কৰো । আমাৰ Rules ত লিখা আছে। আমাৰ Rules of Procedure ৰ ২৭৮ ৰ ১০ নম্বৰ point ত লিখা আছে Read a written speech except with the previous permission of the Chair. যি সকলে written speech পঢ়িছে মোৰ অনুমতি লৈ কৈছে আৰু সেইটো ভালৰ কাৰণে কৰিছে । এতিয়া কাৰ্য্যসূচী নং ৭, মাননীয় মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওগ ডাঙৰীয়ানীয়ে চৰকাৰী সংকল্প প্ৰস্তাৱটো উত্থাপন কৰিবলৈ সদনৰ অনুমিত বিচাৰিব।

**শ্ৰী মতী অজন্তা নেওগ, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই মহিলা আৰু শিশু বিকাশৰ চৰকাৰী সংকল্প প্ৰস্তাৱটো সদনত উত্থাপন কৰিবলৈ প্ৰস্তাৱ কৰিলো। মোৰ প্ৰস্তাৱটো হল যে '' এই সদনে মত পোষণ কৰে যে, নাৰী শিক্তক সন্মান জনোৱাৰ উদ্দেশ্যে তথা নাৰীৰ সামগ্ৰিক

উন্নয়ন আৰু সৰলীকৰণ নিশ্চিত কৰিবলৈ, সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পিছতেই দেশৰ সংসদ আৰু সকলো বিধান সভাত মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা তৎক্ষনাৎ কাৰ্য্যকৰী কৰা উচিত।'' অধ্যক্ষ মহোদয়, মই এই সংকল্প প্ৰস্তাৱটোৰ বিষয়ে চমুকৈ দুআষাৰ কবলৈ বিচাৰিছো। আমি সকলোয়ে জানো যে আমাৰ দেশত মহিলাক সদায় সন্মান জনোৱা হয় আৰু আমি দেখিছো যে আমাৰ মহিলা সকলক সন্মান জনাই আহিছে। নাৰীক আমি এই ৰাষ্ট্ৰত বিভিন্ন নামেৰে আমি অলংকৃত কৰিছো। ভাৰতবৰ্ষ পুৰণি যিবিলাক শাস্ত্ৰ আছে তাক নাৰীক বন্দিত কৰা হৈছে আৰু সেই কাৰণে নাৰী হৈছে মাতৃ স্বৰুপা। অধ্যক্ষ মহোদয় নাৰীৰ যি জীৱন পৰিক্ৰমা তাক আমি সকলোয়ে দেখিছো আৰু সেই কাৰণে ভাৰতবৰ্ষত আমি বিভিন্ন শাস্ত্ৰ বিলাকত দেখিছিলো যে নাৰীক বন্দনা কৰা হৈছে কিন্তু আমি এইটো দেখিলো যে কৌৰৱৰ ৰাজসভাত আমাৰ নাৰী নিন্দিত হৈছিল। অপমান সূচক অৱস্থালৈ নাৰী পৰিগনিত হৈছিল। গতিকে নাৰীক আগবঢ়াই লৈ যাবৰ কাৰণে ৰাজনৈতিক সদিস্বা লাগিব, সামাজিক সদিস্বা লাগিব। অধ্যক্ষ মহোদয় আৰু সেই কাৰণে আপুনি দেখিছে যে আমাৰ ৰাষ্ট্ৰত প্ৰায় ৫০ শতাংশ মহিলা। আজি অসমটো আমি যদি জনসংখা চাওঁ তেতিয়া হলে প্ৰায় ৫০ শতাংশ আমাৰ মহিলা। এই মহিলা সকলক আমি সকলো দিশেৰে যেনে ৰাজনৈতিক ভাৱে, সামাজিক ভাৱে, শৈক্ষিক ভাৱে আগবঢ়াই লৈ যোৱাটো ৰাষ্ট্ৰৰ এটা কৰ্তব্য। কিন্তু আমি দুখেৰে দেখিছো যে নাৰীৰ যিটো ৰাজনৈতিক পৰিক্ৰমা, সেই পৰিক্ৰমান আমি শক্তিশালী ৰূপত হয়টো আমি দেখিবলৈ পোৱা নাই। এই কথাটো আমাৰ ৰাজ্যৰ মাজতে সিমাবদ্ধ হৈ থকা নাই বা আমাৰ ৰাষ্ট্ৰ মাজটো সিমাৱদ্ধ হৈ থকা নাই। আপুনি যদি চাই দেখিব যে গোটেই বিশ্বতে নাৰীৰ যি ৰাজনৈতিক অধিকাৰ সেই অধীকাৰ পুৰুষ সকলৰ সমানে সমানে আমি আগবঢ়াই লৈ যাব পৰা নাই।

হয়টো তাত বিভিন্ন ধৰণৰ কাৰক আছে। তাত হয়টো সামাজিক বাধ্য বাধকতা থাকিব পাৰে, শৈক্ষিক বাধা বাধকতা থাকিব পাৰে বা লগতে মানসিক বাধা বধকতা থাকিব পাৰে। কিন্তু এই ক্ষেত্ৰত আমি নাৰীক আগবঢ়াই লৈ যাব লাগিব। ইয়াৰ কাৰণে ৰাজনৈতিক সদিচ্ছাৰ যথেষ্ঠ প্ৰয়োজনীয়তা আছে। ভাৰতবৰ্ষৰ সংসদত বৰ্তমান আমাৰ স্বাধীনতাৰ ৭৭ তম বৰ্ষ  পূৰণ হল। তাৰ পিছত আমাৰ নেতা শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত সংসদত  ২০২৩ চনত আজিৰ যিটো মহিলা সংৰক্ষণ আইন, যিটো নাৰী শক্তি বন্দন অধীনিয়ম ২০২৩ এই আইনখন তাত দাখিল কৰা হৈছিল আৰু সেই আইন খনত আমি দেখিলো যে যেতিয়া দাখিল কৰিছিল সংসদত সকলো দলৰ সকলো সদস্যই  এক মত পোষণ কৰিছিল আৰু সেই আইন খন পাছ হৈছিল। যেতিয়া সেই আইন খন পাছ হল তেতিয়া ভাৰতবৰ্ষৰ যি মহিলা শক্তি, সেই শক্তি উৎফল্লিত হৈছিল আৰু সকলোৰে এটা আশাৰ বতৰা আছিল যে প্ৰথম বাৰৰ বাবে হয়টো মহিলা সকলে ৰাজনৈতিক ন্যায় পাবৰ কাৰণে সক্ষম হব। আমি কিছু দিন অপেক্ষা কৰিলো নতুন চৰকাৰ হ'ল আৰু নতুন চৰকাৰ হোৱাৰ পিছত যোৱা ২০২৬ চনৰ ১৬ এপ্ৰিল তাৰিখে এই আইন খন আৰ্থাৎ সংবিধান সংশোধনী আইনখন আকৌ সংসদত উপস্থাপন কৰা হৈছিল। আগৰ আইন খনত যি নিয়ম আছিল সেইমতে ৩খন যাতে ইয়াক সোনকালে কাৰ্য্যকৰী কৰিব পাৰি তাৰ বাবে ইয়াত ৩ খন বিধেয়ক উত্থাপন কৰা হৈছিল প্ৰথমতে সংবিধানৰ ১৩১ সংশোধনী বিধেয়ক ২০২৬, দ্বিতীয়তে কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধন বিধায়ক ২০২৬ আৰু সমষ্টিৰ পূণৰ নিধাৰণ বিধেয়ক ২০২৬। দুটা দিনধৰি সংসদত যথেষ্ট বিতৰ্ক হৈছিল আৰু পিছত আমি দেখিলো যে ১৮ এপ্ৰিলৰ দিনা যিখন আইন আমি পাচ হব বুলি ভাবিছিলো কিন্তু পাছ নহল। এইটো অতি দূৰ্ভাগ্যৰ কথা যে নাৰী শক্তিয়ে ইমান দিনে স্বাধীনতাৰ ৭৭ ৰ বৰ্ষৰ পিছত সংসদত  মহিলাৰ যি ৰাজনৈতিক

অধিকাৰ  ৩৩ শতাংশ সংৰক্ষণ এই আইন খনৰ জৰিয়তে ৰাজনৈতিক উত্তৰণ তেওঁলোকে যিটো আশা কৰিছিল তাত চেছা পানী ধালিলে। তাৰ পিছত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৈছিল যে আমি যেনে ধৰণে হওঁক এই আইন খন ভৱিষ্যতে মহিলা সকলৰ উত্তৰণৰ কাৰণে এই আইন খন আমি পাচ কৰিবলৈ চেষ্টা কৰিম। মই সচাকৈয়ে এগৰাকী মহিলা হিচাপে আজি এই ঐতিহাসিক সংকল্প প্ৰস্তাৱটো এই বিধান সভাত সৰ্বসন্মতি ক্ৰমে গৃহিত হোৱাটো বিচাৰিছো আৰু আমি সকলোৱে জানো যে অধ্যক্ষ মহোদয় এই বিধান সভাত ২০০১ চনৰ পৰা এগৰাকী বিধায়ীকা হিচাপে আছো। কিন্তু আমি এই বিধান সভাত দেখিছিলো যে আমাৰ প্ৰতিনিধিত্ব দিনক দিনে বাঢ়িছেনে কমিছে। গতিকে আমি ভাৱো যে মহিলাসকলৰ যদি ৰাজনৈতিক ভাৱে আগবঢ়াই লৈ যাব লাগে তেতিয়া হ'লে এই সংৰক্ষণ বিধেয়ক খনৰ যথেষ্ঠ প্ৰয়োজনীয়তা আছে। এই বিল খন ভবিষ্যতে যাতে আইনত পৰিণত হয় আমাৰ সংসদত বা ৰাজ্যসভাত যি দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা লাগে সেইটো লৈ যাতে এই বিল খন যাতে পাচ হয় তাৰ কাৰণে ৰাজ্যচৰকাৰৰ আৰু এই ক্ষেত্ৰত আমি দেখিলো যে অকল অসমে নহয় বহু কেইখন ৰাজ্যই যেনে মধ্যপ্ৰদেশ আদি এটা সংকল্প পাছ কৰিছে আৰু NDA শাসিত যিমান কেইখন ৰাজ্য আছে তেওঁলোকে বিভিন্ন সংকল্প প্ৰস্তাৱৰ জৰিয়তে আবেদন কৰিছে সদনক এই সংকল্প প্ৰস্তাৱটো পাছ কৰাৰ বাবে। আৰু ভবিষ্যতে মহিলাৰ যি ৰাজনৈতিক সুৰক্ষা আৰু মহিলাৰ যি ৰাজনৈতিক উত্তৰণ তাৰ বাবে এই আইন খন পাচ হব। মই সেইখিনি কথাৰে চৰকাৰৰ ফালৰ পৰা যিহেতু চৰকাৰৰ সকলো ফালৰ পৰা সদিচ্ছা আছে আৰু আমাৰ বৰ্তমান যিখন নতুন চৰকাৰ ড° শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত হৈছে এই চৰকাৰ খনে আন্তৰিকতাৰে কামনা কৰে যে মহিলাৰ ৰাজনৈতিক উত্তৰণ হব লাগে আৰু সেই উত্তৰণৰ কাৰণে আজি মই এই Resolution টো আনিছো গতিকে মই

পুনৰবাৰ সদনৰ সকলোকে আবেদন জনাইছো যে এই Resolution টো সৰ্বসন্মতি ক্ৰমে আৰু দল মত নিৰ্বিশেষে ইয়াক পাচ কৰি অসম বিধান সভাই যেন এটা নজৰ ৰাখে যে মহিলাৰ উত্তৰনৰ সকলোৰে সহমত আছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** চৰকাৰী সংকল্প প্ৰস্তাৱটো উত্থাপন কৰাত সদনৰ সন্মতি আছেনে ? যি সকলে সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপেক্ষে,  প্ৰস্তাৱটো গৃহিত হ'ল। এতিয়া মাননীয় মন্ত্ৰীয়ে সংকল্প প্ৰস্তাৱটো উত্থাপন কৰিব।

**শ্ৰী মতী অজন্তা নেওগ, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই মহিলা আৰু শিশু বিকাশ বিভাগৰ চৰকাৰী সংকল্প প্ৰস্তাৱটো সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া সদন ২৬-০৫-২০২৬ তাৰিখে ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।